● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মহৎ ইচ্ছাশক্তি অবিহনে মহৎ প্ৰতিভা বুলি কোনো বস্তু নাই।



অ'ন'ৰে দ্য বালজাক
*ফৰাচী ঔপন্যাসিক*

www.dainikagradoot.in

৭ এপ্ৰিলৰ পাছত নৰেম্বৰত দ্বিতীয় সৰ্বাধিক জিএছটি সংগ্ৰহ
১৫ বিহাৰৰ বিৰুদ্ধে ৮-১ গ'লত জয়ী অসম
৪ দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত উচ্চশিক্ষাৰ ক্ষেত্ৰত অসম বহু পাছত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫৬তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৫ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 2 December 2021 মূল্য ঃ ৯.০০ টকা

■ দেশজুৰি এনআৰচি প্ৰস্তুতৰ পৰিকল্পনা নাই ■ সংসদত স্পষ্ট কৰি দিলে কেন্দ্ৰই ■ আইনৰ ধাৰা প্ৰস্তুতৰ পাছতহে নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰিব তিনি চুবুৰীয়া দেশৰ সংখ্যালঘুৱে

# দুবছৰে প্ৰস্তুতেই নহ'ল 'কা'ৰ বিধি

■ চৰকাৰৰ ব্যৰ্থতা নে ৰাজনৈতিক কাৰণত হোঁহকা-পিছলা? স্পষ্ট নহয় দিল্লীৰ স্থিতি

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** দেশজুৰি বিতৰ্কৰ মাজতে দ্বিতীয়বাৰ ক্ষমতালৈ আহিয়ে নাগৰিকত্ব সংশোধনী আইন গৃহীত কৰিছিল নৰেন্দ্ৰ মোদী চৰকাৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সেই সময়ত কৈছিল যে প্ৰথমতে নাগৰিকত্ব সংশোধনী আইন (কা) হ'ব। তাৰ পাছত দেশজুৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) প্ৰস্তুতৰ কাম আৰম্ভ হ'ব। অসমৰ পাছত দেশজুৰি এনআৰচি হ'ব বুলি শ্বাহে একাধিকবাৰ ঘোষণা কৰিছিল। ইয়াকে লৈ সৃষ্টি হৈছিল তীব্ৰ বিতৰ্কৰ। অৱশ্যে 'কা' গৃহীত হোৱাৰ দুবছৰৰ পাছতো এই আইনৰ অধীনত বিধিসমূহ প্ৰস্তুত কৰা নহ'ল।

এই পৰিস্থিতিত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে লোকসভাত সদৰী কৰে যে এই মুহূৰ্তত দেশজুৰি এনআৰচি প্ৰস্তুতৰ কোনো পৰিকল্পনা নাই কেন্দ্ৰীয় চৰকাৰৰ। তৃণমূল কংগ্ৰেছৰ সাংসদ মালা ৰায়ে সংসদত চলিত লোকসভাৰ অধিবেশনত দেশজুৰি এনআৰচিৰ কাম কেতিয়া আৰম্ভ হ'ব সেই সম্পৰ্কে লিখিত প্ৰশ্ন কৰে। ইয়াৰ উত্তৰত মন্ত্ৰী ৰায়ে সদৰী কৰে যে দেশজুৰি এনআৰচি প্ৰস্তুতৰ ১০ পৃষ্ঠাত চাওক

## সীমাসমূহ কেতিয়াবাই নিৰ্ধাৰিত হোৱাটো উচিত আছিল

■ দয়ানন্দ পাঠক



**অসম** ৰাজ্যখন এতিয়া আন্তঃৰাজ্যিক সীমা সংকটৰ কেন্দ্ৰবিন্দু। অৰুণাচল প্ৰদেশ, মিজোৰাম, নগালেণ্ড, মেঘালয় আদি ৰাজ্যবোৰৰ লগত অসমৰ সীমাৰ কাজিয়া এতিয়া তীব্ৰতৰ হ'বলৈ আৰম্ভ কৰিছে। এনেবোৰ ৰাজ্য সৌসিদিনালৈ অসমৰেই অন্তৰ্গত আছিল। অৰুণাচলৰ সৃষ্টি হৈছে ১৯৮৭ৰ ১০ পৃষ্ঠাত চাওক



■ গৰুখুঁটি প্ৰকল্প পৰিদৰ্শন ঃ প্ৰকল্পৰ আধাৰশিলা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

■ চাকৰিৰ হাবাথুৰি খোৱাতকৈ কৃষি কাৰ্যত মনোনিৱেশ কৰিব লাগিব

## মোগলক ১৭ বাৰ পৰাভূত কৰা হৃত গৌৰৱ উদ্ধাৰ কৰিব লাগিব অসমীয়াই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গৰুখুঁটি, ১ ডিচেম্বৰ ঃ** 'গৰুখুঁটিক আমি অসমৰ সন্মান আৰু গৌৰৱৰ এক অন্যতম নিদৰ্শনৰূপে পৰিগণিত কৰিব লাগিব, যাতে আমাৰ যুৱচামে অধিক কৰ্মত নিয়োজিত হৈ উন্নতি কৰিব পাৰে। অসমীয়াই মোগলক ১৭বাৰ পৰাভূত কৰিছিল। এই হৃত গৌৰৱ আমি কৰ্ম তথা অধ্যৱসায়েৰে উদ্ধাৰ কৰিব লাগিব।' এই ভাষ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি দৰং জিলাৰ গৰুখুঁটিত কৃষি প্ৰকল্প পৰিদৰ্শন কৰি কে'বাটাও প্ৰকল্প মুকলি কৰি এইদৰে কয় মুখ্যমন্ত্ৰীয়ে। ড° শৰ্মাই বিগত জুনত গৰুখুঁটি অঞ্চল পৰিদৰ্শন কৰি বৃহৎ অঞ্চলটোত বেদখল প্ৰত্যক্ষ কৰিছিল। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ পাছত ৰাজ্য চৰকাৰে কেবিনেট বৈঠকত সেই অঞ্চলৰ পৰা বেদখলকাৰীক ১০ পৃষ্ঠাত চাওক

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্বাচনৰ ফলাফল ঘোষণা

## আছুৰ দখলত সভাপতিৰ পদ, সাধাৰণ সম্পাদকসহ পাঁচটাকৈ পদ এনএছইউআইলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** কালি অনুষ্ঠিত হৈ যোৱা গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ ভোটগ্ৰহণৰ ফলাফল আজি ঘোষণা কৰা হয়। ঘোষিত ফলাফল ১০ পৃষ্ঠাত চাওক

■ পলায়ন কৰিবলৈ গৈ আৰক্ষীৰ বাহনৰ খুন্দাত প্ৰাণ হেৰুৱালে অনিমেষ হত্যাৰ মূল অভিযুক্ত নিৰজ দাসে ■ অনুতপ্ত নহয় মৃত অভিযুক্তৰ পৰিয়াল ■ মৃতদেহ কঢ়িয়াই নিবলৈ অস্বীকাৰ

## অন্ত পৰিল কুলা ল'ৰাৰ ক'লা অধ্যায়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/চিনামৰা, ১ ডিচেম্বৰ ঃ** ছাত্ৰ নেতা অনিমেষ ভূঞাক পৰহি অতি নিৰ্মমভাৱে একাংশ লোকে মৰিয়াই হত্যা কৰাৰ বিৰুদ্ধে সৰ্বত্ৰে বিয়পি পৰা ক্ষোভ, ঘৃণা আৰু ধিক্কাৰৰ মাজতে যোৱা নিশা চিনামৰাত এক ৰহস্যজনক দুৰ্ঘটনাত মৃত্যু হয় এই বৰ্বৰ হত্যাকাণ্ডৰ অন্যতম অভিযুক্ত কুলা ল'ৰা ওৰফে নিৰজ দাসৰ। ইয়াৰ লগে লগে অন্ত পৰে বহু চৰ্চিত কুলা ল'ৰাৰ ক'লা অধ্যায়। এই বাতৰি বিয়পি পৰাৰ লগে লগে যোৰহাটৰ বিভিন্ন ঠাইত বোমা ফুটাই আনন্দ প্ৰকাশ কৰে একাংশই। এই দুৰ্ঘটনাৰ বাবে একাংশই আৰক্ষীক প্ৰশংসাৰে ওপচাই পেলোৱা কাৰ্যয়ো তাৎপৰ্য বহন কৰিছে।

ইপিনে, আজি যোৰহাটৰ আৰক্ষী অধীক্ষক অংকুৰ জৈনে সংবাদ মাধ্যমক সদৰী কৰা অনুসৰি, ধৃত নিৰজৰ স্বীকাৰোক্তিৰ ভিত্তিত তদন্তকাৰী বিষয়া যোৰহাট থানাৰ সহকাৰী পৰিদৰ্শক গুণীন চুতীয়াৰ নেতৃত্বত মৰিয়নিলৈ এখন মহিন্দ্ৰ থাৰ গাড়ীত নিৰজক লৈ গৈছিল। এইদৰে গৈ থকা অৱস্থাতে হঠাতে যোৰহাট-মৰিয়নি পথৰ ১০ পৃষ্ঠাত চাওক



■ কংগ্ৰেছে যুঁজিব নিবিচাৰিলে আমি কৰিম? ঃ পাৱাৰৰ স'তে বৈঠকৰ পাছত মমতাৰ প্ৰশ্ন

## কিহৰ ইউপিএ? কোনো ইউপিএ নাই!



■ ৰাহুল গান্ধীকো কটাক্ষ কৰিলে তৃণমূল কংগ্ৰেছৰ নেত্ৰীয়ে

■ **নিউজ ব্যুৰ'**
**মুম্বাই, ১ ডিচেম্বৰ ঃ** তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছৰ সম্পৰ্কত জটিলতাৰ সৃষ্টি হোৱা বুলি চৰ্চা চলাৰ সময়তে আজি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল নেত্ৰী মমতা বেনাৰ্জীয়ে কংগ্ৰেছৰ ৰাজনৈতিক স্থিতিক আক্ৰমণৰ লক্ষ্য কৰি লয়। কংগ্ৰেছ নেতৃত্বাধীন ইউপিএৰ অস্তিত্বক নস্যাৎ কৰি মমতাই কয়, 'ইউপিএ কি? এতিয়া কোনো ইউপিএ নাই।' এনচিপিৰ মুৰব্বী শাৰদ পাৱাৰৰ স'তে মুম্বাইত আজি আবেলি আলোচনাৰ পাছত মমতাৰ এই ভাষ্যই স্পষ্ট কৰি তুলিছে যে তেওঁ নতুন বিকল্পৰ সন্ধান কৰিছে। দুবছৰৰ পাছত দেশত হ'বলগীয়া সাধাৰণ নিৰ্বাচনত মমতাই নতুন বিকল্পৰ নেতৃত্ব দিব নেকি বুলিও ১০ পৃষ্ঠাত চাওক

## অনিমেষৰ দুই বন্ধুক কোনে বিচাৰি আহিল হাস্পতাললৈ

মাতৃৰ সন্তুষ্টি প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ১ ডিচেম্বৰ ঃ** যোৰহাট নগৰৰ মাজমজিয়াত সংঘটিত হোৱা নাৰকীয় ঘটনাই নিতৌ ন ন ৰূপ ধাৰণ কৰিছে। একাংশ লোকৰ নৃশংসতাৰ বলি হৈ মৃত্যুক আঁকোৱালি লোৱা ছাত্ৰ নেতা অনিমেষ ভূঞাৰ ১০ পৃষ্ঠাত চাওক

■ যিকোনো অপৰাধমূলক কাৰ্যত জড়িত অপৰাধীক নিৰ্মূল কৰা হ'ব

■ নলবাৰী মেডিকেল কলেজত ২০২৩ৰ পৰাই আৰম্ভ হ'ব পাঠদান

## বেয়া কাম কৰিলে ক'লা আপা, বগা আপা সকলো একে হৈ যায়! শৰ্মা

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী/ঘগ্ৰাপাৰ/বাহাৰঘাট, ১ ডিচেম্বৰ ঃ** 'অসমত সংঘটিত যিকোনো অপৰাধমূলক কাৰ্য আৰু ইয়াৰ স'তে জড়িত অপৰাধীক নিৰ্মূল কৰা হ'ব। মোৰ মুখ্যমন্ত্ৰিত্বৰ কালত অসমৰ ৰাইজে শান্তিৰে বসবাস কৰিব পাৰিব।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দক্ষিণগাঁৱত নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ বুজ লৈ আজি আবেলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়। অসমত হত্যা, হিংসা, লুণ্ঠন, যিকোনো ছিণ্ডিকেট তথা দালালিত জড়িত সকলো অপৰাধীকে নিৰ্মূল কৰি অসমখন শান্তিপূৰ্ণ ৰাজ্যৰূপে গঢ়ি তোলা হ'ব বুলি তেওঁ দোহাৰে। ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা যোৰহাট কাণ্ডৰ সম্পৰ্কত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'বেয়া কাম কৰিলে ক'লা আপা, বগা আপা সকলো একে হৈ ১০ পৃষ্ঠাত চাওক

■ ১৫৬ পৃষ্ঠাজোৰা অভিযোগনামাত পত্নী নুছৰতকো অভিযুক্ত

## ৰৌণক আলীৰ সম্পত্তি বৈধ আয়ৰ ২১০ শতাংশ সামঞ্জস্যহীন ঃ আৰক্ষী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** আয় বহিৰ্ভূত সম্পত্তিৰ গোচৰত কাৰাবন্দী হৈ থকা আইপিএছ বিষয়া ৰৌণক আলী হাজৰিকাৰ বিৰুদ্ধে অসম আৰক্ষীৰ তদাৰকী কোষে আদালতত অভিযোগনামা দাখিল কৰিলে। ১৫৬ পৃষ্ঠাজোৰা এই অভিযোগনামাত হাজৰিকাৰ উপৰি তেওঁৰ পত্নী নুছৰত ৰৌণক হাজৰিকা আৰু ফৰিদ আলী নামৰ আন এজনক অভিযুক্ত কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, ১০ পৃষ্ঠাত চাওক



## যোৰহাটৰ ঘটনাক 'ন্যায় বহিৰ্ভূত হত্যা' আখ্যা জিলা ন্যায়াধীশৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১ ডিচেম্বৰ ঃ** যোৰহাটত ছাত্ৰনেতা অনিমেষ ভূঞাৰ বৰ্বৰোচিত হত্যাকাণ্ডৰ মূল অভিযুক্ত কুলা ল'ৰা ওৰফে নিৰজ দাসৰ মৃত্যুৰ ১০ পৃষ্ঠাত চাওক




*এইডছ দিৱস উপলক্ষে উলিওৱা সজাগতা সমদল, মহানগৰীত বুধবাৰে।*

## ডিব্ৰুগড়ৰ যুগ্ম হত্যাৰ অভিযুক্ত জালত পৰিল

## ভাড়াঘৰৰ গৰাকীকহে হত্যাৰ কথা স্বীকাৰ ৰাজীৱৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১ ডিচেম্বৰ ঃ** পত্নীৰ স'তে অসংযত অৱস্থাত প্ৰত্যক্ষ কৰিয়ে ভাড়াঘৰৰ গৰাকীক হত্যা কৰিছিল বুলি স্বীকাৰোক্তি দিছে ডিব্ৰুগড়ৰ চাঞ্চল্যকৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত ৰাজীৱ চুংকাঙে। যোৱা নিশা ডিব্ৰুগড় আৰক্ষীয়ে শদিয়া আৰক্ষীৰ সহযোগত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰা ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৫° |
| ডিব্ৰুগড় | ২৭° | ১৩° |
| দিল্লী | ২২° | ১৫° |
| কলকাতা | ২৯° | ১৮° |
| মুম্বাই | ২৪° | ২০° |
| চেন্নাই | ৩০° | ২৫° |
| বাংগালুৰু | ২৬° | ১৮° |
| শ্বিলং | ২১° | ১০° |

*১ ডিচেম্বৰ, ২০২১*

## চেঙা তেল



*সমাজত ঘুণে ধৰিছে বোলে! তাকে তেওঁ মেৰামতি কৰিবলৈ সাজু হৈ ওলাই আহিছে!*

বন বিভাগৰ নিৰ্লিপ্ততাৰ অভিযোগ ৰাইজৰ

## ক্ষেত্ৰীত নিশা অঘটন ঃ ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত দুটাকৈ বন্যহস্তীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ১ ডিচেম্বৰ ঃ** ৰাজ্যত হস্তী-মানৱৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰাৰ সময়তে যোৱা নিশা খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা দুটা বন্যহস্তীৰ ৰেলৰ খুন্দাত কৰুণ মৃত্যু হোৱাৰ ঘটনাই কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া অঞ্চলত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত বৰাহু মইনাজানত নিশা ১০ বজাত সংঘটিত হয় এই শোকাৱহ ঘটনাটো। নিশা উজনিমুৱা ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ছয় পৃষ্ঠাত চাওক

## মটৰ চাইকেল এক কিলোমিটাৰ চোঁচৰাই নিলে ট্ৰাকে, মহিলাৰ থিতাতে মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। ট্ৰাক আৰু দুচকীয়া বাহনৰ মাজত সংঘটিত ছয় পৃষ্ঠাত চাওক

■ ৰাজ্যত ১৫ বছৰ ঊৰ্ধ্বৰ ধপাত-সুৰা সেৱন কৰা লোকৰ হাৰ বৃদ্ধি

■ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ প্ৰতিবেদন প্ৰকাশ উদ্বেগজনক তথ্য

## ৰাজ্যত বৃদ্ধি লিংগকেন্দ্ৰিক হিংসা, অস্বাভাৱিক হাৰত বৃদ্ধি যৌন হিংসাও

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ মাজতে ৰাজ্যত বৃদ্ধি পালে লিংগকেন্দ্ৰিক হিংসা। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্যৰ জৰীপ-পঞ্চমৰ প্ৰতিবেদনত ২০১৫-১৬ৰ তুলনাত ৰাজ্যত ২০১৯-২০ বৰ্ষত ১৮ বছৰৰ পৰা ২৯ বছৰ বয়সৰ যুৱতী-মহিলাৰ বিৰুদ্ধে যৌন হিংসা অস্বাভাৱিকভাৱে বৃদ্ধিৰ উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। ২০১৫-১৬ৰ জৰীপৰ প্ৰতিবেদনত ৰাজ্যত যৌন হিংসাৰ হাৰ আছিল ৫.৮ শতাংশ আৰু ই ২০১৯-২০ৰ জৰীপত অৰ্থাৎ শেহতীয়াকৈ প্ৰকাশ পোৱা প্ৰতিবেদনত আঠ শতাংশলৈ বৃদ্ধি পায়। উল্লিখিত যৌন হিংসাৰ বলি হোৱা যুৱতী-মহিলাসকলৰ ৭.৪ শতাংশ চহৰৰ আৰু ৮.১ শতাংশ গ্ৰামাঞ্চলৰ। সমান্তৰালভাৱে স্বামীৰ দ্বাৰা হিংসাৰ ঘটনাও ৰাজ্যত বৃদ্ধি হৈছে। প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, ১৮ৰ পৰা ৪৯ বছৰ মহিলাৰ ১০ পৃষ্ঠাত চাওক

কামত আপোচ নহ'ব ■ জলসম্পদৰ বিষয়া-অভিযন্তাক সতৰ্ক কৰি দিলে মন্ত্ৰী হাজৰিকাই

## ডিচেম্বৰৰ ভিতৰত কাম আৰম্ভ কৰাৰ নিৰ্দেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** জলসম্পদ বিভাগৰ চলিত বৰ্ষৰ সকলো কাম ডিচেম্বৰৰ ভিতৰতে আৰম্ভ কৰিবলৈ বিভাগীয় বিষয়া আৰু অভিযন্তাসকলক নিৰ্দেশ দিছে মন্ত্ৰী পীযুষ হাজৰিকাই। আজি দিছপুৰস্থিত জনতা ভৱনৰ নিজা কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত জলসম্পদ মন্ত্ৰীজনে এই নিৰ্দেশ দিয়ে। বিভাগৰ বিষয়া আৰু অভিযন্তাসকলৰ স'তে পৰ্যালোচনা বৈঠকত অংশ লৈ তেওঁ চলিত বৰ্ষত বিভাগে কৰিবলগীয়া বিভিন্ন কামৰ খতিয়ান লয়। লগতে সকলোকে নিজৰ কামবোৰ সুচাৰুৰূপে কৰাৰ বাবে নিৰ্দেশ দিয়ে। তদুপৰি কামৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি সতৰ্ক কৰি দিয়ে। বৈঠকত মন্ত্ৰীজনে জলসম্পদ বিভাগৰ আঁচনিসমূহৰ বাবে প্ৰয়োজনীয় সকলো বিভাগীয় ১০ পৃষ্ঠাত চাওক



২৯ ডিচেম্বৰৰ পৰা ১২দিনীয়াকৈ আয়োজন

## দেশী-বিদেশী প্ৰকাশকৰ অংশগ্ৰহণেৰে অসম গ্ৰন্থমেলা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** প্ৰথমবাৰৰ বাবে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত গুৱাহাটীত অনুষ্ঠিত হ'ব গ্ৰন্থমেলা। ২৯ ডিচেম্বৰৰ পৰা ন জানুৱাৰীলৈ গুৱাহাটীৰ চান্দমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত এই গ্ৰন্থমেলা 'অসম গ্ৰন্থমেলা'ৰূপে অনুষ্ঠিত কৰা ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ ডিচেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## অনিমেষৰ হত্যাকাণ্ডক গৰিহণা দল-সংগঠনৰ

### দোষীক দৃষ্টান্তমূলক শাস্তিৰ দাবী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ ডিচেম্বৰ ঃ** শৈক্ষিক-সাংস্কৃতিক নগৰীৰূপে খ্যাত যোৰহাট নগৰৰ মাজমজিয়াত এদল উন্মত্ত নৰপিশাচৰ বৰ্বৰোচিত অমানুষিক মাৰপিটত মৃত্যুক সাৱটি লোৱা ছাত্ৰ নেতা অনিমেষ ভূঞাৰ হত্যাকাণ্ডৰ ঘটনাই মৰিয়নিকো জোকাৰি গৈছে। মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাই এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে এই হত্যাকাণ্ডৰ ঘটনাৰ স'তে জড়িত আটাইবোৰ অভিযুক্তক শীঘ্ৰেই কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি দিবলৈ দাবী জনাইছে। এই ঘটনাৰ স'তে জড়িত এজনো দোষী যাতে সাৰি যাব নোৱাৰে তাৰো ব্যৱস্থা গ্ৰহণ কৰিবলৈ লগতে দাবী জনাইছে। মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সৌৰভ কলিতা আৰু সাধাৰণ সম্পাদক অনন্ত বৰঠাকুৰে কয়, 'এয়া সভ্য

ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## ■ নগাঁৱত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ প্ৰচাৰ-প্ৰসাৰৰ নামতেই অবাধ লুণ্ঠন

# স্বচ্ছ ভাৰত মিছনত কোটি টকাৰ অনিয়ম




বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** স্বচ্ছ ভাৰত মিছন-গ্ৰামীণ আঁচনি ৰূপায়ণৰ নামত জনস্বাস্থ্য কাৰিকৰী বিভাগ, নগাঁও সংমণ্ডলত কোটি কোটি টকাৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। জিলা পানী যোগান আৰু অনাময় সমিতি তথা কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী বিভাগ নগাঁও সংমণ্ডলে আঁচনিখনৰ অধীনত বিগত ২০১৫-২০১৬বৰ্ষৰ পৰা ২০১৯-২০২০ বৰ্ষৰ ভিতৰত ১৮৩ কোটি ৩২ লাখ ২৪ হেজাৰ ৬৫০ টকা আবন্টন লাভ কৰিছিল। কিন্তু জিলাখনৰ গ্ৰামাঞ্চলৰ ৰাইজ সেই ধনেৰে বিশেষ উপকৃত নহ'ল। যি সময়ত জিলাখনৰ গ্ৰামাঞ্চলত স্বচ্ছ ভাৰত মিছন-গ্ৰামীণৰ অধীনত কোটি কোটি টকা ব্যয় কৰা দেখুওৱা হৈছে সেই সময়তে

ছয় পৃষ্ঠাত চাওক

## ৰাজ্য চৰকাৰে কোনো দোষীক ৰেহাই নিদিয়ে ঃ পীযুষ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১ ডিচেম্বৰ ঃ** 'অসম চৰকাৰে কোনো দোষীক ৰেহাই নিদিয়ে। হত্যাকাৰীয়ে হত্যা কৰি পুনৰ পলাই গৈছে, শাস্তি পাইছে। এয়া বিচাৰ হৈ গৈছে।' যোৰহাটত সংঘটিত ছাত্ৰনেতাৰ হত্যাকাণ্ড সন্দৰ্ভত আজি এই মন্তব্য কৰে অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ। বিজেপিৰ জিলা সমিতিৰ এটা দলীয় প্ৰশিক্ষণ শিবিৰত অংশ ল'বলৈ আহি মৰিগাঁৱৰ ভূৰবন্ধাত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী হাজৰিকাই কয় যে যোৰহাটত সংঘটিত ছাত্ৰনেতাৰ হত্যাকাণ্ড অতি মৰ্মান্তিক, হৃদয়বিদাৰক আৰু অতি দুখঃজনক। এই ঘটনা ভৱিষ্যতে হ'ব নালাগে আৰু অপৰাধীয়ে শাস্তি পাব লাগে। এই ক্ষেত্ৰত অসম চৰকাৰ অতি কঠোৰ হ'ব। আনহাতে, মন্ত্ৰী হাজৰিকাই যোৰহাট কাণ্ডত দোষীয়ে যাতে অতি সোনকালে শাস্তি পায় তাৰ বাবে অসম আৰক্ষীকো অনুৰোধ জনায়। ইফালে, কালিৰে পৰা দুদিনীয়াকৈ

ছয় পৃষ্ঠাত চাওক

## নমস্য ব্যক্তিসকলৰ নামত দলং-পথৰ নামকৰণ কৰা হ'ব

## তামুলপুৰত বড়ো সাহিত্য সভাৰ প্ৰতীক স্তম্ভৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১ ডিচেম্বৰ ঃ** তামুলপুৰ জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক তামুলপুৰ অধিবেশনৰ আদৰণী সমিতিৰ সহযোগত তামুলপুৰ মহকুমা সদৰৰ গোৰেশ্বৰ চ'কত আজি বড়ো সাাহিত্য সভাৰ এটি স্থায়ী 'প্ৰতীক স্তম্ভৰ' আধাৰশিলা স্থাপন কৰা হয়। ২৫ ফুট উচ্চতাৰ নিৰ্মাণ হ'বলগীয়া প্ৰতীক স্তম্ভটো আধাৰশিলা স্থাপন কৰি। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয়, 'আজি বড়ো সাহিত্য সভাৰ প্ৰতীক স্তম্ভ স্থাপনৰ লগে লগে তামুলপুৰৰ প্ৰতি সকলোৰে এটি বিশেষ আকৰ্ষণ বৃদ্ধি পাব। স্তম্ভটোৰ চৌদিশে সৌন্দৰ্য বৰ্ধনৰ কামো কৰা হ'ব, যাতে



স্তম্ভটোৱে তামুলপুৰ চহৰখনৰ সৌন্দৰ্য বৰ্ধনৰ লগতে সাহিত্যৰথীসকলৰ কাৰণে এক চিৰস্মৰণীয় ঠাই হিচাপে পৰিগণিত হৈ পৰে। তেওঁ অহা বৰ্ষৰ ১১, ১২, আৰু ১৩ ফেব্ৰুৱাৰীত তামুলপুৰত অনুষ্ঠিত ৬১ সংখ্যক বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় অধিবেশন সফল কৰি তুলিবলৈ ৰাইজক সহায়-সহযোগ কৰিবলৈ আহ্বান জনায়। তামুলপুৰৰ আন অনুষ্ঠানসমূহৰ লগতে নমস্য ব্যক্তিসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ প্ৰয়াস কৰি থকা হৈছে বুলি তেওঁ কয়

ছয় পৃষ্ঠাত চাওক

## ■ চলিত মাহৰ পৰা খাদ্য সুৰক্ষাৰ চাউল যোগান বন্ধৰ হুংকাৰ

## কেন্দ্ৰীয় চৰকাৰৰ ১৯ কোটি টকা অনাদায় সমবায় সমিতিক

বিশেষ সংবাদদাতা

**নলবাৰী, ১ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ চৰম প্ৰতাৰণাৰ বাবেই নলবাৰী জিলাত চলিত ডিচেম্বৰৰ পৰা বন্ধ হ'ব ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউল যোগান। অকল ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউলেই নহয়, মধ্যাহ্ন ভোজন, প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ চাউল যোগান নধৰাৰো সিদ্ধান্ত লৈছে নলবাৰী জিলা বহুমুখী সমবায় সমিতিসমূহে। আজি বতাহগিলা বহুমুখী সমবায়ত নলবাৰী জিলা বহুমুখী সমবায় সমিতিৰ সভাপতি-সম্পাদক সন্থাৰ এখন সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সন্থাৰ সভাপতি কাশীনাথ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত দৰিদ্ৰ হিতাধিকাৰীৰ বাবে যোগান ধৰা বিভিন্ন আঁচনিৰ চাউল পৰিবহণ আৰু কমিছনৰ বৃহৎ পৰিমাণৰ ধন সমবায়সমূহে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলৈ বাকী থকাৰ পৰিপ্ৰেক্ষিতত ধনৰ অভাৱত এই সিদ্ধান্ত গ্ৰহণ কৰে। সন্থাৰ সভাপতি কাশীনাথ তালুকদাৰ, উপ-সভাপতি ফিৰোদুৰ ৰহমান আৰু সাধাৰণ সম্পাদক ছহিদ আলীয়ে সংবাদ মাধ্যমক জানিব দি কয় যে জিলাখনৰ মুঠ ২৪খন বহুমুখী সমবায় সমিতিয়ে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীক চাউল যোগানৰ কমিছন আৰু পৰিবহণ ব্যয়ৰ ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৮ কোটি ৬৩ লাখ ৩৩ হেজাৰ টকা পাবলৈ বাকী আছে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ চাউলৰ পৰিবহণ ব্যয়ৰ ধন ২০২০ৰ এপ্ৰিলৰ পৰা সেই বৰ্ষৰে নৱেম্বৰলৈ জিলাখনৰ

ছয় পৃষ্ঠাত চাওক

## দোষীক পাপৰ ফল নিয়তিয়ে প্ৰদান কৰিলে ঃ আছু

ষ্টাফ ৰিপ'ৰ্টা

**যোৰহাট ১ ডিচেম্বৰ ঃ** ছাত্ৰ নেতা অনিমেষ ভূঞাৰ নাৰকীয় হত্যাকাণ্ডৰ উচিত তদন্ত আৰু প্ৰকৃত দোষী যাতে কোনো কাৰণতে সাৰি যাব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিব জিলা ছাত্ৰ সন্থাই। আৰক্ষীৰ তদন্ত প্ৰক্ৰিয়ালৈ পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰি আৰক্ষীৰ চাৰ্জশ্বীটখন নিখুঁত কৰাৰ স্বাৰ্থত যোৰহাটবাসী ৰাইজক সম্পূৰ্ণ সহায়-সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত এক বিবৃতিত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডে কয়, 'উক্ত ঘটনাটো সন্দৰ্ভত যাৰ ওচৰত চি চি টি ভি ফুটেজ , ভিডিঅ' ফুটেজ, ফটো ইত্যাদি কৰি গুৰুত্বপূৰ্ণ তথ্যপাতি মজুত আছে সেইসকলে পোনছাটেই আৰক্ষীক প্ৰদান কৰক। কোনোবাই সংকোচবোধ কৰিলে ছাত্ৰ সন্থাৰ লগত ৯৮৫৪২-৮৯৩৫৪, ৭০৮৬৯-০০২৩৩ যোগাযোগ কৰক।' লগতে খাউণ্ডে কয়, তথ্য যোগান ধৰাসকলৰ

ছয় পৃষ্ঠাত চাওক

## পদ্মশ্ৰী ইমৰান শ্বাহক আজি প্ৰদান কৰা হ'ব 'বৰ অসম সমন্বয় বঁটা- ২০২১'

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১ ডিচেম্বৰ ঃ** কাব্যগ্ৰন্থ বনবাসীৰ দ্বাৰা অসমীয়া সাহিত্য জগতখনত ভুমুকি মৰা পদ্মশ্ৰী তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কথাশিল্পী ইমৰান শ্বাহক [illegible] বৰ্ষৰ বৰ অসম সমন্বয় বঁটা প্ৰদান কৰা হ'ব। অসম জাতীয়তাবাদী যুৱ পৰিষদ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত আৰু লখিমপুৰ জিলা সাহিত্য সভাৰ সহযোগত এই বঁটা অসম দিৱসৰ স'তে সংগতি ৰাখি কাইলৈ ইমৰান শ্বাহৰ শিৱসাগৰৰ ধাইআলিস্থিত বাসগৃহত প্ৰদান কৰা হ'ব। শিৱসাগৰ জিলা সাহিত্য সভাৰ আতিথ্যত হ'বলগা এই বিশেষ অনুষ্ঠানটোত অসমৰ ভালেকেইজন লেখক, সাহিত্যিক উপস্থিত থাকিব। এই বঁটাত নগদ [illegible] হেজাৰ টকা, এখন প্ৰশস্তি পত্ৰ, চাওলুং ছ্যুকাফাই পৰিধান কৰা অনুৰূপ এযোৰ বস্ত্ৰ, হেংদাং, চেলেং চাদৰ, শৰাই আদি প্ৰদান কৰা হ'ব। উল্লেখ্য যে যোৱা [illegible] নৱেম্বৰত [illegible] বৰ্ষত ভৰি দিয়া শ্বাহে আঠটা দশক নিৰলস সাহিত্য চৰ্চা কৰি থকা শ্বাহৰ ইতিমধ্যে প্ৰথমখণ্ড ৰচনাৱলী প্ৰকাশ পাইছে। বনবাসীৰ পৰা কুকুহালৈকে এই ৰচনাৱলীৰ

ছয় পৃষ্ঠাত চাওক

## ৰাজ্যজুৰি বিশ্ব এইডছ দিৱস পালন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১ ডিচেম্বৰ ঃ** আজি বিশ্ব এইডছ দিৱস উপলক্ষে ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে ওদালগুৰি জিলাতো জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত এই দিৱস পালন কৰা হয়। উক্ত দিৱসৰ স'তে সংগতি ৰাখি এইডছ সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সভা কক্ষত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। ওদালগুৰি জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অভিজিত বসুৱে সভাপতিত্ব কৰা অনুষ্ঠানত জিলা আইন সেৱা প্ৰাধিকৰণৰ সম্পাদক অজয় বসুমতাৰী, ওদালগুৰি ৰেডক্ৰছ ছছাইটিৰ সভাপতি শৰৎ বসুমতাৰী, জিলা এইডছ নিয়ন্ত্ৰণ বিষয়া ডাঃ গণেশ ব্ৰহ্ম, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ডিপিএম টপচিল বাছিলৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে। উক্ত অনুষ্ঠানতে পিৰামল ফাউণ্ডেশ্যন, আহানা, জনশক্তি, এম আৰ ডি এছ আদি বিভিন্ন এনজিঅ ই এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখ্য যে বৰ্তমান ওদালগুৰি জিলাত ৭০ গৰাকী এইচ আই ভিত আক্ৰান্ত হৈছে।

পলাশবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ ইডুকেচনেল

ছয় পৃষ্ঠাত চাওক

## ৰঙাপৰাৰ নাহৰণি চাহ বাগিচাত নৃশংস হত্যাকাণ্ড

## ৰডেৰে মৰিয়াই মৰিয়াই এজনক হত্যা

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১ ডিচেম্বৰ ঃ** এজন লোকক ৰডৰে মৰিয়াই মৰিয়াই হত্যা কৰাৰ ঘটনাই শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ চাহ বাগিচাত চেপা উত্তেজনাৰ সৃষ্টি কৰিছে। তথ্য মতে কালি পুৱাৰ ভাগত ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত নাহৰণি চাহ বাগিচাৰ তিনি নম্বৰ শ্ৰমিক লাইনত এই ঘটনা সংঘটিত হয়। শ্ৰমিক লাইন নিবাসী প্ৰয়াত যোগেশ্বৰ উৰিয়াৰ পুত্ৰ সঞ্জিত

ছয় পৃষ্ঠাত চাওক

## বাগানপাৰাত পত্নীগৃহত ৰহস্যজনক মৃত্যু যুৱকৰ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ১ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰাত সংঘটিত এক ৰহস্যজনক আত্মহত্যাৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জিলাখনৰ বাগানপাৰা আৰক্ষী চকীৰ অন্তৰ্গত উত্তৰপাৰা গাঁৱৰ জোংসাৰ বড়ো নামৰ যুৱকজনে বিবাহ কৰাইছিল অদলা গাঁৱৰ হাদশ্ৰী ৰামছিয়াৰী নামৰ এগৰাকী যুৱতীক।

ছয় পৃষ্ঠাত চাওক

## কোকৰাঝাৰৰ দেৱৰগাঁৱত পথ দুৰ্ঘটনাত দুই মেধাৱী ছাত্ৰৰ অকাল বিয়োগ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১ ডিচেম্বৰ ঃ** কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী দেৱৰগাঁৱৰ পাখ্ৰিগুৰিত আজি পুৱতি নিশা সংঘটিত এক পথ দুৰ্ঘটনাত দুজনকৈ উচ্চ শিক্ষিত মেধাৱী ছাত্ৰৰ অকাল মৃত্যুৰ ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। নিহত যুৱক দুজন সতীৰ্থ বন্ধু ক্ৰমে কোকৰাঝাৰ চহৰৰ নাৰাবাৰীৰ এম কম অধ্যয়নৰত লৈথুমা বসুমতাৰী (২৬) আৰু আনজন তেওঁৰ সতীৰ্থ বন্ধু বাগ্‌সা জিলাৰ শালবাৰীৰ কম্পিউটাৰ ইঞ্জিনীয়াৰ ডিগ্ৰীপ্ৰাপ্ত গীৰীমছা স্বৰ্গীয়াৰী (২৫)। প্ৰাপ্ত তথ্য মতে, কোকৰাঝাৰ চহৰৰ দেৱৰগাঁওস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ এক সাংস্কৃতিক সন্ধিয়া উপভোগ কৰি পুৱতি নিশা প্ৰায় আঢ়ৈ বজাত কোকৰাঝাৰৰ লৈথুমা বসুমতাৰীয়ে নিজৰ মটৰ চাইকেলেৰে বাগ্‌সাৰ পৰা

ছয় পৃষ্ঠাত চাওক

## ■ স্বায়ত্তশাসনৰ দাবী কছাৰী জাতীয় পৰিষদৰ

## অস্ত্ৰ লৈ হাবিলৈ যাবলৈ বাধ্য হ'ব কছাৰী যুৱ সমাজ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১ ডিচেম্বৰ ঃ** 'ৰাজ্যৰ অৱহেলিত-বঞ্চিত কছাৰীসকলক শীঘ্ৰে স্বায়ত্ত-শাসিত পৰিষদ প্ৰদান কৰক। অন্যথা হাতত অস্ত্ৰ লৈ হাবিলৈ যাবলৈ বাধ্য হ'ব কছাৰী যুৱ সমাজ।' এই সকীয়নি অসম কছাৰী জাতীয় পৰিষদৰ। আজি দিছপুৰ প্ৰেছ ক্লাবত এক সংবাদমেল যোগে অসম চৰকাৰক পৰিষদে এইদৰে সকীয়াই দিয়ে। পৰিষদৰ কাৰ্যকৰী সভাপতি মহেশ নাৰ্জাৰীয়ে কছাৰীসকলক অতীজৰে পৰা চৰকাৰে নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে বুলি উল্লেখ কৰে। তেওঁ কয়, 'আমি কিৰাত কছাৰী। বৰ্তমান জনগোষ্ঠীটোৰ জনসংখ্যা প্ৰায় পাঁচ লাখ। কিন্তু পূৰ্বতে আমাৰ বহু কছাৰী মানুহ আমাৰ পৰা ফালৰি কাটি সোণোৱাল, শৰণীয়া, আহোম, বড়োৰ ইত্যাদি উপাধি গ্ৰহণ কৰি আমাৰ পৰা বিচ্ছিন্ন হৈ গৈছে। আমাকো তেনেদৰে উপাধি ব্যৱহাৰ কৰিবলৈ বাধ্য কৰালে। কিন্তু আমি প্ৰকৃততে কছাৰী জনগোষ্ঠীৰ। আমি উপলব্ধি কৰিছো যে এনেদৰে আমাৰ মানুহবোৰ বিচ্ছিন্ন হৈ গৈ থাকিলে এটা সময়ত আমাৰ জাতিটোৱেই নাথাকিব। সেয়ে আমি জাতিৰ উদ্ধাৰৰ উদ্দেশ্যে স্বায়ত্ত-শাসিত পৰিষদ বিচাৰিছো। আমাৰ জাতিটো প্ৰকৃত অসমীয়া জাতি। আমাৰ ভাষা প্ৰকৃত অসমীয়া। আজিৰ অসমীয়া ভাষা আমাৰ ভাষাৰেই নতুন ৰূপান্তৰ হৈছে। কিন্তু আমাৰ জাতিটো আজিও অৱহেলিত। আমি শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলো ফালৰ পৰাই অনুন্নত। আমি বছৰ

ছয় পৃষ্ঠাত চাওক

## ■ তেজপুৰত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন অব্যাহত

## কৃষিভূমি, বন্যপ্ৰাণীৰ বাবে সংৰক্ষিত অঞ্চলত নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ ডিচেম্বৰ ঃ** শোণিতপুৰ তথা তেজপুৰত উদ্বেগজনকভাৱে কৃষিতলিত বিভিন্ন উদ্যোগ, গৃহ তথা ইটাভাটা আদি গঢ় লৈ উঠিছে। ৰাষ্ট্ৰীয় পথৰ দুয়োপাৰৰ কৃষিভূমি বৰ্তমান শোণিতপুৰত প্ৰায় নোহোৱা হোৱাৰ লগতে বৰ্তমান এনে কৃষিভূমিতে আনকি ইটাভাটাও গঢ়ি উঠিছে। শেহতীয়াকৈ শোণিতপুৰৰ অধিকাংশ বনাঞ্চলত হোৱা ব্যাপক বেদখলৰ বিৰুদ্ধে যে ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰে সেয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত প্ৰকাৰান্তৰে স্পষ্ট কৰিছে। সোণাই-ৰূপাই অভয়াৰণ্যত হোৱা ৩০ বছৰৰ ভিতৰৰ বেদখলক জনজাতীয় লোকৰ অধিকাৰ বুলি বৰ্ণনা কৰি মুখ্যমন্ত্ৰীয়ে ইয়াত উচ্ছেদৰ সকলো সম্ভাৱনীয়তা নাকচ কৰিছে। আনহাতে,




জিলাখনত বন্যহস্তীৰ লগতে আন বন্য জন্তুও স্থান আৰু খাদ্যৰ অভাৱত বহিৰলৈ ওলাই আহিবলৈ বাধ্য হৈছে। ইতিমধ্যে তেজপুৰৰ নিকটৱৰ্তী আৰিমৰা চাপৰিত ঢেকিয়াপতীয়া বাঘৰ উপৰি বনৰীয়া হাতীৰ বিচৰণত কৃষকসকল শংকিত হোৱাৰ সময়তে তেজপুৰৰ নিকটৱৰ্তী বাঁহবাৰী অঞ্চলত দেখা পোৱা গৈছে নাহৰফুটুকী বাঘ। ইপিনে, যোৱা নিশা তেজপুৰৰ দপৰ্বতীয়াত পাঁচটাকৈ বনৰীয়া হাতীয়ে প্ৰৱেশ কৰে। সম্প্ৰতি হাতী পাঁচটাই নিকটৱৰ্তী এটা পাহাৰত আশ্ৰয় লৈ আছে। কিন্তু ইয়াৰ বিপৰীতে

ছয় পৃষ্ঠাত চাওক

## টিহুত পথ দুৰ্ঘটনাত মৃত্যু

অগ্ৰদূত বাৰ্তা

**টিহু, ১ ডিচেম্বৰ ঃ** কালি সন্ধিয়া টিহু ফিডাৰ পথত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ০১ইএইচ৭০৮০ নম্বৰ মটৰ চাইকেল এখনৰ খুন্দাত থিতাতে নিহত হয় এজন চাইকেল আৰোহী। নিহত চাইকেল আৰোহীজন টিহুৰ পাকা গাঁৱৰ সুভাষ দাস (৫৩)। উল্লেখ্য যে ৩১ নম্বৰ ঘাইপথৰ পৰা টিহু নগৰ সংযোগী টিহু ফিডাৰ পথত সংঘটিত হয় উক্ত দুৰ্ঘটনাটো। ইফালে, আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা মটৰ চাইকেলখন আৰক্ষীয়ে জব্দ কৰিছে। উল্লেখ্য যে এই দুৰ্ঘটনা সংঘটিত মটৰচাইকেলখনৰ গৰাকী বজালীৰ বৰভালা নিৱাসী মিন্টু ভৰদ্বাজো আঘাতপ্ৰাপ্ত হৈছে।



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৫ আঘোণ ১৪২৮ভাস্কৰাব্দ ২ ডিচেম্বৰ ২০২১

# অমিক্ৰনৰ আতংক

ডেল্টা তথা ডেল্টা প্লাছ ক'ভিড ভাইৰাছৰ পাছত এইবাৰ নতুন অমিক্ৰন নামৰ ভাইৰাছৰ আতংক বিয়পিছে সমগ্ৰ বিশ্বতে। দক্ষিণ আফ্ৰিকাত প্ৰথমে দেখা দিয়া এই মাৰাত্মক ভাইৰাছক লৈ বিশ্ব স্বাস্থ্য সংস্থা উদ্বিগ্ন হৈ পৰিছে। ইতিমধ্যে ক্ষিপ্ৰগতিৰে এই ভাইৰাছ বিশ্বৰ বিভিন্ন দেশত বিয়পি পৰিছে। বিশ্বৰ ১৬ খন দেশত যোৱা কেই সপ্তাহমানৰ ভিতৰতে অমিক্ৰন ভাইৰাছ বিয়পিছে। যিবিলাক দেশত অমিক্ৰন বিয়পিছে, সেইবিলাক দেশৰ ভিতৰত বটছোৱালা, দক্ষিণ আফ্ৰিকা, হংকং, ব্ৰিটেইন, জাৰ্মানী, নেডাৰলেণ্ড, ডেনমাৰ্ক, বেলজিয়াম, ইজৰাইল, চেক গণৰাজ্য, অষ্ট্ৰেলিয়া, পৰ্তুগাল, কানাডা, ফ্ৰান্সৰ নাম উল্লেখযোগ্য। আমেৰিকা যুক্তৰাষ্ট্ৰত অমিক্ৰন ধৰা পৰা নাই যদিও বিশেষজ্ঞসকলৰ মতে ইতিমধ্যে আমেৰিকাতো অমিক্ৰন ভাইৰাছ তলে তলে বিয়পিছে। সেইদৰে ভাৰতত অমিক্ৰনত আক্ৰান্ত ৰোগী ধৰা পৰা নাই যদিও অমিক্ৰন আক্ৰান্ত দেশৰ পৰা অহা কিছুসংখ্যক লোকৰ শৰীৰত ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। চলিত সপ্তাহত মহাৰাষ্ট্ৰত এনে ধৰণৰ ছজন আক্ৰান্ত ধৰা পৰিছে। এই মুহূৰ্তলৈকে তেওঁলোক অমিক্ৰনত আক্ৰান্ত হয় নে নহয়, নিশ্চিত তথ্য প্ৰকাশ পোৱা নাই; কিন্তু একাংশ বিশেষজ্ঞৰ মতে ভাৰতত অমিক্ৰনৰ সম্ভাৱনা আছে। সেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নতুন ক'ভিড ভাইৰাছৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহক সতৰ্কতামূলক ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে ক'ভিড এতিয়াও আছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থা হিচাপে আন্তঃৰাষ্ট্ৰীয় বিমান যাত্ৰীসকলক ভাৰতত অৱতৰণ কৰাৰ লগে লগে ক'ভিডৰ আৰ টি পি চি আৰ পৰীক্ষা কৰিবলৈ আৰু এসপ্তাহৰ বাবে ঘৰত কোৱাৰেন্টাইনত থাকিবলৈ নিৰ্দেশ দিছে। উল্লেখ্য যে অমিক্ৰন ভাইৰাছ ধৰা পৰাৰ আগলৈকে ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে দুটাকৈ ক'ভিড প্ৰতিষেধক লোৱাসকলৰ আৰ টি পি চি আৰ পৰীক্ষা নাইবা সপ্তাহজোৱা কোৱাৰেন্টাইনৰ নিয়ম উঠাই দিয়া হৈছিল। দুটা বা সম্পূৰ্ণ প্ৰতিষেধক লোৱাসকলৰ ক'ভিড পৰীক্ষা অবিহনেই যাত্ৰীসকলক আহিবলৈ দিয়া হৈছিল। আন দেশেও দুটা প্ৰতিষেধক লোৱা ভাৰতীয়সকলে আৰ টি পি চি আৰ পৰীক্ষা বা এসপ্তাহৰ কোৱাৰেন্টাইনত থকাৰ প্ৰয়োজন নহৈছিল; কিন্তু এতিয়া যিবিলাক দেশত অমিক্ৰন ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে, সেইবিলাক দেশৰ নাগৰিকে ক'ভিড পৰীক্ষা তথা কোৱাৰেন্টাইন ব্যৱস্থা মানিব লাগিব। এনে ব্যৱস্থা ভাৰত চৰকাৰেও কৰিছে। যিবিলাক দেশত অমিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছে, সেইবিলাক দেশক বিপদৰ আশংকা থকা দেশৰ তালিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। এনে এখন তালিকা ইতিমধ্যে ভাৰতে প্ৰস্তুত কৰি উলিয়াইছে। এই তালিকাত ইউৰোপৰ উপৰি ব্ৰিটেইন, দক্ষিণ আফ্ৰিকা, ব্ৰাজিল, বাংলাদেশ, চীন, ব'টছোৱানা, নিউজিলেণ্ড, জিম্বাব'ৱে, ছিংগাপুৰ, হংকং, ইজৰাইল আদিৰ নাম আছে। অৰ্থাৎ চৰকাৰে বাছি বাছি কিছুমান দেশৰ বিমান যাত্ৰীসকলৰ ক'ভিড পৰীক্ষা আৰু কোৱাৰেন্টাইন বাধ্যতামূলক কৰিছে। যিদিনাখনেই ভাৰতত অমিক্ৰনত আক্ৰান্ত ৰোগী ধৰা পৰিব নাইবা চৰকাৰীভাৱে অমিক্ৰনৰ সংক্ৰমণ স্বীকাৰ কৰিব, সেইদিনাৰ পৰাই হয়তো ভাৰতৰ পৰা যোৱা যাত্ৰী বা ভ্ৰমণকাৰীসকলৰ বাবেও ক'ভিড পৰীক্ষা তথা কোৱাৰেন্টাইন বাধ্যতামূলক হ'ব।

অমিক্ৰন ভাইৰাছে বিশ্বত কি ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব, সেই সন্দৰ্ভত এখন স্পষ্ট ছবি বিশ্ব স্বাস্থ্য সংস্থা (হু) বা আন কোনো বিজ্ঞানীৰ দলে দাঙি ধৰা নাই। এই ভাইৰাছৰ মাৰণ ক্ষমতা সন্দৰ্ভত সন্দেহ ৰৈ গৈছে। কিছুমান বিশেষজ্ঞৰ মতে ইয়াৰ মাৰণ ক্ষমতা কম; কিন্তু এতিয়াই এই বিষয়ে নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। অৱশ্যে এটা বিষয়ত সকলো নিশ্চিত হৈছে আৰু সেইটো হ'ল, অমিক্ৰনৰ সংক্ৰমণ ক্ষমতা। এতিয়ালৈকে যিমান ক'ভিড ভাইৰাছ সৃষ্টি হৈছে, সেই সকলোতকৈ বেছি ক্ষিপ্ৰতাৰে অমিক্ৰন ভাইৰাছ বিয়পিবলৈ সক্ষম। ক'ভিডৰ ডেল্টা ভাইৰাছ এশ দিনত যিমান লোকক সংক্ৰমণ ঘটাব পাৰে, সিমান লোকক মাত্ৰ ১৫ দিনতে অমিক্ৰন ভাইৰাছে সংক্ৰমণ ঘটাব পাৰে। এই ভাইৰাছে এতিয়ালৈকে ৩০ প্ৰকাৰৰ পৰিৱৰ্তন বা মিউটেছন ঘটোৱাৰ তথ্য বিজ্ঞানীসকলে ধৰা পেলাইছে। অৰ্থাৎ অতি ক্ষিপ্ৰতাৰে বিয়পাৰ লগতে ইয়াৰ পৰিৱৰ্তন ক্ষমতাও সৰ্বাধিক। পূৰ্বৰ ভাইৰাছবিলাকৰ ১০ প্ৰকাৰলৈকে মিউটেছনৰ ক্ষমতা আছিল। এইদৰে ইয়াৰ ৰূপ সলনি হৈ থকাৰ ফলত ইয়াৰ বিৰুদ্ধে কাম কৰাৰ ক্ষেত্ৰত এন্টিবডি ব্যৰ্থ হ'বলগীয়া হয়। মিউটেন্ট ভাইৰাছবিলাকক এন্টিবডিয়ে আনকি চিনাক্ত কৰাত ভুল কৰে আৰু ইয়াৰ ফলত ক'ভিডৰ প্ৰতিষেধকেও কাম নকৰে। ভাইৰাছবিলাক সাৰি যায় বা সাৰি যাবলৈ সক্ষম হয়। অমিক্ৰন ভাইৰাছে বিশ্বজুৰি ইমান আতংক সৃষ্টি কৰাৰ এইটোৱেই প্ৰধান কাৰণ। যদিহে ক'ভিডৰ দুপালি প্ৰতিষেধক লোৱাৰ পাছতো অমিক্ৰন ভাইৰাছ সাৰি যাব পাৰে, তেন্তে ভৱিষ্যতে ভয়ংকৰ বিপদ আহিব পাৰে। এগৰাকী বিজ্ঞানীৰ মতে, এক নতুন প্ৰতিষেধক প্ৰস্তুত কৰাৰ প্ৰয়োজন আহি পৰিছে। অৱশ্যে বৰ্তমানৰ প্ৰতিষেধকসমূহ যে সম্পূৰ্ণ ব্যৰ্থ হ'ব— সেই দাবী কোনেও কৰা নাই। এই ভাইৰাছৰ মাৰণ ক্ষমতা কিমান, সেই বিষয়ে সোনকালেই নিশ্চিতভাৱে জানিব পৰা যাব। বিশেষজ্ঞসকলে সেয়ে এই মুহূৰ্তত দুটা প্ৰতিষেধক লোৱাত গুৰুত্ব দিছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি কিছুমান দেশৰ চৰকাৰে তৃতীয়টো প্ৰতিষেধক বুষ্টাৰ প্ৰদান কৰাত গুৰুত্ব দিছে। তৃতীয় প্ৰতিষেধক বুষ্টাৰে সংক্ৰমণ ৰোধ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। ভাৰতেও তৃতীয় প্ৰতিষেধক দিয়াৰ ক্ষেত্ৰত সোনকালেই সিদ্ধান্ত ল'ব। চৰকাৰে কৈছে যে ভাৰতত বুষ্টাৰ নহয় 'অতিৰিক্ত' প্ৰতিষেধক হিচাপে যিসকলক প্ৰয়োজন, সেইসকলক দিয়া হ'ব। বুষ্টাৰ হ'ল দুপালি প্ৰতিষেধক লোৱাসকলক এক নিৰ্দিষ্ট সময়ৰ পাছত সকলোকে তৃতীয়টো প্ৰতিষেধক দিয়াটো। ভাৰতে বুষ্টাৰৰ পৰিৱৰ্তে প্ৰয়োজন হোৱাসকলকহে অতিৰিক্ত পালি (অৰ্থাৎ তৃতীয় পালি) প্ৰতিষেধক দিয়াৰ কথা বিবেচনা কৰিছে। অৱশ্যে ভাৰতে দিওঁ বুলিয়েই এতিয়াই বুষ্টাৰ দিয়া টান হ'ব। কাৰণ দেশখনৰ মাত্ৰ ৩১ শতাংশ প্ৰাপ্তবয়স্ককহে দুপালিকৈ প্ৰতিষেধক দিয়া হৈছে। প্ৰায় ৮০ শতাংশক প্ৰথম পালি দিয়া হৈছে। আনহাতে, ১৮ বছৰৰ তলৰ ৪৪ কোটি শিশুক এপালিও প্ৰতিষেধক আজিও দিবলৈ বাকী আছে।

## খোলা মঞ্চ

## অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**বৰ্তমান** প্ৰতিযোগিতাৰ যুগ। এই সময়ত নিজকে পৰিৱৰ্তিত সমাজৰ লগত খাপ খুৱাই ল'ব পৰাটোৱেই বৰ্তমান সময়ৰ ধৰ্ম। এটা জাতিৰ ভাষা-সংস্কৃতি আৰু সাজ-পাৰে জাতিটোৰ ঐতিহ্যৰ পৰিচয়। আজি সৰ্বভাৰতীয় ভিত্তিত যিবিলাক জাতিসত্তা আছে, কোনো এটা জাতিৰে কলা-কৃষ্টি, বেশ-ভূষা আগৰ দৰে থকা নাই আৰু থকা সম্ভৱো নহয়। আমাৰ অসমীয়া সমাজতো সেই কথাটো পৰিলক্ষিত হৈছে। ইংৰাজে পৰিধান কৰি দেখুৱাই যোৱা লংপেন্ট-ছাৰ্ট আৰু কোট কিমানজনে নিপিন্ধাকৈ আছে। উৎসৱ-পাৰ্বণতো আমাৰ জাতীয় সাজ-পাৰ দুই-চাৰিজনৰ বাহিৰে বেছিসংখ্যকে পৰিধান কৰা দেখা নাযায়। আমি অসমীয়া মানুহ, আনক দোষাৰোপ কৰি ভাল পাওঁ; কিন্তু এইটোও ঠিক বৰ্তমান সময়ত যান্ত্ৰিক যুগত জনবিস্ফোৰণৰ ফলত যান-বাহনত উঠা-নমা কৰোতে কিছুমান অসুবিধা নোহোৱাও নহয়। উদাহৰণস্বৰূপে এজন চুৰিয়া বা ধুতি পৰিধান কৰা মানুহৰ যিটো অসুবিধা হয়, এজন লংপেন্ট পৰিধান কৰা মানুহৰ সেই অসুবিধা কম হয়।

**বলোৰাম ডেকা,** *লেখক*

এতিয়া কথা হ'ল, অসমীয়া বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি? ব্যৱহাৰ নহ'লে সকলো বস্তুৰে অনাদৰ হয়। নিজৰ সাহিত্য-সংস্কৃতি বাদ দি কোনো জাতিয়ে স্বাভিমান বজাই ৰাখিব নোৱাৰে। ভাষা যেনেকৈ এটা জাতিৰ পৰিচয়, তেনেকৈ সাজ-পাৰো এটা জাতিৰ স্বকীয় পৰিচয়। আমাৰ অসমীয়া পুৰুষসকলৰ বাবে চুৰিয়া-কুৰ্তা আৰু গামোচাখন যেনেদৰে স্বকীয় বৈশিষ্ট্যৰ পৰিচায়ক তেনেদৰে মহিলাসকলৰ বাবে মেখেলা-চাদৰ আৰু ৰিহাখনো অপৰিহাৰ্য। অসমৰ 'মানচেষ্টৰ' খ্যাত শুৱালকুছিৰ পাট-মুগাৰ মেখেলা-চাদৰ পৃথিৱী বিখ্যাত। মহামানৱ মহাত্মা গান্ধীয়েও অসমীয়া শিপিনীক ভূয়সী প্ৰশংসা কৰিছিল, বিদেশী পৰ্যটকসকলৰ অসমলৈ অহা মহিলাসকলেও এবাৰ হ'লেও অসমৰ পাট-মুগাৰ মেখেলা-চাদৰযোৰ পৰিধান কৰাৰ ইচ্ছা কৰা প্ৰকাশ পোৱা যায়। আমাৰ অসমীয়া সমাজতো ইয়াৰ লোপ পোৱা নাই; কিন্তু ব্যৱহাৰ কমিছে। দেশ প্ৰগতিৰ পথত। অগ্ৰগতিৰ লগে লগে সামাজিক পৰিৱৰ্তনো আহিছে। আজি অসমীয়া সাজ-পাৰ বৰ্তাই ৰাখিব লাগিলে প্ৰত্যেকজন অসমীয়াই নিজে ব্যৱহাৰ কৰি দেখুৱালে অসমীয়া বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই নোযোৱাৰ পৰা ৰক্ষা পৰিব। নহ'লে আমাৰ নিজা সাজ-পাৰবোৰ এটা সময়ত হেৰোৱাৰ উপক্ৰম হ'বই। ইয়াৰ বাবে অসমীয়া সমাজখন সচেতন হ'বই লাগিব।

*ফোন ঃ ৮৭৬১৯০৪৩১৭*

## প্ৰতিযোগিতাৰ পৃথিৱীত অসমে স্থান ল'বলৈ বহু কৰিবলগীয়া আছে

# দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত উচ্চশিক্ষাৰ ক্ষেত্ৰত অসম বহু পাছত



স্বাধীনতাৰ ৭৪ টা বছৰ অতিক্ৰম কৰিলে। দেশৰ মানৱ সম্পদ বিকাশৰ বহু আঁচনি হ'ল, বহু সিদ্ধান্ত হ'ল; কিন্তু বিশ্বৰ অন্যান্য দেশৰ তুলনাত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ভাৰত এতিয়াও বহু পাছত। শিক্ষা পদ্ধতি তথা ব্যৱস্থাৰ ক্ষেত্ৰত ২০২১ত শীৰ্ষত আমেৰিকা। আমেৰিকাৰ পাছতে ক্ৰমে ব্ৰিটেইন, জাৰ্মানী, কানাডা, ফ্ৰান্স, ছুইজাৰলেণ্ড, জাপান, অষ্ট্ৰেলিয়া। ভাৰতৰ স্থান ৩২ নম্বৰত। অন্যান্য পণ্য সামগ্ৰীৰ বজাৰৰ দৰে ভাৰতৰ শৈক্ষিক ক্ষেত্ৰখনক আজি বৃহৎ বজাৰলৈ ৰূপান্তৰিত কৰা হৈছে। বহুজাতিক গোষ্ঠী তথা বৃহৎ পুঁজিবাদী শক্তিসমূহে শৈক্ষিক ক্ষেত্ৰখন দখল কৰি মানৱ সম্পদৰ বিকাশৰ পৰিৱৰ্তে ব্যৱসায়িক আগ্ৰাসনৰ ভূমিকা গ্ৰহণ কৰিছে, ফলত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ভাৰতে আজিও শৈক্ষিক ক্ষেত্ৰখনৰ তুলনাত ভাৰতৰ অৱস্থা অতি পুতৌ লগা। যিটো সময়ত আমেৰিকাত ৮৮ শতাংশই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ যায়, দক্ষিণ কোৰিয়াৰ ৯৪ শতাংশ, জাৰ্মানীৰ ৭০ শতাংশ, ইংলেণ্ডৰ ৭০ শতাংশ, ইৰানৰ ৭০ শতাংশ, কানাডাৰ ৬৯ শতাংশ, চীনৰ ৫৯ শতাংশ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰ দুৱাৰত টোকৰ মাৰে, সেই সময়ত আমাৰ দেশৰ ২৭ শতাংশইহে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ভৰি দিবলৈ সক্ষম হৈছে। আৰু অসম! শেহতীয়াভাৱে কেন্দ্ৰীয় মানৱসম্পদ বিভাগৰ এক সমীক্ষাই স্পষ্ট কৰিলে অসমৰ শৈক্ষিক ক্ষেত্ৰৰ স্থিতি। ৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় মানৱ সম্পদ বিভাগে এক সমীক্ষা চলাইছিল। সমীক্ষাটো বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰসমূহক সামৰি লোৱা হৈছিল। দেশৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, অভিযান্ত্ৰিক আৰু চিকিৎসা মহাবিদ্যালয়সমূহৰ ওপৰত সমীক্ষা চলাই প্ৰতিটো ক্ষেত্ৰৰ ১০০খনৰ তালিকা প্ৰস্তুত কৰিছিল। ১০০ খন এনে শৈক্ষিক প্ৰতিষ্ঠানৰ তালিকাত অসমৰ শৈক্ষিক প্ৰতিষ্ঠানৰ স্থান ক'ত? তালিকাত আমাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ নাম বিচাৰি ফুৰিবলগীয়া হয়।

অসমত বৰ্তমান ২০খনতকৈ অধিক অভিযান্ত্ৰিক মহাবিদ্যালয় আছে। এন আই আৰ পিৰ সমীক্ষা মতে, অসমৰ অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহৰ ভিতৰত আই আইটি প্ৰথম স্থানত আৰু এন আইটি শিলচৰ দ্বিতীয় স্থানত। কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিভাগে প্ৰকাশ কৰা দেশৰ ১০০খন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ভিতৰত প্ৰথম স্থানত আই আইটি মাদ্ৰাজ, দ্বিতীয় স্থানত আই আইটি দিল্লী আৰু তৃতীয় স্থানত আই আই টি মুম্বাই। সপ্তম স্থানত গুৱাহাটী আই আই টি আৰু ৪৮ নম্বৰ স্থানত এন আই টি শিলচৰ। চৰকাৰ তথা ব্যক্তিগত খণ্ডৰ অন্য কোনো অভিযান্ত্ৰিক মহাবিদ্যালয় ১০০খনৰ ভিতৰত নাই। বৰ্তমান দেশত ৬,০৫২ খন অভিযান্ত্ৰিক মহাবিদ্যালয়। কমেও ২৫ লাখ ছাত্ৰ-ছাত্ৰী প্ৰতি বছৰে অভিযন্তা হৈ ওলায়। অসমতে বছৰি প্ৰায় আঠ হেজাৰ অভিযন্তাৰ সৃষ্টি হয়। এইসকলৰ সংস্থাপন তথা উপাৰ্জনৰ পথৰ প্ৰসংগত আজিলৈ চৰকাৰে আলোচনা কৰা পৰিলক্ষিত নহ'ল। ইখনৰ পাছত সিখনকৈ অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰা হৈছে, কিন্তু দেশৰ ১০০ খনৰ ভিতৰত স্থান লাভ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।

অসমত আঠখন চিকিৎসা মহাবিদ্যালয়। ভাৰতত ৬০০খন অতি উচ্চ পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয় আছে। ইয়াৰে ৪৪ শতাংশ চৰকাৰী আৰু ৫৬ শতাংশ ব্যক্তিগত পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয়। কেন্দ্ৰীয় মানৱ সম্পদ বিভাগৰ সমীক্ষাত এ আই আই এম এছ দিল্লী প্ৰথম স্থানত। চণ্ডীগড়ৰ পি জি আই এমই আৰু দ্বিতীয় স্থানত আৰু তৃতীয় স্থান ভেলোৰ চি এম চি। কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ৪০খন উচ্চমানৰ চিকিৎসা মহাবিদ্যালয়ৰ মাজত অসমৰ এখনো নাই। আধুনিক চিকিৎসা বিজ্ঞানৰ লগত অসমৰ চিকিৎসা মহাবিদ্যালয়সমূহে খোজ মিলাই যাব নোৱাৰাটো পৰিতাপৰ বিষয়। সকলো বিষয় সন্মুখত ৰাখি চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। নিটি আয়োগে শেহতীয়াভাৱে দেশৰ ৰাজ্যসমূহৰ স্বাস্থ্য খণ্ডৰ স্থিতি সন্দৰ্ভত কিছু তথ্য প্ৰকাশ কৰিছে। উক্ত তথ্য মতে, স্বাস্থ্য খণ্ডৰ উন্নতিৰ মাপকাঠিত দেশৰ ভিতৰত আমাৰ ৰাজ্যখনৰ স্থান ১৫ নম্বৰত। ২১ খন আগশাৰীৰ ৰাজ্যৰ ভিতৰত প্ৰথম স্থানত কেৰালা।



**দৃষ্টিপাত**

**অদীপ কুমাৰ ফুকন**

কেন্দ্ৰীয় মানৱ সম্পদ বিভাগে প্ৰস্তুত কৰা ১০০খন বিশ্ববিদ্যালয়ৰ ভিতৰত শীৰ্ষত আছে আই আই এছ বাংগালুৰু। দিল্লীৰ জে এন ইউ দ্বিতীয় স্থানত, তৃতীয় স্থানত হিন্দু বিশ্ববিদ্যালয় আৰু চতুৰ্থ স্থানত কলকাতা বিশ্ববিদ্যালয়। দেশৰ প্ৰথম ১০০খন বিশ্ববিদ্যালয়ৰ ভিতৰত অসমৰ তিনিখন বিশ্ববিদ্যালয়ে স্থান লাভ কৰিছে। ২০২০ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থান আছিল ৪৭, ২০২১ত ৪৫ লৈ আগবাঢ়িল। তেজপুৰ বিশ্ববিদ্যালয় ২০২০ত ৪০ নম্বৰ স্থানত আছিল, ২০২১ত ৪৬ নম্বৰ স্থানলৈ গ'ল। ১০০ খন বিশ্ববিদ্যালয়ৰ ভিতৰত ৯৩ নম্বৰ স্থানত আছে শিলচৰৰ অসম বিশ্ববিদ্যালয়।

অতি গুৰুত্বপূৰ্ণ দিশটো হ'ল, কেন্দ্ৰীয় মানৱ সম্পদ বিভাগৰ সমীক্ষা মতে প্ৰথম ১০০খন দেশৰ আগশাৰীৰ মহাবিদ্যালয়ৰ মাজত অসমৰ এখনো মহাবিদ্যালয় নাই। এই ১০০খন মহাবিদ্যালয়ৰ ভিতৰত ২৮ খন দিল্লীৰ, ৩১ খন তামিলনাডুৰ, ১৮খন কেৰালাৰ আৰু পাঁচখন পশ্চিমবংগৰ। এই ক্ষেত্ৰত অসম চৰকাৰে কোনো পৰ্যালোচনা কৰা পৰিলক্ষিত হোৱা নাই। ২০২১ৰ ৰেংকিঙত প্ৰথম দিল্লীৰ মিৰাণ্ডা হাউছ, দ্বিতীয় স্থানত দিল্লীৰ লেডী শ্ৰীৰাম কলেজ আৰু তৃতীয় স্থানত তামিলনাডুৰ লঅ'লা কলেজ। অসমৰ উচ্চ শিক্ষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ বাবে চিন্তা-চৰ্চা কৰাৰ সময়ত ৰাষ্ট্ৰীয় পৰ্যায়তে আমাৰ উচ্চ শিক্ষাৰ অৱস্থা অতি শোচনীয়। দেশত ২৭ শতাংশইহে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ সময়ত মাত্ৰ ১৭ শতাংশইহে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে তামিলনাডুত ৪৯ শতাংশই, দিল্লীত ৪৬ শতাংশই, হিমাচলত ৩৯ শতাংশই, কেৰালাত ৩৭ শতাংশই, তেলেংগানাত ৩৬ শতাংশই, উত্তৰাখণ্ডত ৩৯ শতাংশই উচ্চ শিক্ষা গ্ৰহণ কৰে।

অসমৰ শিক্ষাখণ্ড তথা উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ লক্ষ্য কৰিবলগা বিষয়টো হ'ল, যিটো সময়ত দেশত এক লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত ২৬ খন মহাবিদ্যালয়, সেইটো সময়ত অসমত মাত্ৰ ১৫খন মহাবিদ্যালয়। ইয়াৰ বিপৰীতে এক লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত অন্ধ্ৰপ্ৰদেশত ৫১খন, তেলেংগানাত ৫৩ খন, কৰ্ণাটকত ৫৯ খন, হিমাচলত ৪৯ খন, কেৰালাত ৪৮খন, হাৰিয়ানাত ৩৪ খন, উত্তৰাখণ্ডত ৩৮খন, তামিলনাডুত ৩৮খন মহাবিদ্যালয় আছে। পশ্চিমবংগ আৰু বিহাৰৰ বাহিৰে প্ৰায়বিলাক ৰাজ্যত অসমতকৈ অধিক মহাবিদ্যালয় আছে। অসমৰ মহাবিদ্যালয়ত মাত্ৰ ৪,৬৩,৭১৯ জন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰাৰ সুবিধা আছে। ইয়াৰে ২,৬০,৬৯০ জন ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ত। শেহতীয়াভাৱে অসমত অৱশ্যে ছাত্ৰতকৈ ছাত্ৰীসকল বহুক্ষেত্ৰত আগবাঢ়িছে। ২০১৯-২০ত স্নাতক শাখাত, ২,৫৯,৬৪৩ গৰাকী। স্নাতকোত্তৰত ১২,৭১৬ জন ছাত্ৰ, ১৭,৯৯৫ গৰাকী ছাত্ৰী। এম ফিল্ডৰ ক্ষেত্ৰত ২৪৫ জন ছাত্ৰৰ বিপৰীতে ৩৭১ গৰাকী ছাত্ৰী। পি এইছ ডিৰ ক্ষেত্ৰত অৱশ্যে ছাত্ৰ ৩,২১৪, ছাত্ৰী ২,৪১৩ গৰাকী।

অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত দীঘলীয়া সময়ৰ বাবে দুখন বিশ্ববিদ্যালয়, তিনিখনকৈ চিকিৎসা আৰু অভিযান্ত্ৰিক শৈক্ষিক প্ৰতিষ্ঠান আছিল। যোৱা ১৫ বছৰত ইয়াৰ সংখ্যা বাঢ়িল যদিও এতিয়াও প্ৰয়োজন পূৰণ কৰিবলৈ বহু বাকী। উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ অসমে অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন হৈছে। ৰাজ্যৰ প্ৰথমখন উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ লক্ষ্য কৰিলে অসম চৰকাৰে উচ্চ শিক্ষাৰ বাবে কিবা এটা কৰিছে বুলি বিশ্বাস নহয়। জ্ঞান অৰ্জনৰ লগে লগে সংস্থাপন আৰু উপাৰ্জনৰ প্ৰতিযোগিতাৰ পৃথিৱীত থিয় হ'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাৰ সময় হৈছে। আজিৰ সময়ত কোনবিলাক পাঠ্যক্ৰম অতি প্ৰয়োজন সেইটোও লক্ষ্য কৰি নিৰ্ধাৰণ কৰা উচিত হ'ব। অসমৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিবলৈ ৰাজ্যৰ বাহিৰলৈ যাতে যাবলগা নহয়, তাৰ বাবে আমি কিয় ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰো। শৈক্ষিক ক্ষেত্ৰৰ লগত জড়িতসকলে আমাক প্ৰয়োজনীয় দিশ দিব বুলি আমি আশা কৰো।

*ফোন ঃ ৯৭০৭০২৪৬১২*

# ব্যক্তিত্বৰ প্ৰতিফলন

## ধনেৰে কিনা ঐশ্বৰ্য-বিভূতি, সন্মান খন্তেকীয়া

**পৃথিৱীৰ** প্ৰতিজন লোকৰে ভিন্ন প্ৰকাৰৰ স্বভাৱগত বৈশিষ্ট্য থকাৰ বাবেই এজনৰ চাল-চলন আন এজনৰ লগত নিমিলে। সেয়েহে একেখন ঘৰৰ সন্তানসকলৰ মাজতো ব্যক্তিত্বৰ বৃহৎ তফাৎ দেখা পোৱা যায়। আকৰ্ষণীয় ব্যক্তিত্বৰ এজন ব্যক্তি এপাহ ধুনীয়া সুগন্ধি পুষ্পৰ দৰে। ব্যক্তিত্ব এজন মানুহৰ আভূষণ। ব্যক্তিত্বসম্পন্ন এজন লোকৰ উপস্থিতিয়ে যিকোনো পৰিৱেশৰ বাতাৱৰণ জীপাল কৰি তোলাৰ বিপৰীতে এজন অতি সুন্দৰ ব্যক্তিৰো তৰল স্বভাৱৰ বাবেই তেওঁৰ চেহেৰাটো লোকচক্ষুত কুৎচিৎ ৰূপত দাঙি ধৰে। মনৰ স'তে ব্যক্তিত্বৰ পোনপটীয়া সম্পৰ্ক আছে। মন যিমানেই পৱিত্ৰ হ'ব ব্যক্তিত্বও সিমানেই সোণত সুৱগা চৰা হ'ব। দৈনন্দিন জীৱনৰ ধামখুমীয়াত আমি নিত্য নতুন বহু লোকৰ স'তে পৰিচয় হোৱাৰ সৌভাগ্য হয়। তাৰে কিছুমান লোকৰ মোহনীয় ব্যক্তিত্বই নজনাকৈয়ে আমাৰ মনত মুচিব নোৱাৰাকৈ সাঁচ বহুৱাই আপোনজন হৈ পৰে। এই বিশাল পৃথিৱীত প্ৰতিজন লোকৰে কথন ভংগীৰ পৰা আদি কৰি উঠা-বহা, পিন্ধন উৰণলৈকে এজন মানুহৰ আন এজনৰ স'তে বৃহৎ তফাৎ দেখা পোৱা যায়। ভাগ্যবশতঃ খুব কম সংখ্যক লোকৰ মাজতহে চেহেৰা বা চাল-চলনৰ সাদৃশ্য দেখা পোৱা যায়। পৰিশীলিত পোছাক-পৰিচ্ছদ পৰিধানৰ লগতে মাৰ্জিত আচৰণ আৰু সৌহাৰ্দ্যপূৰ্ণ কথনশৈলীয়ে এজন ব্যক্তিৰ অন্তৰ্নিহিত মনটো অজানিতে লোকচক্ষুৰ সন্মুখত পৰিস্ফুট হৈ পৰে। হঠাতে অচিনাকি লোক এজনৰ স্বভাৱ সুলভ অসাধাৰণ ব্যক্তিত্বই নজনাকৈয়ে আমাক আকৰ্ষণ কৰে। ব্যক্তিত্বৰ পাৰ্থক্যৰ বাবেই প্ৰত্যেকজন লোকৰ স'তে সম্পৰ্কৰ গভীৰতাও ভিন্ন প্ৰকাৰৰ হয়। এনে ক্ষেত্ৰত মন পছন্দৰ ব্যক্তিত্বসম্পন্ন এজন লোকৰ স'তে স্বাভাৱিকতে আন্তৰিক সম্পৰ্কই প্ৰাধান্য লাভ কৰে।


মনুষ্যত্বৰ জীৱন কালত সুন্দৰ চেহেৰাতকৈ সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হোৱাটোহে অধিক মহত্বপূৰ্ণ। মনৰ সুন্দৰতা! পৃথিৱীখন চাবলৈ জানিলে চৌপাশ উজলি উঠি পোহৰৰ সন্ধান পোৱা যায়, অন্যথা পৰশ্ৰীকাতৰ কুৎচিৎ মনৰ মলিনতাই জীৱনটো ক্ৰমান্বয়ে আন্ধাৰৰ মাজলৈহে ঠেলি দিয়ে। জীৱনৰ উত্থান-পতনৰ সময়তো ব্যক্তিত্ব সম্পন্ন এজন সহনশীল ব্যক্তিয়ে আত্মসংযম হেৰুৱাই নেপেলাই পূৰ্বতকৈ অধিক উৎসাহিত হৈ নিজ কৰ্মত মনোনিবেশ কৰে। মানুহ মাত্ৰেই পৰিস্থিতিৰ দাস, জীৱনৰ খলা-বমা পথ অতিক্ৰম কৰিবলৈ এজন সৎ ব্যক্তিয়ে মনৰ দৃঢ়তাৰ বাবে বহু ক্ষেত্ৰত সহজে অতিক্ৰম কৰিব পাৰে। এনে লোকসকলে ত্যাগ-কষ্টৰ লগতে সহনশীল স্বভাৱক জীৱনৰ বাটকটীয়া ৰূপত জ্ঞান কৰে। ইয়াৰ উপৰি সবল মনোবলৰ বাবে আনৰ চলাহী কথাত পতিয়ন নগৈ অশুভ মুহূৰ্তৰ দুৰ্বল স্থিতিতো কঠোৰ বাস্তৱক স্বীকাৰ কৰি ধৈৰ্য সহকাৰে আগবাঢ়ি যোৱাত প্ৰবল আত্মবিশ্বাসী হয়। অথবা সাধাৰণ কথাতে অসহিষ্ণু স্বভাৱৰ এচাম লোকে হৈ-হাল্লা কৰি পৰিৱেশ বিনষ্ট কৰাৰ লগতে লোকচক্ষুত হাঁহিয়াতৰ পাত্ৰ হৈ পৰা এচাম উচ্ছৃংখল, অসংযমী লোকৰ বেপৰোৱা স্বভাৱৰ বাবে খোজে প্ৰতি বিপদৰ আশংকা বেছি। খিংখিঙীয়া স্বভাৱৰ বা বদ মেজাজৰ লোক এজনৰ পৰা সকলোৱে এক নিৰ্দিষ্ট দূৰত্ব অৱলম্বন কৰে। স্বাভাৱিকতে এই লোকসকলৰ ওফাইদাং মৰা কথা-বতৰাই শুনোতাসকলৰ মাজত আহুকলীয়া পৰিৱেশৰ



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

সৃষ্টি কৰে। আত্ম-অহংকাৰৰ বাবেই হওক কিছুলোকৰ মাজত দৃষ্টিকটুভাৱে শিষ্টাচাৰ তথা নমনীয়তাৰ অভাৱ দেখা পোৱা যায়। অভব্য, অমাৰ্জিত স্বভাৱৰ বাবেই সমাজত এনে লোকসকলৰ আদৰ সন্মান কম। শালীনতা বৰ্তাই ৰাখি সম্পৰ্কবোৰ অটুট ৰাখিবলৈ কোনো ধনৰ লেন-দেনৰ কথা নাহে, লাগে মাথোঁ সুস্থ চিন্তা-চৰ্চা কৰিব পৰা এটি উদাৰ মন। মনৰ কপটতা ব্যক্তি বিশেষৰ ছলাহী কথাত স্পষ্টকৈ প্ৰকাশ পায়। আত্মসংযম ৰক্ষা কৰি চলা ভদ্ৰলোকসকলে অৱাবত হকে-বিহকে কথা কোৱা বা পৰচৰ্চা কৰাৰ পৰা বিৰত থাকে। এওঁলোকৰ পৰোপকাৰী মন আৰু স্পষ্টবাদী স্বভাৱৰ বাবে অবাটে



যোৱাজনকো শুদ্ধ পথৰ সন্ধান দি সহায়ৰ হাত আগবঢ়ায়। এই পৃথিৱীত আটাইতকৈ কঠিন কাম হ'ল আনৰ হৃদয়ত স্থান দখল কৰিব পৰাটো। ইয়াতকৈ পৰম সৌভাগ্যশালী লোক নাই, যি সকলে সঁচা অৰ্থত প্ৰকৃত বন্ধুৰ স'তে জীৱনৰ প্ৰকৃত মাদকতা উপলব্ধি কৰিব পাৰিছে। সঁচা অৰ্থত এজন বন্ধুৱে আমাৰ জীৱনত সঞ্জীৱনী ঔষধৰ দৰে কাম কৰে।

উদাৰ স্বভাৱৰ ব্যক্তিত্বসম্পন্ন লোক এজন সকলোৰে প্ৰিয়ভাজন হয়। জীৱন বাটত আকস্মিকভাৱে এনে কিছুমান লোকৰ সান্নিধ্য লাভ কৰা যায় তেওঁলোকৰ পৰা বহু বিষয়ত অভিজ্ঞতাহে অৰ্জন কৰিব পাৰি। বিশেষকৈ কোনো অনুষ্ঠান, প্ৰতিষ্ঠান, কাৰ্যালয় নতুবা শিক্ষানুষ্ঠান আদিৰ পৰিচালনাৰ দায়িত্বত থকা মুৰব্বীজনৰ ব্যক্তিত্বৰ প্ৰভাৱ বাৰুকৈয়ে তেওঁৰ নিপুণ দক্ষতাত প্ৰতিফলিত হয়।

অপ্ৰিয় সত্য যে কম-বেছি পৰিমাণে সকলো ব্যক্তিয়ে নিজৰ প্ৰশংসা শুনি ভাল পায়। অতিমাত্ৰা প্ৰশংসাও কেতিয়াবা তোষামোদ হৈ পৰে, অসৎ ব্যক্তিয়ে প্ৰশংসাৰ ছলেৰে তোষামোদ কৰিবলৈও নেৰে; কিন্তু তেওঁলোকে বুজি পোৱা উচিত যে এজন অন্ধ লোকেও কথা কোৱাৰ উদ্দেশ্য বুজি পায়। আমি যিদৰে আনৰ পৰা কোনো কাৰণতেই অশোভনীয় ব্যৱহাৰ কামনা নকৰো, ঠিক সেইদৰে আনকো বেয়া ব্যৱহাৰ কৰা অনুচিত। কাৰোবাৰ আত্মসন্মানবোধক তুচ্ছ-তাচ্ছিল্য কৰা কোনো কাৰণতে যুক্তিসংগত হ'ব নোৱাৰে। মনৰ চহকী হ'বলৈ ঐশ্বৰ্যশালী হোৱাটো নিষ্প্ৰয়োজন। ধনেৰে কিনা ঐশ্বৰ্য-বিভূতি, সন্মান খন্তেকীয়া। ধনৰ বলত হয়তো পৰ্বতসম সম্পত্তিৰ গৰাকী হ'ব পাৰিব; কিন্তু সুখ-শান্তি ধনৰ বিনিময়ত কিনিব নোৱাৰে। পৱিত্ৰ মনৰ আত্মশুদ্ধিৰ পৰাহে পৰম শান্তি লভিব পাৰি। প্ৰকৃত সুখ লাভ কৰাজনে পৃথিৱীতে সৰগ ৰচনা কৰাৰ উপৰি তেওঁৰ ছত্ৰছায়াত থকাসকলকো সৰগীয় শান্তিৰ আৱৰণে আৱৰি ৰাখে।

এটা কথা আমি গুৰুত্ব সহকাৰে লোৱা উচিত বাহ্যিক সৌন্দৰ্য তেনেই খন্তেকীয়া আভ্যন্তৰীণ মনৰ পৱিত্ৰতাৰে উদাৰ হৃদয়ৰ এজন ব্যক্তিৰ ব্যক্তিত্ব চিৰযুগমীয়া। মনক নিয়ন্ত্ৰণ কৰিব পাৰিলেই নিজকে অনিষ্টকাৰী নেতিবাচক দিশবোৰৰ পৰা এৰাই চলিব পাৰি। ঠিক সেইদৰে বদ অভ্যাসবোৰ পৰিত্যাগ কৰিও এক আকৰ্ষণীয় ব্যক্তিত্ব গঢ়ি তুলিব পাৰি। ঠাই ভেদে, বয়স ভেদে ব্যক্তিত্বৰ পৰিভাষা ভিন্ন হয়। ব্যক্তিত্বসম্পন্ন ব্যক্তি এগৰাকীৰ ব্যৱহাৰত আভ্যন্তৰীণ মনটো এখন আইনাৰ দৰে ফটফটীয়া হৈ লোকচক্ষুত ধৰা দিয়াৰ বিপৰীতে অসৎ স্বভাৱৰ সুবিধাবাদী স্বাৰ্থান্বেষী ব্যক্তি এজনৰ অভিনয়ো সকলোৱে বুজি পায়। কেৱল মাত্ৰ স্বাৰ্থসিদ্ধিৰ বাবেই মতলবী লোকৰ কৃত্ৰিম অভিনয় সময়ত ফাদিল হৈ পৰে। শুদ্ধ অন্তৰেৰে সাধ্যানুসৰি নিজৰ ব্যক্তিত্বৰ সুৱাসেৰে সুগন্ধি বিয়পাবলৈ চেষ্টা কৰক, চেষ্টাৰ অসাধ্য একোৱেই নাই। যিহেতু এই কথা সৰ্বজনবিদিত যে দুৰ্গন্ধই মানুহক দূৰলৈ আঁতৰাই পঠোৱাৰ দৰে সুগন্ধই কাষলৈ চপায়। মানৱীয় সৌন্দৰ্যৰ সুগন্ধিত সুৱাসেৰে আনৰ জীৱন আনন্দময় কৰি তোলাৰ লগতে নিজৰ জীৱনৰ বাটো উপভোগ্য কৰি তুলিব পাৰি। সবল ব্যক্তিত্বৰ এজন লোকৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ উপৰি নিজকে তেনে এজন সফল ব্যক্তিৰ ৰূপত অধিষ্ঠিত কৰিবলৈ নিশ্চিতভাৱে প্ৰয়াস কৰিব পাৰি। মনুষ্যত্বৰ সকলোবোৰ ইতিবাচক মানৱীয় গুণ থকা লোক এজনক সময়ে সকলো ফালৰ পৰাই সম্পূৰ্ণ কৰি তোলে। অপ্ৰয়োজনীয় বুলি ভবা সৰু সৰু মানৱীয় গুণবোৰে এজন ব্যক্তিক সফলতাৰ শীৰ্ষত আৰোহণ কৰাৰ উপৰি এক অনন্য শান্তি প্ৰদান কৰে । সুন্দৰ চেহেৰা এদিন মাটিত মিলি যাব; কিন্তু সুন্দৰ ব্যক্তিত্ব মৃত্যুৰ পাছতো চিৰযুগমীয়া হৈ ৰ'ব।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

## অভিমত

## সমাজত মানৱীয় সম্পৰ্কৰ প্ৰতি অনাস্থা কিয়?



**সমাজত** মানৱীয় সম্পৰ্কৰ প্ৰতি অনাস্থা হ'ল। আজিৰ সমাজ ব্যৱস্থা ক'ত গৈ আছে? এইখন অসমতে অভি-নীল হত্যাকাণ্ডৰ দৰে পুনৰ যোৰহাটৰ মাজমজিয়াত আছুৰ নেতা অনিমেষ ভূঞাই দলবদ্ধ আক্ৰমণত মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল। মমতাৰ খাতিৰত দুৰ্ঘটনাত পতিত হোৱা এজন বয়োবৃদ্ধ লোকক উদ্ধাৰ কৰিবলৈ যোৱাটো অনিমেষৰ কি দোষ আছিল? অনিমেষক উন্মুক্ত দলে ওলোটাই দুৰ্ঘটনা সংঘটিত কৰা বুলি মিছা কথাৰ মাজেৰে অভিযোগ জাপি দি খেদি খেদি মৰিয়াই হত্যা কৰিলে এদল নৰাধামে। কিন্তু কিয়? কিয় এইখন অসমতে অসমীয়া যুৱকৰ প্ৰতি আন এচাম অসমীয়াৰ মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটিল?

এখন আদৰ্শ সমাজ গঠনৰ বাবে আটাইতকৈ প্ৰয়োজন হয় আদৰ্শ ব্যক্তিৰ, নৈতিক আৰু আধ্যাত্মিকভাৱে উন্নত ব্যক্তিৰ। নৈতিকতাৰ স্খলন য'ত পদে পদে হয় তেনে ঠাইত কেতিয়াও আদৰ্শ সমাজ গঠন সম্ভৱপৰ নহয়।

ব্যক্তিত্ব হ'ল মানুহৰ কিছু আচৰণৰ বহিঃপ্ৰকাশ। এজন মানুহৰ অভিব্যক্তি বহু ৰকমৰ। ব্যক্তিত্ব বয়সৰ লগত পৰিৱৰ্তনশীল। আৰু মূল্যবোধ ব্যক্তিৰ শিক্ষা আৰু সংস্কৃতিৰ দ্বাৰা গঠিত এক প্ৰকাৰ সামাজিক মূলধন। নৈতিকতা ব্যক্তিৰ একান্ত ব্যক্তিগত বিষয়, যি ব্যক্তিত্বৰ বাহ্যিক আভ্যন্তৰীণ দিশ নিয়ন্ত্ৰণ কৰে। মূল্যবোধ আৰু নৈতিকতাৰ সমন্বয়ে ব্যক্তিত্বৰ বহিঃপ্ৰকাশ ঘটে। বৰ্তমান সমাজত এইবোৰৰ বহুত পৰিৱৰ্তন হৈছে। ভাষা, সভ্যতা আৰু সংস্কৃতিৰ পৰিৱৰ্তন হৈছে।

মানৱীয় প্ৰমূল্যবোধৰ ক্ষেত্ৰত আধুনিক সমাজ ব্যৱস্থাই অনা সামাজিক পৰিৱৰ্তনে নিঃসন্দেহে আজিৰ সমাজ ব্যৱস্থাত মানৱীয় সম্পৰ্কৰ ওপৰত গভীৰভাৱে চিন্তনীয় প্ৰভাৱ পেলাইছে।

**মনীষা শৰ্মা,** জালুকবাৰী, ফোন ঃ ৭৬৬৩০২৬৩০১

## এনেকৈয়ে বেলি ডুবে

**আজিকালি** একোজন মানুহ এটা বৃত্তিতে ক্ষান্ত নোহোৱা বা নথকা হ'ল। ইয়াৰ একমাত্ৰ কাৰণটোৱে হ'ল ধনৰ সীমাহীন, অদম্য, অবৈধ স্পৃহা। অতি মৰ্যাদাপূৰ্ণ আৰু ভাল দৰমহা পোৱা বৃত্তিধাৰী লোকো বাহিৰা বৃত্তিৰ প্ৰতি লালায়িত হোৱা লোকৰ সংখ্যা বৃদ্ধি পাই আহিল। ইয়াৰ ফলত প্ৰধান বৃত্তিত যে আহুকালৰ সৃষ্টি হয় তাক কোনেইবা বুজি নাপায়! বিশেষকৈ শিক্ষা বিভাগত, তাতে আকৌ শিক্ষাদান কাৰ্যত নিয়োজিত লোক সামাজিক মৰ্যাদাপ্ৰাপ্ত লোক হোৱাৰ পাছত, বাহিৰা উপাৰ্জনৰ প্ৰতি বহুতকে আকৰ্ষিত হোৱা দেখা যায়। সামাজিক দায়বদ্ধতাৰ বাবে কৰা হোৱা বুলি ক'ব বিচৰাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। বহু চৰকাৰী শিক্ষকে ধন লাভৰ উৎস থকা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হোৱা এটা ধাৰা প্ৰবাহিত হ'ল, যিবোৰৰ পৰা ভাল উপাৰ্জন হোৱাৰ সুযোগ আছে বা থাকে। ধন লাভৰ পথ থকা কাৰণতে যে ই সম্ভৱ হৈছে, তাক শিশুটোৱো বোধগম্য নোহোৱা নহয়। আজি বহু মৰ্যাদাৰ আসনত অধীষ্ঠিত লোক নানা ধৰণৰ কেলেংকাৰিত জড়িত হৈ কলংকিত হোৱা উদাহৰণ ঘটিব লাগিছে। মান-সন্মান-লাজক তুচ্চ জ্ঞান কৰিব পৰাজনে বিধি বহিৰ্ভূত কাম কৰিবলৈ ভয় নকৰে। আজিৰ উচ্চ শিক্ষিত আৰু মৰ্যাদাপূৰ্ণ পদবীত কাম কৰাসকলৰ ভিতৰৰ বহুতেই কলংকিত হ'ল। বহু মানুহৰ সামাজিক সন্মান লাঘৱ হ'ল। ধনেইহে ধ্যান ধাৰণা হ'ল, জ্ঞান লাভক পিঠি দিলে বহুতে। বৰ্তমান যি গতি প্ৰবাহিত হৈছে ইয়ে যদি আৰু অধিক তীব্ৰৰূপ ধাৰণ কৰে, তেতিয়াহ'লে মান-মৰ্যাদাক পদপিষ্ট কৰা নহ'বনে? সেয়ে হ'লে ধন লাভৰ দুৰন্ত প্ৰতিযোগিতাত আমাৰ সামাজিক বাতাৱৰণ বিষাক্ত হোৱাৰ ভৱিষ্যৎ ইংগিত নুসূচাইছেনে? তেতিয়া আমাৰ শেষ স্থিতি কি হ'ব, সি কাৰোৱেই দুৰ্বোধ্য নহয়। ধনক লৈ টনা-আঁজোৰাৰ অৰাজক অৱস্থাৰ জন্ম হ'ব। শিক্ষিত মানুহৰ মাজত অবিশ্বাসী মানুহৰ সংখ্যা বৃদ্ধি পোৱাটো প্ৰধান দুশ্চিন্তাৰ বিষয় হিচাপে ইতিমধ্যে স্থান লাভ কৰিছেই। শিক্ষক হ'ল দেশৰ ভৱিষ্যৎ সুনাগৰিকৰ স্ৰষ্টা, কিন্তু আজি বহু শিক্ষক বৃত্তিধাৰী লোক ধনৰ স্ৰষ্টা হোৱা সত্য নহয়নে? শিক্ষকসকল, অসাধাৰণ ব্যক্তি, সমাজৰ কাৰিকৰ, এই সন্মান ডুবিবলৈ আৰম্ভ নহ'লনে?

**মদন শৰ্মা,** ফোন ঃ ৯৪০১৮৭৯৪০৮

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ ডিচেম্বৰ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



# অসম গৌৰৱ চাওলুং ছ্যুকাফা

*অসম দিৱস উপলক্ষে*

## প্ৰফুল্ল প্ৰাণ মহন্ত

**ব্ৰহ্মদেশৰ** শ্বান বা পৰ্বত আৰোহী এটা জনগোষ্ঠীয়ে দক্ষিণ-পূব ফালে ভটিয়াই আহি প্ৰাচীন জাতি মনক্মেৰ আৰু অন্যান্য জনগোষ্ঠীকো পৰাজয় কৰি এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেই ৰাজ্যখনেই টাই ভূমি বুলি খ্যাত হৈ পৰিছিল। বাৰ্মীসকলে এই ভূমিক শ্বাম ভূমি বা শ্বান ভূমিৰ আখ্যা দিছিল। ইয়াৰ লোকসকলে বৌদ্ধ আৰু হিন্দু দুয়োপক্ষৰ লগত সম্পৰ্ক ৰক্ষা কৰিছিল। তেওঁলোকে ৰাজনৈতিক, সাংস্কৃতিক, সামাজিক আৰু সাম্প্ৰদায়িক দিশত সন্মিলিত হৈ উচ্চ মনৰ নতুন সংস্কৃতিৰ গঢ় দিছিল। এই সুবিশাল ৰাজ্যখনেই পাছলৈ থাইলেণ্ড নামে প্ৰখ্যাত হৈ পৰিছিল। তেওঁলোকৰ মাজত 'ফা' সংজ্ঞাটো সন্মানজনক বা গুণবাচক উপাধি হিচাপে গণ্য কৰিছিল। চিনা টিচাং সংস্কৃতিৰ বাহক হিচাপে তেওঁলোকে পাখিলগা সিংহ তথা টাওটি ৰাজকীয় প্ৰতীক হিচাপেও গণ্য কৰিছিল।

কালক্ৰমত এই ৰাজ্যৰে এজন সৌভাগ্যৱান যুৱৰাজ পৰিয়ালৰ দুৰ্ভাগ্যজনক সংঘাতত লিপ্ত হৈ পিতৃ পুৰুষৰ ৰাজ্যৰ মোহ এৰি নতুন ৰাজ্যৰ সন্ধানৰ বাবে মন মেলিলে। তেওঁৰ লগত মনে মিলা সাতগৰাকী অতি সাহসী বন্ধুৰ লগ ল'লে। লগত ন-হেজাৰ অনুগামী লৈ পশ্চিম দিশেৰে অগ্ৰসৰ হ'ল। তেওঁলোকে অভিযানত দুৰ্জয় হেংদাং (দৈৱ শক্তিসম্পন্ন তৰোৱাল) আৰু মেউং আদি ৰাজপ্ৰাসাদৰ নিচান হাতত লৈ দুৰ্গম পৰ্বত-পাহাৰ, নৈ-বিল অতিক্ৰম কৰি ভ্ৰমণ যাত্ৰাত লগ পোৱা ক্ষুদ্ৰ জাতি-জনজাতিক বশীভূত কৰি ১৩ বছৰৰ মূৰত ১২২৮ খ্ৰীষ্টাব্দত ব্ৰহ্মপুত্ৰ উপত্যকাৰে প্ৰৱেশ কৰিছিল। তেওঁলোকে প্ৰথম খোজ পেলোৱা ঠাইখনেই আছিল আজিৰ নামৰূপ নামৰ ভূমিখণ্ড। এই ঠাইক তেওঁলোকে খামজাং নামেৰে অভিহিত কৰিছিল। এই অভিযানকাৰী দলৰ মুৰব্বীজনেই আছিল চাও কা ফা, অৰ্থাৎ ছ্যুকাফা নামেৰে প্ৰখ্যাত হৈছিল। স্বৰ্গৰ পৰা অহা দেউ বা স্বৰ্গদেউ। বাৰ্মীসকলৰ নথিত ইয়াক হুকুম-চাম-লং বুলি উল্লেখ আছে। ছ্যুকাফাই এৰি অহা পাটকাই অঞ্চলক তেওঁৰ লগৰ এজনক শাসন কৰিবলৈ দায়িত্ব দি আহিছিল। তেওঁৰ নাম আছিল চাংফ্ৰাংচু। পাটকাইৰ পাংচু গিৰিপথেদি আহি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰে। প্ৰথমে ছ্যুকাফাক চাওফা বা স্বৰ্গৰ ঈশ্বৰ অৰ্থাৎ স্বৰ্গদেউ নামে অভিহিত কৰিছিল। পাছলৈ তেওঁৰ বংশধৰসকলৰ মাজতো এই স্বৰ্গদেউ উপাধি পৰম্পৰাগত হিচাপে বৰ্তি আছিল।

কামৰূপৰ উত্তৰ-পূবফালে য'ত মৰাণসকলৰ মস্তক নামৰ এখন ৰাজ্য আছিল, সেই মস্তক সংজ্ঞাটো অষ্ট্ৰিকসকলে নিজ দেশৰ মুৰব্বীজনক বুজোৱা হৈছিল, সেয়ে সংস্কৃত জনা বৌদ্ধ পণ্ডিতসকলে ইয়াৰ নামকৰণ কৰিছিল সুমেৰু। সেয়ে পাছলৈ সৌমাৰপীঠ নামেৰে প্ৰখ্যাত হৈছিল। এই ৰাজ্যৰ গৰাকীজনক মৌজাৰেশ্বৰ আখ্যা দিয়া হৈছিল। মৰাণসকল অষ্ট্ৰিক বড়ো-কছাৰীসকলৰ লগত সম্বন্ধ থকা এটি প্ৰাচীন জাতীয় ফৈদ। ইড়াৱতী এওঁলোকৰ ধৰ্মীয় আদৰ্শ শীতলা মাই বড়ো কছাৰীসকলেও এই দেৱীক মাতৃজ্ঞান কৰি আহিছে। এইখিনি প্ৰাচীন আৰ্হি প্ৰণালীক ছ্যুকাফাসকলে আদৰেৰে সামৰি লৈছিল।

পৰ্বত-পাহাৰৰ বাসিন্দাৰ নগা লোকসকলেও ছ্যুকাফাৰ ভয়ত ত্ৰাসিত হৈ বশ্যতা স্বীকাৰ কৰিছিল। দিখৌ, দিচাং, নামডাং অন্তৰ্ভুক্ত কৰি পূৰ্বাপৰ পৰম্পৰা মৰ্যাদা অক্ষুণ্ণ ৰাখি অতি জ্ঞানী আৰু নম্ৰতাৰে জনগোষ্ঠীসমূহৰ মাজত পাৰস্পৰিক সম্বন্ধ বিস্তাৰ কৰিছিল। ছ্যুকাফাই মৰাণ আৰু বৰাহীৰ মাজত বৈবাহিক সম্বন্ধ গঢ়ি তুলি নিজ জাতিৰূপে আঁকোৱালি ল'লে। এক জাতি, এক প্ৰাণ, এক দেশ ঘোষণা আগবঢ়াই ছ্যুকাফাই সৌমাৰপীঠত এক বৃহৎ সাম্ৰাজ্য স্থাপন কৰিলে। তেওঁ দেশখনৰ নামকৰণৰ কৰিছিল মেউংগ-দান-শ্বান ইয়াৰ অৰ্থ হ'ল স্বৰ্গ ভড়া দেশ। সেই ৰূপে এই দেশৰ মানুহে ইয়ালৈ অহা উক্ত মানুহবোৰক ওপৰোক্ত শ্বাম বা শ্বান শব্দটোৰ আগত সংগতি ৰাখি আশ্বান বা আশ্বাম আৰু ইয়াৰে ৰূপান্তৰত অসম আৰু আহোম নামেৰে প্ৰখ্যাত কৰি তুলিলে। টাই ভাষাৰে মুং-দুন্-চুন-খাম অৰ্থাৎ সোণৰ বাগান বা সোণৰ দেশ বোলা হৈছিল।

ছ্যুকাফাই নৱ নিৰ্মিত ৰাজ্যখনত কম-বেছি পৰিমাণে জনগোষ্ঠীয় শাসকসকলৰ শাসন পদ্ধতিৰ আৰ্হিৰে শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। ৰজাই আছিল ৰাজ্যখনৰ মুৰব্বী অধিপতি। তেওঁৰ নিজাববীয়াকৈ দুজন মন্ত্ৰণাদাতা বা পৰামৰ্শদাতা আছিল। তেওঁলোকৰ পৰামৰ্শ মতেহে সমগ্ৰ ৰাজ্যখনৰ শাসন যন্ত্ৰটো পৰিচালিত হৈছিল। এওঁলোক কেৱল ৰজাৰ পৰামৰ্শদাতাই নাছিল, যুদ্ধ-বিগ্ৰহৰ সময়ত তেওঁলোক যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হ'বলগীয়া হৈছিল। ৰজাৰ শাৰীৰিক অক্ষমতাৰ সময়ত তেওঁলোকেই কাৰ্যদক্ষতাৰে দেশ শাসনৰ দায়িত্ব বহন কৰিছিল। এনে উদাহৰণ বিশ্বৰ কোনো ৰাজ্যতে নাছিল। তেওঁলোকৰ পদৱী পুৰুষানুক্ৰমে হৈছিল। কালক্ৰমত এওঁলোকৰ পদৱী আছিল বুঢ়াগোঁহাই আৰু বৰগোঁহাই। ছ্যুকাফাৰ দিনত তেওঁৰ বীৰত্ব আৰু গৰিমা দিনক দিনে ইমানেই বৃদ্ধি পাই আহিছিল যে শ্বাম দেওৱে ৰাজ শৰীৰত সন্মতি শৌৰ্য-বীৰ্য প্ৰদান কৰি তুলিছিল। তেওঁৰ দিনতেই গছৰ ছাল-সাঁচিপাত আদি প্ৰণয়ন হৈছিল বুলি জনা যায়। ৰাজকীয় প্ৰতীক হিচাপে পূৰ্বৰ আৰ্হিৰে ছ্যুকাফাই চিনদেশীয় টিছাংগ বংশৰ টাওটিৰ অনুকৰণেৰে পাখি লগা সিংহৰ প্ৰতীক ব্যৱহাৰ কৰিছিল। ছ্যুকাফাৰ দিনতে 'সাতৰাজ মাৰি একৰাজ' কৰিছিল। অৰ্থাৎ পুৰণি সকলো সৰু-বৰ জনগোষ্ঠীক সামৰি এখন ৰাজ্য তৈয়াৰ কৰিছিল, সেয়াই আছিল আজিৰ সুবৃহৎ অসম ৰাজ্য।

ছ্যুকাফাৰ দিনৰ পৰাই অসম দেশত এটা নতুন সাংস্কৃতিক যুগৰ অৱতাৰণা হয়। হাবুং নামৰ ৰাজ্যত তেতিয়া বিশুদ্ধ হিন্দু সভ্যতা আৰু সংস্কৃতি বৰ্তি আছিল। প্ৰাচীন গৌৰৱময় কামৰূপ সাম্ৰাজ্যত অৱশিষ্ট হিচাপে যিবোৰ সৰু সৰু স্বাধীন হিন্দু ৰজা আছিল, সেই সেই ৰাজ্যবোৰত দুৰ্ভিক্ষ আৰু অভাৱগ্ৰস্ততাৰ বাবে বহুতেই ছ্যুকাফাৰ ৰাজ্যলৈ ঢাপলি মেলাত সৰু সৰু সকলো ৰাজ্য থান-বান হৈ এক সবল ৰাজ্যত চামিল হৈ পৰিল।

এই সৰ্ববৃহৎ অসম ৰাজ্য স্থাপনৰ লাইখুঁটা ৰোপণ কৰি ছ্যুকাফাই বিশ্বৰ ভিতৰতে এক অভিলেখ স্থাপন কৰি বৃহত্তৰ অসম ৰাজ্য স্থাপন কৰি ছশবছৰীয়া শাসনৰ পাতনি মেলিলে, যিটো বিশ্বৰ কোনো দেশতেই ইমান বেছিদিনীয়া শাসন ব্যৱস্থা প্ৰৱৰ্তিত হোৱা নাছিল। সেয়ে তেওঁ 'অসম' নাম সোণালী আখৰেৰে অংকিত কৰি গ'ল। সেয়ে তেওঁৰ দিন এক অসম গৌৰৱৰ দিন হিচাপে বৰ্তি থাকিব। তেওঁৰ পৰৱৰ্তী ৰজাসকল ছ্যুকাফা, চুবিনফা, চুকাংফা, চুখ্ৰাংফা, চুটুফা, তাওখামথি, চুতাংফা, চুজাংফা, চুফকফা, চুহানফা, চুপিমফা আদি ৰজাসকলৰ পৰম্পৰা শাসনৰ মৰ্যাদাই অসম গৌৰৱৰ কথা সোণালী আখৰেৰে বিশ্বৰ ইতিহাস জিলিকাই ৰাখিব।

*ফোন ঃ ৬০২৬৮৪২৬৪৩*

**সংঘাত আৰু সংগ্ৰামময় পৃথিবীত পৰিশ্ৰমেই আছিল সংগ্ৰামৰ প্ৰথম অস্ত্ৰ। মানুহে হৈছিল মানুহৰ ভাগ্য নিৰ্মাতা। কোনো অলৌকিক শক্তিয়ে মানুহক কেতিয়াও সহায় কৰা নাই। মানুহৰ সংগ্ৰামশীল আৰু কণ্টকময় পথৰ দুৰ্বিষহ যাত্ৰাত ঈশ্বৰ বোলা কোনো শক্তি সহায় সাৰথি হৈ অহা নাই। মানুহৰ ভাগ্য নিৰ্ণয় কৰিবলৈ কোনো বিধাতাও ওলাই অহা নাই। মানুহে সদায় নিজৰ কৰ্মত প্ৰবৃত্ত থাকি নিজৰে ভাগ্য বিধাতাও হৈছে কৰ্মফলেৰে। চৰম ত্যাগৰ নিৰ্দশনেৰে।**

# অসমৰ শ্ৰেষ্ঠ ৰাজ্যৰ সপোন বাস্তৱ হ'বনে?



## আছুতীয়া চিন্তা

### জয়কান্ত শৰ্মা (কনিষ্ঠ)

**এজান** মানুহ, এখন সমাজ, ৰাজ্য বা ৰাষ্ট্ৰক শ্ৰেষ্ঠৰূপে প্ৰতিষ্ঠা কৰাৰ সপোন বহুতৰ থাকে। বহুতে শ্ৰেষ্ঠতা প্ৰদানৰ কচৰৎ আৰম্ভও কৰে। কিন্তু তাত একাগ্ৰতা আৰু আন্তৰিকতা বৰ কম থাকে। একেৰাহে লাগি নাথাকে। কোনবোৰ বিষয়ত মনোনিৱেশ কৰিব লাগে তাক ভালদৰে নাজানে।

অসমৰ ৰাজনৈতিক নেতাসকলে ৰাজ্যখনক শ্ৰেষ্ঠৰূপে গঢ় দি তোলে ভাষণত। নিৰ্বাচনৰ বতৰত এনেকুৱা বিষয়ত নেতা-নেতৃত্বৰ ভাষ্য-ভাষণৰ চোক বাঢ়ে। নিৰ্বাচনত জয়লাভ কৰি ৰাজধানী পোৱাৰ পাছতো দেহ-মনত জড়তা আহে। সকলোৱে নিজে দিয়া প্ৰতিশ্ৰুতিবোৰ পাহৰে নতুবা পাহৰি থাকিবলৈ চেষ্টা কৰে।

আগৰ মুখ্যমন্ত্ৰী কেইজনৰ কথা বাদ দিলেও বৰ্তমান বিজেপি চৰকাৰৰ দুয়োজন মুখ্যমন্ত্ৰী এই বিষয়ত সম্পূৰ্ণ নিৰ্বিকাৰ। আন নেতাবোৰ উদাসীন আৰু অজ্ঞ। কিছুমান চমক সৃষ্টি কৰি মাত্ৰ জনসাধাৰণক তভক লগোৱাত তেওঁলোক ব্যস্ত।

প্ৰকৃতিৰ অনবদ্য সম্ভাৰেৰে জকমকীয়া অসমী আইৰ স্থান আৰু মান আছে সদায় উচ্চত। এনে এখন ৰাজ্যক দেশৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰিবলৈ আৰ্থ-সামাজিক, ৰাজনৈতিক, ভাষা-সাহিত্য, কলা-সংস্কৃতি, শিল্প-উদ্যোগ, কৃষি-বাণিজ্য, শিক্ষা-স্বাস্থ্য, বিজ্ঞান-প্ৰযুক্তি আদি দিশত গুৰুত্ব প্ৰদান কৰা আগবঢ়াই নিবই লাগিব।

অসমৰ জনসাধাৰণ বিশেষকৈ যুৱ প্ৰজন্মই শিক্ষা-জ্ঞান, বিজ্ঞান-প্ৰযুক্তি আৰু নিজ নিজ বুদ্ধি-কৌশল প্ৰয়োগেৰে অসমক সমৃদ্ধিশালী কৰি শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়াৰ সপোন বাস্তৱায়িত কৰিব পাৰে নিশ্চয়।

আৰ্থ-সামাজিক দিশৰ পৰা লক্ষ্য কৰি ক'ব পাৰি যে অসম এখন কৃষি প্ৰধান ৰাজ্য। অসমৰ অৰ্থনীতিৰ মূল ভেটি হৈছে কৃষি। কৃষি ব্যৱস্থাত কৃষকসকল হ'ল দেশৰ মেৰুদণ্ড। তেওঁলোকে কৃষি কাৰ্যৰে খাদ্য-শস্য উৎপাদন কৰি ৰাজ্যৰ মানুহক জীয়াই ৰাখে। এই কৃষি খণ্ডতে চৰকাৰী আৰু বেচৰকাৰীভাৱে অধিক কৰ্মসংস্থান সৃষ্টি কৰি খাদ্য-শস্যৰ উৎপাদন বৃদ্ধি কৰাটো প্ৰথম জৰুৰী কথা।

আমাৰ ৰাজ্যখনৰ আৰ্থিক অৱস্থা মজবুত কৰিবলৈ হ'লে বহিঃৰাজ্যৰ পৰা কৰা খাদ্য-শস্যৰ আমদানিৰ পৰিমাণ কমাই আনি ৰপ্তানিৰ পৰিমাণ বৃদ্ধিত মনোযোগ দিয়াতো অতি প্ৰয়োজনীয়। কৃষিজাত দ্ৰব্যত স্ব-নিৰ্ভৰশীল হ'বলৈ অসমে ধান, মৰাপাট, মাহজাতীয় শস্য, আলু-পিঁয়াজ, তেলজাতীয় শস্য আদিৰ উৎপাদনত অধিক গুৰুত্ব দিব লাগিব।

অসমীয়া যুৱক-যুৱতী স্বাৱলম্বী হোৱা আৰু ৰাজ্যখনক খাদ্য, মাছ-মঙহ, কণী ইত্যাদিত আত্মনিৰ্ভৰশীল কৰা অতি দৰকাৰ। কৃষিপাম, উদ্যান শস্য, মৎস্য পালন, মৌ পালন, গৰু-ছাগলী, হাঁহ-কুকুৰা, গাহৰি পালন ইত্যাদিত মনোযোগ দিবই লাগিব। যুৱ প্ৰজন্মক কৃষি কৰ্ম, বেহা-বাণিজ্য, শিল্প-উদ্যোগ আদিৰ প্ৰতি মন ঢাল খুৱাব পাৰিলে অসম আৰ্থিক ক্ষেত্ৰত টনকিয়াল হ'ব আৰু শ্ৰেষ্ঠ ৰাজ্যৰ দিশত ভালেখিনি আগবাঢ়ি যাব নিশ্চয়।

অসমৰ যুৱ শক্তিৰ কৰ্মস্পৃহা আৰু কৰ্মশক্তি বৃদ্ধি কৰিবলৈ প্ৰেৰণা আৰু কৰ্মাদৰ্শ আহিব লাগিব নেতা-নেতৃত্ব, দল-সংগঠন আৰু অগ্ৰজসকলৰ পৰা। কামৰ প্ৰতি আসক্তি বঢ়াবলৈ যিকোনো ধৰণৰ নিচাৰ প্ৰতি আসক্তি কমাব লাগিব। কিন্তু অসমত অসম চৰকাৰৰ তৰফৰ পৰা যি হাৰত সুৰাৰ অনুজ্ঞাপত্ৰ দি থকা হৈছে, পাণ-তামোলৰ দোকানৰ দৰে সুৰাৰ দোকান পাতি হাতৰ ওচৰতে সুৰা পোৱাটো সুলভ আৰু সুচল কৰি তুলিছে সেইটো চাই ক'ব পাৰি যে সুৰাৰ পৰা অহা ৰাজহ সংগ্ৰহৰ নামত জাতি ধ্বংসী কাৰ্যসূচী জনপ্ৰিয় চৰকাৰখনেই হাতত লৈছে। এনেকুৱা বিপৰীতধৰ্মী কাম-কাজেৰে শ্ৰেষ্ঠ ৰাজ্য গঢ়া টান হ'ব, মদাহী কিছুমান বঢ়োৱাটোহে সম্ভৱ হৈ উঠিব।

সি যি কি নহওঁক, অসমৰ চাহ শিল্প বিশ্বৰ ভিতৰতে নামজ্বলা। কমেও ৩০ লক্ষ লোক প্ৰত্যেক্ষ বা পৰোক্ষভাৱে চাহ শিল্পৰ লগত জড়িত। তেওঁলোকৰ জীৱন-জীৱিকাও সেয়াই। উন্নত মানৰ চাহ উৎপাদন কৰি ৰপ্তানিৰ দ্বাৰা বিদেশী মুদ্ৰা অহাটো নিশ্চিত। তাৰ কাৰণে চাহ শিল্পৰ ওপৰত অধিক গুৰুত্ব দি অধিক লোকক চাহ খেতিৰ প্ৰতি আকৰ্ষিত কৰা বাঞ্চনীয়।

ৰাজ্যখনক উন্নতিৰ পথত আগুৱাই নি শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়ি তুলিব লাগিলে চৰকাৰী ব্যয় সংকোচন কৰাটো অপৰিহাৰ্য। আৰ্থিক সুস্থিৰতা আৰু ৰাহি কৰা ক্ষেত্ৰত এই নীতি উপাদেয়। সৰু সুৱা কথাত বৃহৎ আয়োজন কৰি ধনৰ শৰাধ কৰা অনুচিত। কিছুমান কাম যেনে আধাৰশিলা স্থাপন, পথ, স্কুল-কলেজৰ ভৱন উদ্বোধন, সাধাৰণ সভা সমিতি আদিলৈ ৰাজ্যৰ ৰাজ্যপাল বা মুখ্যমন্ত্ৰী নগৈ আয়ুক্ত, উপায়ুক্ত, চক্ৰ বিষয়া আদিয়ে কামবোৰ চলাব পাৰে।

কথা কম, কাম বেছি নীতি অৱলম্বন কৰি চৰকাৰী কাম বা সাফল্যৰ প্ৰকাশ, প্ৰচাৰত খৰচ হ্ৰাস কৰিব পাৰি। মন্ত্ৰী-আমোলাৰ ভ্ৰমণত সুৰক্ষা আৰু নিৰাপত্তাৰ নামত হিচাবহীনভাৱে গাড়ী-মটৰ ব্যৱহাৰ নকৰি সীমিত সংখ্যকৰে খৰচৰ পৰিমাণ হ্ৰাস কৰিব পাৰি। মুখ্যমন্ত্ৰীৰ ভ্ৰমণত আমোলা-বিষয়া আৰু ভিআইপি সদৃশ লোকৰ ভিৰ কমাই খৰচ আধালৈ কমাই আনিব পাৰি।

এখন ৰাজ্যৰ শান্তি-শৃংখলাৰ দায়িত্বত থকা আৰক্ষী প্ৰশাসন সদায় ৰাইজৰ পক্ষত থাকিব লাগে। দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত আৰক্ষীয়ে সাধাৰণ লোকৰ পৰা বঞ্চিত সঁহাৰি আৰু সন্মান কোনো দিন নাপায়। পক্ষপাতদুষ্ট আৰু অৰ্থলোভী আৰক্ষী বিষয়াৰ পৰা মানুহে সুবিচাৰ পায় বুলি আশা কৰিব নোৱাৰি। আৰক্ষী প্ৰশাসনৰ নিকা ভাবমূৰ্তি আৰু কৰ্মতৎপৰতাৰ ওপৰতে এখন ৰাজ্যৰ আইন-শৃংখলা, শান্তি-সম্প্ৰীতি আৰু প্ৰগতি ভালেখিনি নিৰ্ভৰ কৰে।

ৰাজ্য এখনক মুখৰ কথাৰে উন্নত বা শ্ৰেষ্ঠ কৰিব নোৱাৰি যদিহে ৰাজ্যৰ জনসাধাৰণ সক্ৰিয়-সচেতন, কৰ্ম-কুশলী আৰু দায়িত্বশীল নহয়। কৰ্ম দক্ষতা বৃদ্ধিৰ ধাৰণাটো নতুন নহয়। শিক্ষক-কৰ্মচাৰী, অভিযন্তা-শ্ৰমিক, কৃষক, শিল্পী আদিৰ কৰ্মদক্ষতাৰ ওপৰতে এখন ৰাজ্য বা দেশৰ ভাগ্য নিৰূপিত হয়। সুনিপুণ, কৰ্মোদ্যমী কৰ্মচাৰীয়ে এখন ৰাজ্যৰ ভাগ্য নিয়ন্তাৰ ৰূপত থিয় দিব পাৰে। সেই কাৰণে সকলোধৰণৰ শিক্ষক-কৰ্মচাৰী, শ্ৰমিক-কাৰিকৰ, কৃষক আনকি যুৱক-যুৱতীকো বিশেষ ধৰণৰ শিক্ষা-প্ৰশিক্ষণ দিব লাগে যাতে তেওঁলোকে নিজৰ নিজৰ কৰ্ম ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাই সুন্দৰ ৰূপত আৰু কম আয়াসতে কামবোৰ কৰি অটাব পাৰে।

এখন ৰাজ্যৰ উন্নতি আৰু প্ৰগতিৰ ধাৰা খৰতকীয়া হোৱাৰ মূলতে হ'ল পৰিবহণ ব্যৱস্থাৰ সুচলতা। গাঁও-চহৰ-নগৰ সংযোগী পথ পৰিবহণ ব্যৱস্থাৰ সুচলতা, সুগমতা আৰু সুৰক্ষিত হোৱাৰ ওপৰতে সেই ৰাজ্যৰ প্ৰগতি নিৰ্ভৰ কৰে। জল পৰিবহণ, স্থল পৰিবহণ আদি নিৰাপদ হোৱাৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী হোৱা দৰকাৰ। পৰিবহণ ব্যৱস্থাৰ উন্নতি মানেই দেশৰ উন্নতি। অৰ্থনৈতিক প্ৰগতিৰ মাপকাঠিও সেয়াই।

সঁচা কথা ক'ব লাগলে অসমক আন্দোলনৰ দেশ বুলি জগতে জানে। বন্ধ-হুৰতাল, চান্দা-ধন দাবী, ইত্যাদিৰ লগতে কল-কাৰখানাৰ বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ, কৰ্মত অৱহেলা, অনিচ্ছা, অনীহা ইত্যাদিয়ে উদ্যোগ, কল-কাৰখানাৰ অপমৃত্যুৰ কাৰণ। অসমৰ প্ৰায় সকলোবোৰ উদ্যোগ প্ৰতিষ্ঠানৰ ধ্বংসৰ কাৰণ হ'ল দায়িত্বজ্ঞানহীন বিষয়াৰ অদূৰদৰ্শী কাৰ্যকলাপ আৰু চৰকাৰী নিষ্ক্ৰিয়তা। অৱশ্যে ক'ৰবাত ক'ৰবাত কমিছনৰ অংকও নথকা নহয়।

এনেবোৰ কথাৰ ওপৰত লক্ষ্য ৰাখি চৰকাৰী উদ্যোগত গভীৰভাৱে চিন্তা-চৰ্চা কৰি ভাল কিবা এটা নকৰিলে, নতুন নতুন কল-কাৰখানা, উদ্যোগ-প্ৰতিষ্ঠান নগঢ়িলে অসম আগবাঢ়িব কিদৰে? অসমক সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰূপে ভাষণৰ ফুলজাৰিৰে গঢ়িব পৰা যাব জানো?

এটা জাতিৰ ভাষা-সাহিত্য, কলা-সংস্কৃতি, জ্ঞান বিজ্ঞান যিমানেই আগবঢ়া সেই জাতিটো সিমানেই আগবঢ়া। ভাৰতৰ ভিতৰত বাঙালীসকল খেলা-ধূলা, কৃষিকৰ্ম, কলা-সংস্কৃতি, বিজ্ঞান প্ৰযুক্তি আদি প্ৰতিটো দিশতে আগবঢ়া, কাৰণ তেওঁলোক মূলতঃ ভাষা-সাহিত্য, কলা-কৃষ্টিত আগবঢ়া।

অসমীয়া ভাষা-সাহিত্য বিশ্ব স্তৰ পোৱাটো দূৰৰে কথা ৰাষ্ট্ৰীয় স্তৰ পাবলৈয়ে বহু বাকী। অসমীয়া ভাষাত বিশ্বমানৰ সাহিত্য আজি পৰ্যন্ত ৰচিত হোৱা নাই। অসমক সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়ি তুলিবলৈ অসমীয়া ভাষা-সাহিত্যক শ্ৰেষ্ঠতা প্ৰদান কৰিব লাগিব, কলা-সংস্কৃতিক ৰাষ্ট্ৰীয় পৰ্যায়লৈ উত্তৰণ ঘটাব লাগিব।

সুস্থিৰ আৰু শান্তিপূৰ্ণ পৰিৱেশৰ অভাৱতে অসমৰ পৰ্যটন উদ্যোগটোৱে আধামৰা ৰূপ পৰিগ্ৰহ কৰিছে। অসমৰ উগ্ৰপন্থীৰ সমস্যাটোৰ শান্তিপূৰ্ণ আৰু চিৰস্থায়ী সমাধান উলিয়াব পাৰিলে মৰামুৱা পৰ্যটন উদ্যোগটোৱে আকৌ প্ৰাণ পাই উঠিব নিশ্চয়। বিদেশী পৰ্যটকৰ মনত নিৰাপদ আৰু সুৰক্ষিত ভ্ৰমণৰ বিশ্বাস জন্মাব পাৰিলে অসমলৈ পৰ্যটক আহিব। লগে লগে বৃদ্ধি হ'ব জীৱন জীৱিকাৰ উৎস। এই উদ্যোগে নিবনুৱা সমস্যা সমাধান কৰাৰ উপৰি ৰাজ্যৰ ৰাজকোষলৈ বিদেশী মুদ্ৰাৰ সোঁত বোৱাব। আমাৰ বিশ্বাস কেৱল মাত্ৰ পৰ্যটন উদ্যোগ বা ক্ষেত্ৰখনেই অসমক ধনে-মানে শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়ি তোলাৰ ক্ষমতা ৰাখিব পাৰে।

অসংখ্য জাতি-জনগোষ্ঠীৰ মিলন ভূমি অসম এখন বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্যময় ৰাজ্য। বৈচিত্ৰতাৰে ভৰপূৰ ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীক একত্ৰ কৰিবলৈ এখন শ্ৰেণীহীন আৰু ছাত্ৰ-বৰ্ণহীন সমাজ গঢ়াৰ সংকল্প সকলোৱে ল'ব লাগে যিখন সমাজ হ'ব সকলোৰে সম অধিকাৰ থকা মুকলি মঞ্চ। সমভাবাপন্ন আৰু সমান মৰ্যাদা সম্পন্ন সমাজ এখন গঢ় দিব পাৰিলে প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজ নিজ পৰিমণ্ডলত থাকিয়ে নিজৰ নিজৰ শ্ৰেষ্ঠতাখিনি উগাৰি দিলে অসম শ্ৰেষ্ঠ ৰাজ্য নোহোৱাৰ কাৰণ নাথাকিব।

ওপৰত উল্লেখ কৰা বিষয়বোৰ সাফল্যমণ্ডিত কৰি তুলিবলৈ জনসাধাৰণ আৰু চৰকাৰক লগা প্ৰথম দৰকাৰী বিষয়টোৱে হ'ল সদিচ্ছা। মানুহৰ মনৰ মাজত সপোন বা আশা-আকাংক্ষা অকল থাকিলেই নহ'ব কৰ্ম কৰাৰ আগ্ৰহ আৰু আন্তৰিকতা থাকিব লাগিব। মনৰ মাজত ইতিবাচক ধাৰণাক পোহপাল দি বৈজ্ঞানিক মানসিকতা গঢ়ি তুলি বিজ্ঞান প্ৰযুক্তি ব্যৱহাৰেৰে কাম কৰি গ'লে সফল নোহোৱাৰ কাৰণ নাই।

সংঘাত আৰু সংগ্ৰামময় পৃথিৱীত পৰিশ্ৰমেই আছিল সংগ্ৰামৰ প্ৰথম অস্ত্ৰ। মানুহে হৈছিল মানুহৰ ভাগ্য নিৰ্মাতা। কোনো অলৌকিক শক্তিয়ে মানুহক কেতিয়াও সহায় কৰা নাই। মানুহৰ সংগ্ৰামশীল আৰু কণ্টকময় পথৰ দুৰ্বিষহ যাত্ৰাত ঈশ্বৰ বোলা কোনো শক্তি সহায় সাৰথি হৈ অহা নাই। মানুহৰ ভাগ্য নিৰ্ণয় কৰিবলৈ কোনো বিধাতাও ওলাই অহা নাই। মানুহে সদায় নিজৰ কৰ্মত প্ৰবৃত্ত থাকি নিজৰে ভাগ্য বিধাতাও হৈছে কৰ্মফলেৰে। চৰম ত্যাগৰ নিদৰ্শনেৰে।

শিক্ষা, জ্ঞান, অভিজ্ঞতা আৰু স্মৃতিৰ সদ্ব্যৱহাৰ কৰি কৰা কাম, শ্ৰম আৰু সাধনাৰ বলত মানৱে সভ্যতা গঢ়ি লৈছে। এই সভ্যতাক বৰ্তাই ৰাখি শ্ৰেষ্ঠ ৰূপ দিবলৈ প্ৰয়োজন কৰ্ম-সংস্কৃতিৰ। আৰু দৰকাৰ বিজ্ঞান-প্ৰযুক্তিৰ। প্ৰয়োজন সাপেক্ষে আদি মানৱে কিছু সভ্য হৈ দৃষ্টিভংগী সলনি কৰিবও জানিছিল। মানসিকতাৰ পৰিৱৰ্তন কৰিছিল।

আজিৰ সৰ্বসাধাৰণ জনতাৰ লগতে জনপ্ৰতিনিধিবোৰেও দৃষ্টিভংগীৰ পৰিৱৰ্তন আনিব লাগিব। ৰাজনৈতিক নেতাসকলে সদায় কৰি অহাৰ দৰে মিথ্যাচাৰ ত্যাগ কৰক। ভেল্কিবাজি কথা-কাণ্ডৰে মানুহক আশ্চৰ্যচকিত কৰা অভ্যাস পৰিত্যাগ কৰক। নানা প্ৰকাৰৰ চমক সৃষ্টি কৰা কৰ্মৰ পৰিৱৰ্তে ৰাজ্যখনক শ্ৰেষ্ঠতা প্ৰদান কৰিবলৈ কিছুমান গঠনমূলক আৰু স্থায়ী কাম কৰক। হিতাধিকাৰী সৃষ্টিৰ পৰিৱৰ্তে জনহিতকৰ কাম কৰি দেখুৱাওক। কিছুমান দৃঢ় পদক্ষেপ লৈ কৰ্মসংস্কৃতিৰ সুদৃঢ় ভেটি তৈয়াৰ কৰক জনপ্ৰতিনিধিয়ে।

সিংহ বনৰ ৰজা হ'লেও সি চিকাৰ কৰি খাবই লাগিব। সি চিকাৰ নধৰি বহি-শুই থাকিলে হৰিণাই জানো স্বইচ্ছাই আহি তাৰ মুখত সোমাব?

*ফোন ঃ ৮৮২২১৮৮৬৭৯*





## বিশ্বজিৎ বৰুৱা

।। ছয়।।

**১৮৫৮ৰ** ২৬ ফেব্ৰুৱাৰীত তদানীন্তন অসমৰ সবাতোকৈ অভিজাত আৰু ধনাঢ্য ব্যক্তি, অতি উদ্যমী অসমীয়া মণিৰাম দেৱান আৰু তেওঁৰ সহযোগী পিয়লী বৰুৱাক মৃত্যুদণ্ডৰে দণ্ডিত কৰাৰ পাছত সমগ্ৰ অসমজুৰি শোকৰ বন্যা বৈ যোৱাৰ লগতে ঔপনিৱেশিক শাসকৰ কাৰ্যকলাপ যে অসম আৰু অসমীয়াৰ স্বাৰ্থৰ বিপৰীতে গৈছে, সেয়া সাধাৰণ অসমীয়াই অনুভৱ কৰিবলৈ আৰম্ভ কৰিলে। মানৰ অত্যাচাৰ আৰু অন্তৰ্কলহত জৰ্জৰিত বৃহত্তৰ ভূমিখণ্ডৰ বিভিন্ন বসবাসী, জনগোষ্ঠীসমূহৰ অধিকাংশই অতিষ্ঠ হৈ ব্ৰিটিছৰ আগমনক স্বাগতম জনাইছিল। জয়ন্তীয়া ৰাজ্যৰ পৰা আৰম্ভ কৰি চট্টগ্ৰাম-চিলেটৰ মানুহে যেনেদৰে লেঃ কৰ্ণেল জৰ্জ মেকমোৰেইনক, ইৰাৱতী নদীয়েদি ব্ৰহ্মদেশ পৰ্যন্ত আগবাঢ়ি যোৱা ছাৰ আৰ্কিবল্ড কেম্পৰেইলক যিদৰে স্বাগতম জনোৱা হৈছিল, সেইদৰে উজনি অসমলৈ মণিৰাম দত্তবৰুৱাই বাট দেখুৱাই অনা ডেভিট স্কটকো এই অঞ্চলৰ মানুহে আদৰণি জনাইছিল যদিও কোম্পানীৰ আগমনক একাংশ অসমীয়াই বিৰোধিতা কৰিছিল— বিদেশীৰ অত্যাচাৰ আৰু গৃহকন্দলে জৰ্জৰিত কৰা অসমৰ সাধাৰণ জনগণে মণিৰামৰ দৰেই আশা কৰিছিল অসমত শান্তি প্ৰতিষ্ঠা কৰি কোম্পানী বাহাদুৰ আঁতৰি যাব। কিন্তু মণিৰাম দেৱানৰ ফাঁচি আৰু উদ্যমী অসমীয়াসকলৰ দেশান্তৰৰ হুকুমৰ বাবে কোম্পানীৰ কৰ্মকৰ্তাসকলৰ বিৰুদ্ধে বিদ্ৰোহৰ উকমুকনি অনুভৱ কৰি বংগ প্ৰভিন্সৰ শাসনকৰ্তাসকলে থিৰাং কৰিলে— অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন আৰু এই উন্নয়নে যদি স্থানীয় বসবাসীসকলৰ হাতলৈ প্ৰচুৰ পৰিমাণে মুদ্ৰা আনি দিব পাৰে, তেন্তে নিশ্চয়কৈ এই নিচাই স্থানীয় বসবাসীসকলক আচ্ছন্ন কৰি ৰাখিব আৰু তাৰেই সুযোগত প্ৰকৃতিয়ে অকৃপণ হাতেৰে দান দিয়া প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ কামফেৰা অতি আয়াসতে সম্পন্ন কৰি যাব পাৰিব। অসম কোম্পানীৰ পৰা হলৰইড্‌ৰ নিচিনা অত্যাচাৰী শাসকসকলক সেয়ে অপসাৰণ কৰি কেপ্টেইন ব্ৰডি, নিউভিল আদিৰ লেখীয়া জনদৰদী শাসকসকলক উজনি অসমলৈ প্ৰেৰণ কৰা হ'ল।

১৮৬০ৰ মধ্যভাগৰ পৰাই ডিব্ৰুগড় চহৰৰ কাষৰীয়া বকুলত স্থাপন হোৱা বকেল চাহ বাগিচাৰ অব্যৱহৃত ভূমিত ইটাভাটাৰ কাম আৰম্ভ হ'ল। ডিব্ৰুগড় আদালতৰ পেস্কাৰ আলীয়ে মোক ১৬০ বছৰৰ আগেয়ে স্থাপন হোৱা ইটাভাটাৰ সন্ধান দিলে। আজিও সেই ইটা ভাটাৰ বৃহৎ পুখুৰীসমূহ পৰিত্যক্ত অৱস্থাত বিদ্যমান। ব্ৰিটিছ প্ৰশাসকে মণিৰাম দেৱানৰ এজন পুত্ৰক লখিমপুৰ আদালতৰ চিৰস্তাদাৰ পদত নিযুক্তি দিয়াৰ উপৰি অন্য এজন পুত্ৰ যাদুৰাম বৰুৱাক পকীঘৰ আৰু কুঁৱাৰ চৌদিশে পাতিব পৰা কংক্ৰিটৰ ৰিং বনোৱাৰ কামৰ ঠিকা দিছিল। যাদুৰাম বৰুৱাই জে আৰ বৰুৱা এণ্ড ছনছ নামেৰে এটি ঠিকাদাৰী প্ৰতিষ্ঠান জন্ম দি প্ৰথম অসমীয়া কংক্ৰিটৰ ঘৰ সজাৰ ঠিকাদাৰী প্ৰতিষ্ঠান ডিব্ৰুগড়ত স্থাপন কৰিছিল। ১৮৬৯ মানত স্থানীয়ভাৱে তৈয়াৰ কৰা ইটা, মানচেষ্টাৰৰ পৰা লোহা, কলিকতাৰ পৰা অনা চিমেণ্টেৰে বৃহৎ আদালত ভৱন সজোৱাৰ কাম আৰম্ভ কৰিছিল। ১৮৭৪ লৈকে এই ভৱনৰ নিৰ্মাণকাৰ্য তদাৰক কৰিছিল আসাম লাইট ইনফেণ্ট্ৰি ৰেজিমেণ্টৰ অভিযন্তাসকলে। ১৮৭৪ত এই ভৱন সম্পূৰ্ণ কৰি তোলাৰ দায়িত্ব দিয়া হয় জে আৰ বৰুৱা এণ্ড ছনছক। অসমীয়াৰ বাবে অতি গৌৰৱৰ কথা যে ১৮৮০ত এজন অসমীয়া ঠিকাদাৰে নিৰ্মাণ সম্পূৰ্ণ কৰি চৰকাৰক চমজাই দিয়া এই বৃহৎ আদালত ভৱন আজি অব্যয় অক্ষুণ্ণ হৈ গৌৰৱৰ ধ্বজা বহন কৰি এক ঐতিহ্যমণ্ডিত ভৱনৰ ষ্টেটাছ লাভ কৰিবলৈ আগবাঢ়ি গৈ আছে। ডিব্ৰুগড়বাসী সৰৱ হ'লে হয়তো এই ভৱন শীঘ্ৰেই বিশ্বৰ ঐতিহ্যমণ্ডিত ক্ষেত্ৰ হিচাপে বিবেচিত হোৱাৰ যোগ্যতা অৰ্জন কৰিব। কিন্তু পৰিতাপৰ বিষয় এইটোহে যে এই ভৱনৰ চৌদিশে কোনো দীৰ্ঘম্যাদী পৰিকল্পনা নোহোৱাকৈ হকে-বিহকে ঘৰ আৰু দালান সাজি পৰিৱেশ বিনষ্ট কৰাৰ উপৰি ঐতিহ্যমণ্ডিত ক্ষেত্ৰ হিচাপে সন্মান আদায় কৰাৰ বাবে যিবিলাক নীতি-নিৰ্দেশনা সেইবোৰ মুচৰি পেলোৱা হৈছে যিটো পৰিতাপৰ কথা যি কি নহওক; এজন অসমীয়া ঠিকাদাৰৰ তত্ত্বাৱধানতে এনে এটা যুগ সৃষ্টিকাৰী ভৱন নিৰ্মাণ হোৱা কথাটো বহুতৰে জ্ঞাত নহয়।

১৮৭২ৰ পৰা ডিবৰুত জিলা জজ নিযুক্তিৰে আদালতৰ কাম কাজ আৰম্ভ হৈছিল যি পূৰ্ণ পৰ্যায় লাভ কৰিলে ১৮৮০ৰ পৰা। ব্ৰিটিছৰ অসম আগমনৰ সময়ত অসমত প্ৰশাসনিক ব্যৱস্থা বুলি একো নাছিল। নামনি অসমৰ শাসন চলিছিল গোৱালপাৰাৰ পৰা, পাৰ্বত্য অঞ্চলৰ শ্ৰীহট্টৰ পৰা। ক'বলৈ গ'লে অসমৰ ৰাজনৈতিক ৰাজধানী আছিল যেনিবা শ্ৰীহট্ট বা চিলেটহে। পাছলৈ হাবি-ভাঙি, পাহাৰৰ গাই দি বাট কাটি ৰাজনৈতিক ৰাজধানী পাতিলে শ্বিলঙত ঃ যোৰহাট হ'ল সাংস্কৃতিক ৰাজধানী আৰু ন্যায়িক ৰাজধানী হ'ল যেনিবা ডিবৰুহে এক বৃহৎ অঞ্চল সামৰি ন্যায় ব্যৱস্থা আৰম্ভ হ'ল ডিবৰুৰ আদালতৰ পৰা। ডিব্ৰুগড় আদালতৰ শ্ৰীসুমন দত্তই উদ্ধাৰ কৰা আওপুৰণি ১৮৭০ৰ ডচিয়াৰৰ তথ্যৰ পৰা দেখা পালো ঃ সাত শতাধিক লোক আদালতৰ বিচাৰ ব্যৱস্থাৰ অন্তত শাস্তিৰ মুখামুখি হৈছিল। হেজাৰোধিক গোচৰ পঞ্জীভুক্ত হৈছিল। হ'ব পাৰে শাস্তিযোগ্য অপৰাধ তেতিয়াও যথেষ্ট পৰিমাণে সংঘটিত হৈছিল অথবা এই শাস্তি প্ৰাপ্তসকল ব্ৰিটিছৰ শাসন ব্যৱস্থাৰ পৰিপন্থী আছিল তাৰ বাবে শাস্তিৰ সন্মুখীন হৈছিল।

ঐতিহাসিক ডিবৰু আদালতৰ সভাগুৰুলৈ প্ৰৱেশ কৰাৰ পূৰ্বে উজানি অসমৰ গৌৰৱমণ্ডিত বুৰঞ্জীৰ বাটেদিও কিছুদূৰ আগবাঢ়ি গৈ পৰাখি চাওঁচোন।

প্ৰায় সমগ্ৰ অসমখনেই যেতিয়া তাহানিৰ ৰাজত্বই ব্ৰিটিছৰ হাতত সপি দিছিল তেতিয়া কিন্তু ডিমৌ ঢেপনৰ পৰা পাটকাই পৰ্বতমালাৰ পাদ দেশেদি টিৰাপ সীমান্ত, হিমালয়ৰ পাদদেশলৈকে এক বৃহৎ অঞ্চল স্বাধীন অঞ্চল হিচাপেই বৰ্তি আছিল। মান আহি ডিমৌ-চেপন পৰ্যন্ত ত্ৰাসৰ সৃষ্টি কৰিছিল যদিও স্বাধীন মটক ৰাজ্য বেংমৰা (আজিৰ তিনিচুকীয়া) স্বাধীন ৰাজ্য হিচাপেই বৰ্তি আছিল। বেংমৰা ৰাজ্যৰ প্ৰজাবৎসল নৃপতি সৰ্বানন্দ সিংহক মানে সেৱা কৰি লৈছিলহি। সম্বোধন কৰিছিল বৰ সেনাপতি বুলিয়েই। যোৰহাট-শিৱসাগৰৰ বহু পৰিয়াল পলাই আহি ডিবৰু-পাৰতে আশ্ৰয় গ্ৰহণ কৰিছিলহি। শিৱসাগৰৰ কে'বাটাও মুছলিম পৰিয়াল ডিবৰুলৈ আহিছিল। ইয়াৰ ভিতৰত ফাৰ্চী পঢ়া হাজৰিকা পৰিয়ালো অন্যতম। মফিজুদ্দিন এই পৰিয়ালৰে সন্তান। কবিতা লিখি অমৰ হ'ল আৰু আছিল এখন ৰাজ্য খেৰেম। আজিও আৰে খেৰেম ঃ অপভ্ৰংশ খেৰেমীয়া। খেৰেমীয়া মৌজা। আজিৰ দুলীয়াজান, নাহৰকটীয়া, টেঙাখাট আৰু ডিবৰু চহৰৰ দক্ষিণ পূবৰ এছোৱা। আৰু এখন আছিল ধনে ধানে উভৈনদী ৰাজ্য নামৰূপ। সকলোৰে যোগাযোগ আছিল প্ৰতাপী বিষয়া প্ৰতাপ চন্দ্ৰ বৰবৰুৱাৰ টোলৰ স'তে। ডিবৰু চহৰৰ এক গুৰুত্বপূৰ্ণ অংশ আজিৰ বৰবৰুৱাক সিপিনে আজিৰ সদাব্যস্ত তিনিচুকীয়া চহৰত কেন্দ্ৰ কৰি উত্তৰে ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা দক্ষিণে দিহিঙলৈ, পশ্চিমে দিহিং-ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ পৰা পূবে নোৱাদিহিঙলৈকে এই ত্ৰিকোণাকাৰ ভূমিখণ্ডত মটক নৃপতি সৰ্বানন্দ সিংহই নিজকে স্বাধীন ৰজা হিচাপে ঘোষণা কৰি স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। ১৭৬৭ৰ পৰাই অহৰহ মোৱামৰীয়া বিদ্ৰোহ চলি আহিছিল যদিও সকলো ভয় ভীত জাতিৰ পৰা মুক্ত আছিল ৰজা সৰ্বানন্দৰ নিয়ন্ত্ৰণত থকা বৃহৎ ভূ অংশ একে সময়তে গড়গাঁৱৰ শিঙ্গৰী ঘৰত জুই লগাই দিয়া হৈছিল, ৰংপুৰত বিদ্ৰোহীৰ তৰোৱালৰ আঘাতত ছিন্ন ভিন্ন হৈ গৈছিল। অসংখ্যজন ৰজাঘৰীয়া। পুৰি ছাৰখাৰ হৈ গৈছিল বহু গাঁও। মুঠৰ ওপৰত আহোম ৰাজ্যত অৰাজকতাই এনেদৰে গা কৰি উঠিছিল যে সকলো বাহিৰ হৈ গৈছিল নিয়ন্ত্ৰণৰ। অথচ বেংমৰা আছিল শান্তি সম্প্ৰীতিৰ এক সাৰ্বভৌম ৰাষ্ট্ৰ। সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। নিজস্ব ৰাজভঁড়াল, নিজস্ব বেংক ব্যৱস্থা। বৰসেনাপতিৰ ছবি থকা আঠকোণীয়া মোহৰেৰে গঢ়ি তোলা হৈছিল শক্তিশালী অৰ্থনীতি। এই শক্তিশালী অৰ্থ ব্যৱস্থাৰ অন্তৰ্ভুক্ত হৈ আছিল ডিবৰু। বৰসেনাপতিৰ ছবি দৃষ্টি সম্বলিত মোহৰ-প্ৰচলন আছিল ডিবৰুৰ বজাৰত। আজি তিনিচুকীয়া পৃথক জিলা হ'ল যদিও যিসময়ত ঢাপে ঢাপে আৱিষ্কাৰ হৈছিল চাহ, তেল, কাঠ,কয়লা আদি অযুত প্ৰাকৃতিক সম্পদৰ খনি তেতিয়া এক শক্তিশালী অৰ্থব্যৱস্থাৰে সাঙোৰ খাই আছিল ডিব্ৰুগড় জিলা নামেৰে এক বিশাল অঞ্চল। ব্ৰিটিছে যেতিয়া বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ পাৰ্বত্য অঞ্চলত নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সী, চমুকৈ 'নেফা' নামেৰে এক প্ৰশাসনীয় বেল্ট গঠন কৰিছিল সেয়াও নিয়ন্ত্ৰণ হৈছিল ডিবৰু ঘাটৰ পৰাই। সেয়েহে কোৱা হৈছিল বিশাল ভাৰত-মহাদেশৰ এমূৰে আছিল কলিকতাত উইলিয়াম ফ'ৰ্ট-যৰ পৰা সমগ্ৰ ভাৰতৰ প্ৰশাসন নিয়ন্ত্ৰণ হৈছিল আৰু সিমূৰে আছিল ডিব্ৰুগড়ত ডিবৰু ফ'ৰ্ট (য'ত কেপ্টেইন হেমিল্টন ডেটচে অফিচ পাতি নিয়ন্ত্ৰণলৈ আনিছিল বহুবোৰ দুৰ্ধৰ্ষ আৰু শক্তিশালী জনগোষ্ঠীক। ১৮৭৮ ত গঠন হ'ল ডিব্ৰুগড় পৌৰসভা। লগে লগে সংযোজন হ'ল অসমৰ ইতিহাসত এক নৱতম অধ্যায় যাৰ নাম ডিব্ৰুগড়। ২৭ডিগ্ৰী-২৯ ডিগ্ৰী উত্তৰ অক্ষাংশ আৰু ৯৪ ডিগ্ৰী-৯৬ ডিগ্ৰী দ্ৰাঘিমাংশৰ এক নতুন বছৰ। প্ৰিন্সিপাল এছিষ্টেণ্টৰ নিয়ন্ত্ৰণাধীন এক নতুন বছৰ।

<u>**টেইলপিচ**</u> ঃ এই লানি নিৰন্ধৰ অভ্যন্তৰলৈ প্ৰৱেশ কৰি অসংখ্যজনে মোৰ ম'বাইল নম্বৰত যোগাযোগ কৰিছে। সকলোটিলৈকে কৃতজ্ঞতা জনাই উল্লেখ কৰিছো ঃ হোৱাটছএপ যোগেৰে 'দৈনিক অগ্ৰদূত'ৰ এই নিৰন্ধ প্ৰকাশ পোৱা পূৰ্বানুৱৰ্তী খণ্ডসমূহ পঢ়িবলৈ আগ্ৰহ প্ৰকাশ কৰিছে-কামপুৰৰ পংকজ হীৰা, দিল্লী বিশ্ববিদ্যালয়ৰ আদিত্য ৰাহী, ডিব্ৰুগড়ৰ বিশিষ্ট লেখিকা গৌৰিকা বৰুৱা আহমেদ, অধিবক্তা মনীষ দাস, লেখক দুলাল বৰা, ৰূপহীৰ আনোৱাৰ ছিদ্দিক, ইণ্ডিয়ান অইল কৰ্প'ৰেছনৰ বিষয়া চৈয়দ নুৰুল ৰহমান, কেলিফৰ্ণিয়াৰ প্ৰণৱ শৰ্মা, পাঠশালাৰ জিতুমনি দত্ত কলিতাই। ডিব্ৰুগড়ৰ কাষৰীয়া বৰবৰুৱা চাহ বাগিচাৰ পৰা বলাৰিন্দৰ সিঙে দিনিক অগ্ৰদূত নিয়মীয়াকৈ পঢ়াৰ অভ্যাস কৰিছে বুলি জনাইছে। ধাৰাবাহিকখনি নিয়মিত পঢ়াৰ প্ৰতিশ্ৰুতি দিয়া শ্ৰী সিঙে ইংৰাজী ভাষাত কথা-বতৰা পাতে যদিও অসমীয়া বাতৰি কাকত নিয়মিত পঢ়িবলৈ অভ্যাস কৰাটোৱে হেজাৰ-বিজাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীক নিশ্চয় উদ্বেলিত কৰিব যি নিজে অসমীয়া হৈয়ো অসমীয়া ভাষা লিখিব-পঢ়িব নাজানে বুলি গৌৰৱ কৰে। আশা কৰো বলৰিন্দৰ সিঙৰ উদাহৰণ গ্ৰহণ কৰি নিজৰ দৰ্প আজিৰ পৰাই তেওঁলোকে দলিয়াই পেলাব। বৰপেটাৰ প্ৰবীন পাঠকে ডিবৰু প্ৰসংগত কে'বাটিও প্ৰশ্ন সুধিছে। আশাকৰো পৰৱৰ্তী খণ্ডসমূহত পাঠকে উত্তৰ লাভ কৰিব।

*ফোন ঃ ৯৪৩৫০-২৮০০৮*

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

## ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ



## আমেৰিকাৰ বিদ্যালয়ত গুলিবৰ্ষণ নাবালক ছাত্ৰৰ, নিহত কমেও তিনিজন



**নিউজ ব্যুৰ', মিচিগান, ১ ডিচেম্বৰ ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত হ'ল আমেৰিকা। মঙলবাৰে মিচিগানৰ এখন বিদ্যালয়ত গুলিবৰ্ষণ কৰিলে এজন ছাত্ৰই। ডেট্ৰয়েটৰ উত্তৰত থকা অক্সফ'ৰ্ড হাইস্কুলত সহপাঠীক গুলিবৰ্ষণ কৰিলে এজন ১৫ বছৰীয়া ছাত্ৰই। এই গুলিকাণ্ডত তিনিজন লোকৰ মৃত্যু হ'ল। ঘটনাত শিক্ষকসহ কে'বাজনো লোক গুৰুতৰভাৱে আহত হয়। আক্ৰমণৰ পাছত অভিযুক্তই আৰক্ষীৰ আগত আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে অভিযুক্তৰ পৰা এটা ছেমি-অট'মেটিক বন্দুক জব্দ কৰিছে।

## পেৰিছ-ছিংগাপুৰ নহয়, বিশ্বৰ সবাতোকৈ মহঙা চহৰ এতিয়া এইখনহে

**নিউজ ব্যুৰ', লণ্ডন, ১ ডিচেম্বৰ ঃ** লণ্ডনৰ ইক'নমিষ্ট ইণ্টেলিজেন্স ইউনিটে বিশ্বৰ সবাতোকৈ মহঙা চহৰৰ তালিকা প্ৰকাশ কৰিলে। এইবাৰ বিশ্বৰ সবাতোকৈ ব্যয়বহুল চহৰৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিব নোৱাৰিলে পেৰিছ আৰু ছিংগাপুৰে। এইবাৰৰ সমীক্ষাত বিশ্বৰ মহঙা চহৰ হিচাপে তালিকাত শীৰ্ষস্থান লাভ কৰিলে ইজৰাইলৰ চহৰ তেল আভিভে। এই চহৰখনত শেহতীয়াভাৱে মূল্যবৃদ্ধিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ ফলত জীৱন ধাৰণ বিশ্বৰ ভিতৰতে সবাতোকৈ ব্যয়বহুল হৈছে।



তেল আভিভত সম্প্ৰতি পৰিবহণ ব্যয় বৃদ্ধি পোৱাৰ লগতে নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ মূল্যও যথেষ্ট ঊৰ্দ্ধমুখী হৈছে। ফলত তেল আভিভত বসবাস কৰাটো সাম্প্ৰতিক বিশ্বত যথেষ্ট ব্যয়বহুল হৈছে। বিশ্বৰ সবাতোকৈ ব্যয়বহুল চহৰৰ এইবাৰৰ তালিকাত যৌথভাৱে দ্বিতীয় স্থান লাভ কৰিলে পেৰিছ আৰু ছিংগাপুৰে। ইয়াৰ পাছত তালিকাখনত মহঙা চহৰ হিচাপে স্থান লাভ কৰিছে জুৰিখ, হংকং, নিউ য়ৰ্ক, জেনেভা, কপেনহেগেন, লছ এঞ্জেলছ, অ'ছাকা। ২০২০ৰ তালিকাত বিশ্বৰ সবাতোকৈ মহঙা চহৰ হিচাপে পেৰিছ, জুৰিখ আৰু হংকঙে যৌথভাৱে প্ৰথম স্থান লাভ কৰিছিল।

## ২০২১ৰ অক্টোবৰত ১১৫ কাশ্মীৰি পণ্ডিতে কাশ্মীৰৰ পৰা কৰিলে পলায়ন



**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** বিগত কে'বামাহ ধৰি জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীয়ে সাধাৰণ নাগৰিক আৰু কাশ্মীৰি পণ্ডিতক আক্ৰমণৰ লক্ষ্য হিচাপে লোৱাৰ পাছত ১১৫ জন কাশ্মীৰি পণ্ডিতে কাশ্মীৰ ত্যাগ কৰিবলৈ বাধ্য হ'ল। এইসকল কাশ্মীৰি পণ্ডিতে নিজৰ পৰিয়ালসহ সম্প্ৰতি জম্মুত আশ্ৰয় গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসভাত দাখিল কৰা এক লিখিত প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি, যোৱা অক্টোবৰত ১১৫ কাশ্মীৰি পণ্ডিতে কাশ্মীৰৰ পৰা পলায়ন কৰিলে। কেন্দ্ৰীয় চৰকাৰে সংসদত দাখিল কৰা তথ্য অনুসৰি, যিসকল কাশ্মীৰি পণ্ডিতে শেহতীয়াভাৱে কাশ্মীৰ ত্যাগ কৰি জম্মুলৈ গ'ল তেওঁলোক সকলো চৰকাৰী কৰ্মচাৰী আছিল।

## এপ্ৰিলৰ পাছত নৱেম্বৰত দ্বিতীয় সৰ্বাধিক জি এছ টি সংগ্ৰহ





**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** কৰ'নাৰ সংক্ৰমণৰ মাজতো দেশৰ অৰ্থনৈতিক কাম-কাজ সঠিক দিশত অগ্ৰসৰ হৈছে। যোৱা নৱেম্বৰত ভাৰতত সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) সংগ্ৰহৰ বৃদ্ধি পাই ১.৩১ লাখ কোটিৰ অধিক হ'ল। এবছৰৰ পূৰ্বৰ তুলনাত দেশত নৱেম্বৰত জি এছ টি সংগ্ৰহৰ পৰিমাণ ২৫ শতাংশ বৃদ্ধি পালে। জুলাই ২০১৭ত দেশত জি এছ টি ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত দ্বিতীয়বাৰৰ বাবে সৰ্বাধিক পৰিমাণৰ জি এছ টি সংগ্ৰহ কৰিলে চৰকাৰে। ইয়াৰ পূৰ্বে ২০২১ৰ এপ্ৰিলত সৰ্বাধিক পৰিমাণৰ জি এছ টি চৰকাৰে লাভ কৰিছিল। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, যোৱা মাহত দেশত মুঠ সংগ্ৰহ হোৱা জি এছ টিৰ পৰিমাণ আছিল ১,৩১,৫২৬ কোটি টকা। ইয়াৰে চি জি এছ টি ২৩,৯৭৮ কোটি টকা, এছ জি এছ টি ৩১,১২৭ কোটি টকা, আই জি এছ টি ৬৬,৮১৫ কোটি টকা আৰু উপকৰ ৯,৬০৬ কোটি টকা আছিল।

## বিগত পাঁচ বছৰত ছয় লক্ষাধিক ভাৰতীয়ৰ নাগৰিকত্ব ত্যাগ ঃ দেশত এন আৰ চি প্ৰস্তুতকৰণৰ সিদ্ধান্ত লোৱা নাই

# দৈনিক ৩০০ ভাৰতীয়ৰ ত্যাগ নাগৰিকত্ব, ৪১৭৭ জনক নাগৰিকত্ব প্ৰদান

**নিউজ ব্যুৰ' নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** বিগত পাঁচ বছৰত ছয় লাখৰো অধিক ভাৰতীয়ই নিজৰ নাগৰিকত্ব ত্যাগ কৰিলে। অৰ্থাৎ গড় হিচাপত যোৱা পাঁচ বছৰত দৈনিক প্ৰায় ৩০০ জন ভাৰতীয়ই নাগৰিকত্ব ত্যাগ কৰিছিল। এই চাঞ্চল্যকৰ তথ্য লোকসভাত দাখিল কৰিলে কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে। কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি, যোৱা পাঁচ বছৰত ছয় লাখৰো অধিক লোকে ভাৰতৰ নাগৰিকত্ব ত্যাগ কৰিছে। ৰায়ে লগতে কয় যে বৈদেশিক মন্ত্ৰণালয়ৰ হাতত উপলব্ধ তথ্য অনুসৰি মুঠ ১,৩৩,৮৩,৭১৮ জন ভাৰতীয় নাগৰিক বৰ্তমানে বিদেশত আছে। সদনত এক লিখিত প্ৰশ্নৰ উত্তৰ দি গৃহ ৰাজ্যমন্ত্ৰীজনে কয় যে ২০১৭ বৰ্ষত ১,৩৩,০৪৯ ভাৰতীয়ই নাগৰিকত্ব ত্যাগ কৰিছিল। ২০১৮ বৰ্ষত ১,৩৪,৫৬১ জন, ২০১৯ত ১,৪৪,০১৭ জন, ২০২০ত ৮৫,২৪৮ জন আৰু চলিত বৰ্ষত ৩০ ছেপ্টেম্বৰলৈকে ১,১১,২৮৭ জন ভাৰতীয়ই নিজৰ নাগৰিকত্ব



ত্যাগ কৰিলে। সদনত দেশত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) প্ৰৱৰ্তনৰ সন্দৰ্ভত চৰকাৰৰ স্থিতি দাঙি ধৰি মন্ত্ৰী ৰায়ে তৃণমূল কংগ্ৰেছৰ সাংসদ মালা ৰায়ে উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰ দি কয় যে বৰ্তমানলৈকে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জীয়ন প্ৰস্তুতকৰণৰ কোনো সিদ্ধান্ত লোৱা নাই।

গৃহ ৰাজ্যমন্ত্ৰীজনে লোকসভাত কয় যে বিগত পাঁচ বছৰত ১০,৬৪৫ জন লোকে ভাৰতীয় নাগৰিকত্ব বিচাৰি আবেদন দাখিল কৰিছিল। এইসকল আবেদনকাৰীৰ ৪১৭৭ জনে ভাৰতৰ নাগৰিকত্ব লাভ কৰিছে। ভাৰতৰ নাগৰিকত্ব বিচাৰি আবেদন দাখিল কৰা লোকসকলৰ ৭৭৮২ জন পাকিস্তানৰ, ৭৯৫ জন আফগানিস্তানৰ, ২২৭ জন আমেৰিকাৰ আৰু ১৮৪ জন বাংলাদেশৰ আবেদনকাৰী। ২০১৬ বৰ্ষত ১১০৬ জন লোকক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছিল। ২০১৭ত ৮১৭ জন, ২০১৮ বৰ্ষত ৬২৮ জন, ২০১৯ বৰ্ষত ৯৮৭ জন আৰু ২০২০ বৰ্ষত ৬৩৯ জন লোকক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছিল বুলি কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীজনে সদনক অৱগত কৰে।

## দেশত দৈনিক সংক্ৰমণ বৃদ্ধি, ২৬৭ জনৰ মৃত্যু



**নিউজ ব্যুৰ' নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** দেশত অ'মিক্ৰন আতংক অব্যাহত থকাৰ সময়তে বৃদ্ধি পালে কৰ'নাৰ দৈনিক সংক্ৰমণ। মঙলবাৰৰ তুলনাত দেশত ক'ভিডত মৃতকৰ সংখ্যাও বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৮,৯৫৪ জন। আনহাতে, বিগত এদিনত ক'ভিডত প্ৰাণ হেৰুৱালে ২৬৭ জন লোকে। ইফালে, বুধবাৰে দক্ষিণ আফ্ৰিকা আৰু অন্যান্য অ'মিক্ৰন আক্ৰান্ত দেশৰ পৰা মহাৰাষ্ট্ৰলৈ উভতি অহা ছজন লোকৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰিলে। অৱশ্যে এই ছজন লোক অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ তথ্য এতিয়ালৈকে নিশ্চিত হোৱা নাই।

## টিকা নল'লে কেৰালাত বিনামূলীয়া নহ'ব কৰ'নাৰ চিকিৎসা



**নিউজ ব্যুৰ' তিৰুঅনন্তপুৰম, ১ ডিচেম্বৰ ঃ** কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ নকৰা লোকৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত ল'লে কেৰালা চৰকাৰে। আজি পিনাৰাই বিজয়ৰ চৰকাৰে ঘোষণা কৰা অনুসৰি, এতিয়াৰে পৰা কেৰালাত কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ নকৰা লোকসকলক এই ৰোগত আক্ৰান্ত হ'লে চিকিৎসা সেৱা বিনামূল্যে আগবঢ়োৱা হ'ব। অৰ্থাৎ টিকা নোলোৱা লোক ক'ভিড-১৯ত আক্ৰান্ত হ'লে সমগ্ৰ চিকিৎসা ব্যয় নিজে বহন কৰিব লাগিব। টিকাকৰণ অভিযানক অধিক ব্যাপক কৰি তুলিবলৈ বিজয়ন চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিলে।

# বিপদ বাঢ়িছে ঃ ২০ খন দেশলৈ বিয়পিল অ'মিক্ৰনৰ সংক্ৰমণ

### ব্ৰিটেইনত অ'মিক্ৰনৰ সৰ্বাধিক সংক্ৰমণ, ফ্ৰান্সৰ মন্ত্ৰীয়ে দিলে সকীয়নি



**নিউজ ব্যুৰ', লণ্ডন, ১ ডিচেম্বৰ ঃ** লণ্ডনত শেহতীয়াভাৱে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত দুজন ৰোগীক পুনৰ চিনাক্ত কৰা হ'ল। বৰ্তমানলৈকে ব্ৰিটেইনত ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্তৰ সংখ্যা ২৮ জনলৈ বৃদ্ধি পালে। ব্ৰিটেইনৰ স্বাস্থ্য বিভাগে আজি এই কথা ৰাজহুৱা কৰে। ইফালে, ফ্ৰান্সৰ স্বাস্থ্যমন্ত্ৰীয়ে দেশখনৰ মহামাৰী পৰিস্থিতি জটিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিকসকলক সতৰ্ক হ'বলৈ পৰামৰ্শ দিলে। বিশ্বত বৰ্তমানলৈকে ২৬ কোটিৰো অধিক লোক কৰ'নাত আক্ৰান্ত হৈছে আৰু এই মাৰাত্মক ভাইৰাছে বিভিন্ন দেশত ৫২ লাখৰো অধিক লোকৰ প্ৰাণ কাঢ়িলে। আজি ব্ৰিটিছ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰি লণ্ডনলৈ উভতি অহা দুজন যাত্ৰীৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিলে। ইফালে, সোমবাৰে স্কটলেণ্ডত এই প্ৰজাতিত সংক্ৰমিত আন ছজন ৰোগীৰ সন্ধান লাভ কৰা হৈছিল। ফ্ৰান্সত মঙলবাৰে ৪৭,১৭৭ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছিল। এনে জটিল পৰিস্থিতিৰ মাজত অ'মিক্ৰনৰ সংক্ৰমণৰ শংকাই ফ্ৰান্সবাসীক উদ্বিগ্ন কৰি তুলিছে।

**নিউজ ব্যুৰ', জেনেভা, ১ ডিচেম্বৰ ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণে সমগ্ৰ বিশ্বলৈ নতুন বিপদ মাতি আনিছে। ক'ভিড-১৯ৰ এই নতুন দ্ৰুত সংক্ৰমণকাৰী প্ৰজাতিক লৈ ইতিমধ্যে সমগ্ৰ বিশ্ব চিন্তিত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি, বুধবাৰলৈকে বিশ্বৰ কমেও ২০ খন দেশত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিলে। এনে পৰিস্থিতিত ক'ভিড মহামাৰীয়ে পুনৰ ভয়াৱহ ৰূপ ধাৰণ কৰিব নেকি বুলি বিশ্বজুৰি প্ৰশ্ন উত্থাপিত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে প্ৰতিখন দেশকে নতুন প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণৰ সন্দৰ্ভত অধিক সতৰ্ক হ'বলৈ পৰামৰ্শ দিছে। বিজ্ঞানীসকলে প্ৰকাশ কৰা অনুসৰি, অ'মিক্ৰন প্ৰজাতি হৈছে পূৰ্বে চিনাক্ত হোৱা ক'ভিডৰ আন প্ৰজাতিৰ তুলনাত অধিক সংক্ৰামক। অৱশ্যে এতিয়াও অ'মিক্ৰনৰ মাৰণ ক্ষমতা জানিব পৰা হোৱা নাই। কিন্তু দ্ৰুত সংক্ৰামক পূৰ্বে ধৰা পৰা ক'ভিড প্ৰজাতিৰ মাৰণ ক্ষমতা অধিক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অ'মিক্ৰনো ইয়াৰ ব্যতিক্ৰম নহ'ব পাৰে বুলি গৱেষকসকলে শংকা প্ৰকাশ কৰিছে।



আমেৰিকাই অ'মিক্ৰন প্ৰতিৰোধৰ বাবে ইতিমধ্যে সকলো আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ প্ৰস্থানৰ ২৪ ঘণ্টাৰ পূৰ্বে ক'ভিড পৰীক্ষণৰ 'নিগেটিভ' প্ৰতিবেদন দাখিল কৰাটো বাধ্যতামূলক কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই কালি অ'মিক্ৰন যথেষ্ট বিপজ্জনক বুলি মন্তব্য কৰি ৬০ ঊৰ্দ্ধৰ বয়সৰ লোকক সম্প্ৰতি ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিছিল। ইফালে, গ্ৰীচ চৰকাৰে ৬০ ঊৰ্দ্ধৰ বয়সৰ লোকৰ বাবে ক'ভিড-১৯ৰ টিকাকৰণ বাধ্যতামূলক ঘোষণা কৰিলে। গ্ৰীচত অহা ১৬ জানুৱাৰীৰ ভিতৰত প্ৰতিষেধকৰ প্ৰথমটো পালি নোলোৱা ব্যক্তিক জৰিমনা বিহা হ'ব।

## কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্নাতক-স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত হ'ব চি আই টি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি দেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা ৰাষ্ট্ৰীয় পৰীক্ষণ প্ৰতিষ্ঠান (এন টি এ)ৰ জৰিয়তে কমন এনট্ৰেন্স টেষ্ট (চি আই টি) অনুষ্ঠিত কৰা হ'ব পাৰে। ইউ জি চিয়ে লগতে কয় যে পি এইচ ডি পাঠ্যক্ৰমত নামভৰ্তিৰ ক্ষেত্ৰতো যিমানদূৰ সম্ভৱ 'নেট' পৰীক্ষাৰ নম্বৰ প্ৰযোজ্য হ'ব। উল্লেখ্য যে ৰাষ্ট্ৰীয় শিক্ষানীতিত দেশৰ সকলোবোৰ বিশ্ববিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত এটা কেন্দ্ৰীয় প্ৰৱেশ পৰীক্ষা



অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল। এই পৰামৰ্শ অনুসৰি ইউ জি চিয়ে ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা দেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে চি আই টি অনুষ্ঠিত কৰিব বিচাৰিছে। এই সন্দৰ্ভত ইতিমধ্যে আয়োগে এখন সমিতি গঠন কৰিছে।

## পাঁচ মিনিট নিষিদ্ধ ছবি উপভোগ কৰা শিশুক ১৪ বছৰৰ কাৰাদণ্ড উত্তৰ কোৰিয়াত

**নিউজ ব্যুৰ', পিয়ংইয়ং, ১ ডিচেম্বৰ ঃ** উত্তৰ কোৰিয়াত এজন ১৪ বছৰীয়া ছাত্ৰক এখন নিষিদ্ধ ছবি উপভোগ কৰাৰ অভিযোগত যোৱা সাত নৱেম্বৰত গ্ৰেপ্তাৰ কৰা হৈছিল। দক্ষিণ কোৰিয়াত নিৰ্মাণ কৰা এইখন ছবিৰ নাম আছিল 'দ্য আংকল'। উল্লেখ্য যে উত্তৰ কোৰিয়াত দক্ষিণ কোৰিয়াৰ ছবি উপভোগ কৰাটো প্ৰচলিত আইন অনুসৰি এক অপৰাধ। যোৱা মাহৰ প্ৰথম সপ্তাহতে হাইচন চিটি স্কুলত অধ্যয়নৰত এজন ছাত্ৰক দক্ষিণ কোৰিয়াৰ ছবি মাত্ৰ পাঁচ মিনিট সময় উপভোগ কৰাৰ অভিযোগত উত্তৰ কোৰিয়াৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ছাত্ৰজনক এই অপৰাধৰ বাবে কীম জং উনৰ প্ৰশাসনে ১৪ বছৰৰ কাৰাদণ্ড বিহিলে।



# পঞ্জাৱত কংগ্ৰেছ-আপক বাধা দিবলৈ অমৰিন্দৰৰ নেতৃত্বত গঠন হ'ব পাৰে নতুন মৰ্চা

**নিউজ ব্যুৰ' চণ্ডীগড়, ১ ডিচেম্বৰ ঃ** পঞ্জাৱত অহা বছৰত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ আৰু আম আদমী পাৰ্টি (আপ)ক ক্ষমতা দখলৰ পৰা আঁতৰাই ৰাখিবলৈ কেপ্টেইন অমৰিন্দৰ সিঙৰ নেতৃত্বত এক নতুন মৰ্চা গঠনৰ সম্ভাৱনা আছে। প্ৰকাশিত বাতৰি অনুসৰি, অমৰিন্দৰে মূলতঃ কংগ্ৰেছ-আপক প্ৰত্যাহ্বান জনাবলৈ শিৰোমণি আকালী দল (বাদল), বিজেপি আৰু বহুজন সমাজ পাৰ্টিৰ



স'তে মৰ্চা গঠনৰ প্ৰস্তুতি চলাইছে। এই চাৰি দল একত্ৰিত হ'লে পঞ্জাৱৰ বিধানসভাৰ আগন্তুক নিৰ্বাচনত কংগ্ৰেছ আৰু আপ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। সূত্ৰৰ খবৰ অনুসৰি, অচিৰে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অমৰিন্দৰ সিঙৰ ৰাজনৈতিক দলটোৱে স্বীকৃতি লাভ কৰিব আৰু ইয়াৰ পাছতে পঞ্জাৱৰ লোক কংগ্ৰেছ দলে বিজেপিৰ স'তে মৰ্চাত আবদ্ধ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছত অমৰিন্দৰৰ পৰিকল্পনা অনুসৰি, বিজেপিৰ সংগ ত্যাগ কৰা আকালী দলক পুনৰ এই মৰ্চালৈ অনা হ'ব। বহুজন সমাজ পাৰ্টিয়ে পূৰ্বৰে পৰা আকালী দলৰ সমৰ্থনত আছে।

## ৩২ লাখ টকাৰ বিত্তীয় প্ৰৱঞ্চনাৰ গোচৰত আমিশালৈ গ্ৰেপ্তাৰী পৰোৱানা



**নিউজ ব্যুৰ'. ভূপাল, ১ ডিচেম্বৰ ঃ** আইনী বিপাকত পৰিল বলিউডৰ অভিনেত্ৰী আমিশা পেটেল। প্ৰায় ৩২ কোটি টকাৰ বিত্তীয় প্ৰৱঞ্চনাৰ অভিযোগ উত্থাপিত হৈছে অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে। আমিশাৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছে ইউ টি এফ টেলিফিল্ম প্ৰাইভেট লিমিটেডে। সংস্থাটোৱে ভূপালৰ জিলা আৰু সত্ৰ আদালতত উত্থাপন কৰা অভিযোগ অনুসৰি, চিনেমা নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতিৰে নিজৰ প্ৰযোজনা সংস্থাৰ নামত ৩২ লাখ ২৫ হেজাৰ টকা আমিশাই লৈছিল আৰু পাছত উক্ত ধন তেওঁ চেকৰ মাধ্যমৰে উভতাই দিছিল। কিন্তু উক্ত চেক বাউন্স হৈছিল। ইয়াৰ পাছতে অভিনেত্ৰীৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হয় ইউ টি এফ প্ৰতিষ্ঠান। ভূপালৰ আদালতে ইতিমধ্যে আমিশাৰ বিৰুদ্ধে জামিনযোগ্য ধাৰাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ লগতে অহা চাৰি ডিচেম্বৰৰ ভিতৰত ভূপালৰ আদালতত তেওঁক হাজিৰ হ'বলৈ নিৰ্দেশ দিলে।

## পাকিস্তানত প্ৰদান কৰা হ'ব ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক



**নিউজ ব্যুৰ', ইছলামাবাদ, ১ ডিচেম্বৰ ঃ** পাকিস্তান চৰকাৰে আজি কৰ'না প্ৰতিষেধকৰ বুষ্টাৰ পালি প্ৰদানৰ বাবে অনুমোদন জনালে। প্ৰথম পৰ্যায়ত দেশখনত স্বাস্থ্যকৰ্মী, ৰোগ প্ৰতিৰোধক ক্ষমতা কম থকা ব্যক্তি আৰু ৫০ ঊৰ্দ্ধৰ বয়সৰ লোকক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। নেচনেল কমাণ্ড এণ্ড অপাৰেচন চেণ্টাৰে আজি এক বিবৃতিৰ জৰিয়তে এই কথা ঘোষণা কৰে। ক'ভিডৰ দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণৰ ছমাহ পাছত বুষ্টাৰ প্ৰতিষেধক দিয়া হ'ব। অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ চিনাক্তকৰণৰ পাছত পাকিস্তান চৰকাৰে টিকাকৰণত বিশেষ গুৰুত্ব আৰোপ কৰি বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত ল'লে।



## মাত্ৰ এবছৰৰ প্ৰস্তুতিৰে ২২ বছৰ বয়সতে আই এ এছ বিষয়া হ'ল এই যুৱতী

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত অসামৰিক সেৱাৰ পৰীক্ষা (আই এ এছ) যথেষ্ট প্ৰতিযোগিতামূলক আৰু কঠিন হিচাপে পৰিচিত। সাধাৰণতে আই এ এছৰ দৰে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ শিক্ষাৰ্থীসকলে কে'বা বছৰ ধৰি প্ৰস্তুতি চলায়। কিন্তু একাংশ প্ৰাৰ্থীয়ে পৃথক ৰণনীতি আৰু কঠোৰ পৰিশ্ৰমৰে প্ৰথম প্ৰয়াসতে এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতামূলক নিয়োগ পৰীক্ষাত সফলতা অৰ্জন কৰি আহিছে। এনে এগৰাকী ব্যতিক্ৰমী আই এ এছ বিষয়া হ'ল উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ নিবাসী অনন্যা সিং। মাত্ৰ এবছৰৰ প্ৰস্তুতিৰে প্ৰথম প্ৰয়াসতে আই এ এছ পৰীক্ষাত সফলতা অৰ্জন কৰিছিল অনন্যাই। দশম শ্ৰেণীত ৯৬ শতাংশ, দ্বাদশত ৯৮.২৫ শতাংশ নম্বৰ লাভ কৰা অনন্যাই পাছত দিল্লীৰ শ্ৰীৰাম কলেজ অৱ কমাৰ্চত অৰ্থনীতি বিষয়ত স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিছিল। অনন্যাই শৈশৱৰ পৰাই আই এ এছ বিষয়া হ'ব বিচাৰিছিল আৰু তেওঁ স্নাতক তৃতীয় বৰ্ষতে আই এ এছ পৰীক্ষাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল। দৈনিক সাত-আঠঘণ্টা ধৰি অধ্যয়ন কৰা অনন্যাই এবছৰ ধৰি এইদৰে নিজকে ইউ পি এছ চিৰ পৰীক্ষাৰ বাবে সাজু কৰিছিল আৰু ২০১৯ত প্ৰথমবাৰ এই পৰীক্ষাত অৱতীৰ্ণ হৈ মাত্ৰ ২২ বছৰতে আই এ এছ বিষয়া নিৰ্বাচিত হৈছিল এইগৰাকী যুৱতী। উল্লেখ্য যে উক্ত বৰ্ষত অনন্যাই আই এ এছত ৫১ সংখ্যক স্থান লাভ কৰিছিল আৰু সম্প্ৰতি তেওঁ পশ্চিমবংগত আমোলা হিচাপে কৰ্মৰত। আই এ এছ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা পৰীক্ষাৰ্থীসকলক পৰামৰ্শ দি অনন্যাই কয় যে বিগত বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত নিয়মীয়াকৈ অনুশীলন কৰাৰ লগতে সকলো বিষয় পুংখানুপুংখভাৱে অধ্যয়নৰ অভ্যাস কৰিলে এই পৰীক্ষাত সহজে সফলতা অৰ্জন কৰিব পাৰি।

## পুলৱামাত দুই পাকিস্তানী সন্ত্ৰাসবাদী সেনাৰ অভিযানত নিহত



**নিউজ ব্যুৰ', জম্মু, ১ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ পুলৱামা জিলাত নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষত ধৰাশায়ী হ'ল দুজন পাকিস্তানী সন্ত্ৰাসবাদী। মৃত দুই সন্ত্ৰাসবাদীৰ এজন হৈছে জইছ-ই-মহম্মদৰ দুৰ্ধৰ্ষ সদস্য য়াছিৰ পাৰে। আই ই ডি প্ৰস্তুতকৰণৰ বাবে য়াছিৰ কুখ্যাত আছিল। নিহত আনজন পাকিস্তানী সন্ত্ৰাসবাদীৰ নাম ফুৰকান বুলি জানিব পৰা গৈছে। দীৰ্ঘদিন ধৰি এই দুই পাক সন্ত্ৰাসবাদী অঞ্চলটোত সক্ৰিয় হৈ আছিল। ৰাজপুৰাত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ খবৰ লাভৰ পাছত যোৱা নিশা অভিযান চলোৱাৰ সময়ত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিৰ পাছত অঞ্চলটোৰ পৰা দুজন পাক সন্ত্ৰাসবাদীৰ মৃতদেহ সেনাই উদ্ধাৰ কৰে।

# আৰক্ষীয়ে জুৱাৰীক ফোন কৰি কয় আমি আহি আছো ঃ তালুকদাৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ ডিচেম্বৰ ঃ** 'আৰক্ষীয়ে ঠায়ে ঠায়ে জুৱাৰীক আগতীয়াকৈ ফোন কৰি কয় আমি আহি আছো।' আজি বৰপেটা আৰু বাগ্‌সা জিলাৰ সীমামূৰীয়া গোৱৰ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত বগুৰিগুৰী গাঁও পঞ্চায়তৰ বগুৰিগুৰী পথাৰত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত তিনি লক্ষাধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এটি কেনেলৰ আধাৰশিলা অনুষ্ঠানত এই মন্তব্য কৰে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে। শিলান্যাস কৰি বিধায়কজনে কয় যে আৰক্ষী আৰু জুৱাৰীৰ মাজত ঘনিষ্ঠতা থকাৰ বাবেই জুৱা পতাৰ দৰে কৰ্ম কৰিবলৈ জুৱাৰীয়ে সাহস গোটাব পাৰিছে। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বিধায়কজনে বিগত ১০ বছৰে সংখ্যালঘু অঞ্চলত বিজেপি বিধায়কজনে কোনো উন্নয়নেই নকৰিলে বুলি আক্ষেপ প্ৰকাশ কৰে। তেওঁ সৰভোগ আৰু খাৰিজা বিজনী সংযোগী নলঝাৰা নদীৰ ওপৰত ২৮ কোটি টকা ব্যয় সাপেক্ষে এখন দলং নিৰ্মাণ হোৱাৰ সপোন প্ৰায় বাস্তৱত পৰিণত হোৱা কথা উল্লেখ কৰি কয় যে এই ক্ষেত্ৰত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মাজে মাজে বিধি-পথালি দি আহিছে। অনুষ্ঠানত জিলা পৰিষদৰ প্ৰাক্তন সদস্য কমলা বৰ্মন, পঞ্চায়ত সভাপতি ফাৰুক আব্দুলা আহমেদ প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে।



## বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**বৰমা, ১ ডিচেম্বৰ ঃ** যোৰহাটত প্ৰহাৰত মৃত্যু হোৱা ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক অনিমেষ ভূএঞাৰ মৃত্যুত আজি বৰমা আঞ্চলিক ছাত্ৰ সন্থাই শোক প্ৰকাশৰ লগতে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন কৰে। অবিভক্ত নলবাৰী জিলাৰ বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত ছাত্ৰকৰ্মী আৰু স্থানীয় একাংশ লোকৰ সহযোগত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সমাপন কৰে। হত্যাকাণ্ডৰ লগত জড়িত ব্যক্তিসকল যাতে আইনৰ সুৰুঙাৰে সাৰি যাব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনায় ছাত্ৰ সংগঠনটোৱে।

# মুছলপুৰত বিশ্ব এইডছ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১ ডিচেম্বৰ ঃ** বাগ্‌সা জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু দীঘলদোঙাৰ বিচি বিদ্যাপীঠ এম ই স্কুলত আজি বিশ্ব এইডছ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে দীঘলদোঙা অঞ্চলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে এইডছ সজাগতা সমদল উলিয়ায়। ইয়াৰ পাছতে বিদ্যালয়ত এখন সজাগতা সভাও অনুষ্ঠিত হয়। উক্ত সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক শশীন্দ্ৰ ঠাকুৰীয়া, জিলা স্বাস্থ্য সমিতিৰ পৰা দেৱেন্দ্ৰ ভূষণ শৰ্মা, পৰেশ শৰ্মাই এইডছৰ ভয়াৱহতা আৰু প্ৰতিৰোধৰ উপায় সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। তেওঁলোকে কয় যে এই বছৰৰ বিশ্ব এইডছ দিৱসৰ মূল বিষয় হ'ল 'সমাজৰ পৰা বৈষম্য আঁতৰ হওক, এইডছৰ ভয়াৱহতা শেষ হওক আৰু মহামাৰীৰ অৱসান হওক।' কি কি উপায়েৰে এজন ব্যক্তিৰ পৰা আন এজনলৈ বিয়পে সেই সম্পৰ্কেও বক্তব্য আগবঢ়ায়। তেওঁলোকে কয় যে এইছআইভি ৰোগ প্ৰতিৰোধ কৰিবলৈ এক জনসজাগতাৰ দৰকাৰ। শিক্ষকসকলে এই দিশত আগবাঢ়িলে অধিক ফলপ্ৰসূ ফলাফল ওলাব।




ইফালে, বিশ্ববাসীক এইডছৰ বিষয়ে সজাগ কৰা, সতৰ্ক কৰা, এইছআইভি প্ৰতিৰোধ সম্পৰ্কে জনসচেতনতা বৃদ্ধি আৰু এইছআইভি আক্ৰান্ত সকলো ব্যক্তিকে সমমৰ্যাদা প্ৰদান কৰি উপযুক্ত চিকিৎসা আগবঢ়োৱাই এই দিৱসৰ উদ্দেশ্য বুলি কয় স্বাস্থ্য বিভাগৰ ব্লক কো-অৰ্ডিনেটৰ নীলোৎপল বৰঠাকুৰে। সজাগতা সভাত স্বাস্থ্য বিভাগৰ জিলা সংবাদ বিশেষজ্ঞ প্ৰশান্ত কুমাৰ দত্ত, মুছলপুৰ প্ৰেছ ক্লাবৰ সভাপতি কাৰ্তিক দাসেও উপস্থিত থাকে।

## কৃষি সামগ্ৰী ব্যৱসায়ীৰ প্ৰশিক্ষণৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**হাউলী, ১ ডিচেম্বৰ ঃ** অসম কৃষি বিদ্যালয়ৰ অন্তৰ্গত হাউলীস্থিত কৃষ বিজ্ঞান কেন্দ্ৰ বৰপেটা আৰু জিলা কৃষি বিভাগৰ যুটীয়া উদ্যোগত কৃষি বিজ্ঞান কেন্দ্ৰত যোৱা ১১ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা ১৫দিনীয়া দ্বিতীয় প্ৰশিক্ষণৰ কালি সামৰণি পৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিশেষজ্ঞ পিংকুধৰ বৰ্মনে প্ৰশিক্ষণৰ আৰম্ভণিৰ পৰা শেষলৈ মুঠ ৭১টা বিভিন্ন বিষয়ৰ পাঠদান হোৱাৰ লগতে হাতে-কামেও শিকোৱাৰ কথা অৱগত কৰে। উল্লেখ্য যে প্ৰশিক্ষণৰ সময়ছোৱাত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলৰ লগতে বিভিন্ন অনুষ্ঠানৰ পৰা ৩০ গৰাকী লোকে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি বৰপেটা জিলাৰ কৃষি সঞ্চালক মণিৰাম বৰ্মনে এই প্ৰশিক্ষণৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু জ্ঞানে কৃষি সামগ্ৰী ব্যৱসায়ীসকলক ব্যৱসায়ত যথেষ্ট সহায় কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানটোত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° অৰূপ কুমাৰ ডেকাই সঠিক পৰিমাণৰ কৃষি ৰাসায়নিক সাৰ আৰু দৰৱ প্ৰয়োগ কৰিবলৈ কৃষকসকলক উদগনি দিবলৈ আহ্বান জনায়।

# ৰামদিয়াত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠানত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**হাজো, ১ ডিচেম্বৰ ঃ** হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰামদিয়া ছাত্ৰ সন্থাৰ সহযোগত 'বিশেষ অভিনন্দন অনুষ্ঠান' আজি ৰামদিয়া শংকৰদেৱ শিশু বিদ্যানিকেতন প্ৰাংগণত অনুষ্ঠিত হয়। অনুষ্ঠানত নিকেতনৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা এটি সৰস্বতী বন্দনাৰে আৰম্ভণি কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। ইয়াৰ পাছতে আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাসে। মুকলি অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে কয় যে শংকৰদেৱ শিশু বিদ্যা নিকেতন আৰু অসম বিদ্যালয়ৰ নিচিনা অসমীয়া মাধ্যমৰ বিদ্যালয়ে শিক্ষা জগতখনত দেখুৱাই আহিছে অসমীয়া মাধ্যমত পঢ়িও ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত সফলতাৰ শীৰ্ষত উপনীত হ'ব পাৰি। প্ৰসংগক্ৰমে তেওঁ পুনৰ কয় যে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ সমান্তৰালভাৱে জাতীয় জীৱনৰ প্ৰতিও দায়িত্বশীল মনোভাৱ থাকিব লাগিব। শিপা হেৰুৱাই সমাজ কেতিয়াও আগবঢ়াই নিব নোৱাৰি। মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সমাজকৰ্মী তথা নিকেতন পৰিচালনা সমিতিৰ সভাপতি নৃপেন চন্দ্ৰ দাসে কয় যে কৰ্মমুখী পাঠ্যক্ৰম আহৰণত গুৰুত্ব দিব লাগিব। তেতিয়াহে ভয়াৱহ নিবনুৱা সমস্যাৰ সমাধানসূত্ৰ আহিব পাৰিব। সভাত অংশগ্ৰহণ কৰি সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে কয়, 'ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ ক্ষেত্ৰত লক্ষ থিৰ কৰিহে আগবাঢ়ি যাব লাগিব। এই মুকলি সভাতে বিদ্যালয়ৰ পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত ছেবাই ঘোষণা কৰা ফলাফলত অসমৰ এশজনৰ ভিতৰত স্থান লাভ কৰি ৰামদিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনলৈ গৌৰৱ কঢ়িয়াই অনা দীপৰঞ্জন ভৰালী আৰু অলকেশ দাসক জাপি, গামোচা, অভিনন্দনপত্ৰ আৰু ট্ৰফীৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত তিনি নম্বৰ পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সহকাৰী সাধাৰণ সম্পাদক ইমদাদুৰ ৰহমান, আশুতোষ বৰ্মনকে ধৰি কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। সভাৰ আঁত ধৰে নিকেতন পৰিচালনা সমিতিৰ সম্পাদক পৰমানন্দ ডেকাই।




## মিকিৰ বামুণী গ্ৰাণ্টত এজিউৰ পাৱাৰ কোম্পানীৰ চিকিৎসা শিবিৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** এজিউৰ পাৱাৰ কোম্পানীয়ে নগাঁও জিলাৰ বঢ়মপুৰ মিকিৰ বামুণী গ্ৰাণ্টত এক বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। শিবিৰটো পিআৰএছডি কোম্পানীয়ে এজিউৰ কোম্পানীৰ নিৰ্দেশত আয়োজন কৰে। শিবিৰটোত ৭৯ গৰাকী চিকিৎসকৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। শিবিৰত কোম্পানীৰ হৈ অখিলেশ সিং, দিনেশ তিৱাৰী, বিমল টেৰণ, বিশ্বজিৎ আদিয়ে অংশগ্ৰহণ কৰে।

## পথ দুৰ্ঘটনাত ব্যৱসায়ীৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত নমাটিত আজি সন্ধিয়া সাত বজাত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। নিহত লোকজনৰ নাম মনি কুমাৰ নাথ (৪৪)। বৃত্তিগতভাৱে এক ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী মনি কুমাৰ নাথ অতি অমায়িক আৰু সৰবৰহী ব্যক্তি আছিল। জামুগুৰি চাৰিআলি আৰু শেতালী সংযোগী পথৰ দাঁতিতে আছিল তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানখন। তেওঁ আজি সন্ধিয়া নিজৰ মটৰ চাইকেলেৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ডেৰ কিলোমিটাৰ নিলগৰ নমাটিৰ পৰা চাউল আনিবলৈ গৈছিল। সেই সময়ত নগাঁও-মৰিগাঁও পথৰে যোৱা এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে লোকজনক খুন্দিয়ায়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত মনি কুমাৰ নাথক নগাঁৰৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসালয়লৈ নিয়াৰ পথতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত লোকজনে পত্নী আৰু এজন পুত্ৰ সন্তানক এৰি যায়।

# নগাঁও সদৰ থানা অঞ্চলত এদিনতে ১০.২০ লাখ টকাৰ জৰিমনা সংগ্ৰহ

## ■ হেলমেট পৰিধান নকৰা মটৰ চাইকেল আৰোহীৰ বিৰুদ্ধে নগাঁৱত আৰক্ষীৰ অভিযান

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** নগাঁও আৰক্ষীয়ে আজিৰে পৰা যুদ্ধকালীন তৎপৰতাৰে হেলমেট পৰিধান নকৰা মটৰ চাইকেল আৰোহীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰিছে। আৰক্ষীৰ এই অভিযানৰ পাছতেই হাঁহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে একাংশ মটৰ চাইকেল আৰোহীৰ মাজত। নগাঁও আৰক্ষীয়ে আজি পুৱা ছয় বজাৰ নগাঁও সদৰ আৰক্ষী থানাৰ অঞ্চলাধীন উৰিয়াগাঁও, বৰঘাত বেবেজীয়া, পানীগাঁও, বৰবজাৰ, মৰিগাঁও বাছ ছিণ্ডিকেট, নতুন বজাৰ প্ৰমুখ্যে বিভিন্ন ঠাইত হেলমেট পৰিধান নকৰাসকলৰ বিৰুদ্ধে অভিযান অব্যাহত আৰম্ভ কৰে। উক্ত অভিযানত আৰক্ষীৰ জালত পৰিল হেলমেট নিপিন্ধাকৈ মটৰ চাইকেল চলোৱা বহুসংখ্যক লোক। আনহাতে, হেলমেট পিন্ধি অহা একাংশ আৰোহীও আৰক্ষীৰ জালত পৰিল। কাৰণ তেওঁ চলাই অহা মটৰ চাইকেলখনৰ পাছফালে বহাজনে হেলমেট পৰিধান কৰা নাই। ফলত ভৰিব লগা হ'ল জৰিমনা। ইয়াৰ উপৰি হেলমেট পিন্ধি নহা একাংশ আকৌ জৰিমনাৰ পৰা বাচিবলৈ বিভিন্ন অজুহাত দেখুওৱাৰ চেষ্টা চলায়ো বিফল হ'বলগীয়া হয়। অৱশ্যে হেলমেট পৰিধান নকৰা একাংশ পৰীক্ষাৰ্থীক ৰেহাই দিয়া হ'ল বুলি জানিবলৈ দিলে আৰক্ষীয়ে। অৱশ্যে কালি সন্ধিয়াৰ পৰা জাৰি কৰা নিৰ্দেশৰ পাছত আজি পুৱাতেই চলা এই অভিযানৰ সন্দৰ্ভত একাংশই প্ৰতিক্ৰিয়াও প্ৰকাশ কৰিছে। উল্লেখ্য যে হেলমেটৰ বিৰুদ্ধে আৰক্ষীৰ এই অভিযান তিনিমাহ পৰ্যন্ত চলিব বুলি জানিব পৰা গৈছে। আজিৰ দিনটোতে নগাঁও আৰক্ষীয়ে নগাঁও সদৰ আৰক্ষী থানাৰ অঞ্চলাধীন বিভিন্ন ঠাইত অভিযান চলাই হেলমেট অবিহনে মটৰ চাইকেল চলোৱা কিম্বা মটৰ চাইকেলৰ পাছফালে উঠি অহা লোকক এহেজাৰ টকাকৈ জৰিমনা বিহি সৰ্বমুঠ ১০ লাখ ২০ হেজাৰ টকা সংগ্ৰহ কৰা হয়।



## দৰঙত লোক কলাকৃষ্টি গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১ ডিচেম্বৰ ঃ** দৰঙী লোক কলা-কৃষ্টিসমূহৰ বিকাশ, সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ বাবে দৰঙত 'গৱেষণা প্ৰতিষ্ঠান' স্থাপনৰ দাবীৰে দৰঙী কলা-কৃষ্টি সংঘই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত এখন পাঁচদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ সপোনৰ গৰুখুঁটি কৃষি প্ৰকল্পৰ কে'বাখনো বহুমুখী আঁচনি আৰম্ভ কৰিবলৈ অহা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ হাতত স্মাৰকপত্ৰখন অৰ্পণ কৰি দৰঙী লোকশিল্পীৰ উত্তৰণৰ স্বাৰ্থত প্ৰতিটো দাবী মুখ্যমন্ত্ৰীয়ে সমাধান কৰিব বুলি দৰঙী কলাকৃষ্টি উন্নয়ন সংঘই আশা-প্ৰকাশ কৰিছে। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকা আৰু সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়া স্বাক্ষৰিত স্মাৰকপত্ৰত দৰঙী লোক কলাকৃষ্টিৰে সংপৃক্ত প্ৰতিগৰাকী লোকশিল্পীক এককালীন আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা, দৰঙী লোক কৃষ্টিসমূহ সাংস্কৃতিক সঞ্চালকালয়ৰ জৰিয়তে বাণীবন্ধনৰ ব্যৱস্থা, লোককৃষ্টিৰ দলসমূহক বাদ্য-যন্ত্ৰ, সাজপাৰ, অন্যান্য সা-সামগ্ৰী কিনাৰ লগতে উন্নয়ন সংঘৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তিনি কোটি টকাৰ এক পেকেজ আগবঢ়োৱা, দৰঙত প্ৰতিটো চৰকাৰী অনুষ্ঠানত লোক কৃষ্টি পৰিৱেশনৰ ব্যৱস্থা গ্ৰহণ আৰু জিলাখনত লোক কলাকৃষ্টি 'গৱেষণা প্ৰতিষ্ঠান' স্থাপনৰ দাবী জনোৱা হয়। স্মাৰকপত্ৰৰ প্ৰতিলিপি সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, স্থানীয় সাংসদ দিলীপ শইকীয়া আজি উপস্থিত থাকে। সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক কিশোৰ ঠাকুৰীয়া, জিলাখনৰ চাৰিওগৰাকী বিধায়ক ক্ৰমে ড° পৰমানন্দ ৰাজবংশী, বসন্ত দাস, দুৰ্গাদাস বড়ো, মজিবুৰ ৰহমান, উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা আৰু ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ বিষয়ালৈ প্ৰেৰণ কৰে।

## ফকিৰাগ্ৰাম মহাবিদ্যালয়ত নবাগত আদৰণি সভা অনুষ্ঠিত



অগ্ৰদূত বাৰ্তা

**দোতমা, ১ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম মহাবিদ্যালয়ত আজি নবাগত আদৰণি সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চানমিঞা আহমেদে। বৃক্ষৰোপণ কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত কুমাৰ সাহাই। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি দুপৰীয়া এখন মুকলি সভা অনুষ্ঠিত হয় আৰু উক্ত সভাতেই এখন গ্ৰন্থ উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰে শক্তি আশ্ৰম স্বামী যোগানন্দগিৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পৰেশ চন্দ্ৰ ৰায়ে।

## গৌৰাং হাইস্কুললৈ তিনি কোটিৰ অনুদান ঘোষণা বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১ ডিচেম্বৰ ঃ** নিজে পঢ়া বিদ্যালয়ত নিজৰ শিক্ষাগুৰুক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰি আজি নষ্টালজিক কোকৰাঝাৰ পূৱ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী। কোকৰাঝাৰ জিলাৰ ঐতিহ্যমণ্ডিত তথা ব্ৰিটিছে ১৯৩২তে স্থাপন কৰা গৌৰাং হাইস্কুলত আজি বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী কুসুম ব্ৰহ্ম মহিলাৰীয়ে অৱসৰ লোৱা উপলক্ষে বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। শিক্ষাগুৰুৰ অৱসৰকালীন সম্বৰ্ধনা উপলক্ষে সভাত উপস্থিত থাকি বিধায়ক ইছলাৰীয়ে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কুসুম ব্ৰহ্ম মহিলাৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। গৌৰাং হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি গিলবাৰ্ট বৰগয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত লৰেঞ্চ ইছলাৰীয়ে অসম চৰকাৰে শিক্ষাৰ উন্নয়নকল্পে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে সদৰী কৰি গৌৰাং হাইস্কুলকৈ তিনিকোটি টকাৰ অনুদান ঘোষণা কৰে। তদুপৰি গৌৰাং হাইস্কুলক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ পৰ্যায়ক্ৰমে উন্নীতকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দি কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ক মডেল স্কুল হিচাপে নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। শিক্ষকেবে সমাজ গঢ়ে বুলি উল্লেখ কৰি অৱসৰ লোৱাৰ পাছতো শিক্ষকসকল শিক্ষাগুৰু হিচাপেই থাকি যায় বুলি তেওঁ কয় যে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কুসুম ব্ৰহ্ম মহিলাৰীয়ে বৰ্তমানৰ বিধায়ক গৌৰাং হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ লৰেঞ্চ ইছলাৰীৰ বেটছটো ভাল আছিল বুলি মন্তব্য কৰে। পূৰ্বৰ ছাত্ৰ-ছাত্ৰী আৰু আজিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট পাৰ্থক্য আছে যদিও ভাল ছাত্ৰ-ছাত্ৰীখিনি সদায়ে অন্যান্য হয় বুলি মন্তব্য কৰে কুসুম ব্ৰহ্ম মহিলাৰীয়ে।

# শংকৰদেৱ শিশু বিদ্যা নিকেতন, ধিঙৰ ৰূপালী জয়ন্তীৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** ধিঙৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। যোৱা ৩০ জানুৱাৰীত আৰম্ভ কৰা ৰূপালী জয়ন্তী বৰ্ষৰ আনুষ্ঠানিকভাৱে অহা ২০২২ৰ ২৯ আৰু ৩০ জানুৱাৰীত কাৰ্যসূচীৰ অন্ত পৰিব। ৰূপালী জয়ন্তীৰ স'তে সংগতি ৰাখি নিকেতনৰ প্ৰাক্তন ছাত্ৰ ভাৰতী উদ্যোগত সদৌ অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে দুটা শাখাত অনুষ্ঠিত হ'বলগীয়া উক্ত প্ৰতিযোগিতাখনত ইংৰাজী আৰু অসমীয়া উভয় মাধ্যমতে অংশগ্ৰহণ কৰিব পাৰিব। শাখা 'ক' ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী, বিষয় 'লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' আৰু পটুৱৈ হিচাপে অনুভৱ', শব্দৰ সংখ্যা সৰ্বাধিক আঠশ, শাখা 'খ' নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ, বিষয় 'সামাজিক যোগাযোগৰ কেন্দ্ৰ হিচাপে 'নামঘৰ'ৰ ভূমিকা' শব্দৰ সংখ্যা সৰ্বাধিক ১৫শ। লেখাসমূহ প্ৰতিযোগিতাৰ বাবে বুলি উল্লেখ কৰি সভাপতি-সম্পাদক, প্ৰাক্তন ছাত্ৰ ভাৰতী, শংকৰদেৱ শিশু বিদ্যা নিকেতন, ধিং, ডাকঘৰ-ধিং, পিন-৭৮২১২৩, নগাঁও, অসম ঠিকনাত ১৮ ডিচেম্বৰৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব। ই-মেইলযোগে পঠিয়াব খোজা প্ৰবন্ধসমূহ pcb.ssvndhing@gmail.com মেইল ঠিকনাত নিৰ্দিষ্ট সময়ৰ ভিতৰত পঠিয়াব লাগিব। ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি নিকেতনৰ প্ৰাক্তন ছাত্ৰ ভাৰতীৰ উদ্যোগত অহা ১৮ ডিচেম্বৰত নগাঁও জিলা ভিত্তিত 'জিজ্ঞাসা ঃ দ্য কিউৰিচিটি' শীৰ্ষক এক কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। উল্লেখ্য যে উক্ত কুইজ প্ৰতিযোগিতাখনত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অংশগ্ৰহণ কৰিব পাৰিব। অধিক জানিবলগীয়া থাকিলে ৯৪৭৬৭৪৪৮৭৭ আৰু ৮৩৯৯৯২৮৯২৩ নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে প্ৰাক্তন ছাত্ৰ ভাৰতীৰ উদ্যোগতে শংকৰদেৱ শিশু বিদ্যা নিকেতন, ধিঙৰ প্ৰাংগণত যোৱা ১২-১৪ নৱেম্বৰত চিত্ৰাংকনৰ কৰ্মশালা এখনো হৈ যায়। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট চিত্ৰ আৰু ভাস্কৰ্য শিল্পী হৃষীকেশ বৰা, সহযোগী হিচাপে উপস্থিত থাকে চিত্ৰশিল্পী নিপজ্যোতি বৰা, হিমাংশু শইকীয়া আৰু দ্বিজেন কোঁৱৰ। দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশি ভাষণ প্ৰদান কৰে বীণা নাথ বৰুৱাই। নিকেতনৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ নৃত্য-গীতেৰে শিশু দিৱসৰ দিনাই উক্ত কৰ্মশালাখনৰ সামৰণি পৰে।

## নেহৰু যুৱ কেন্দ্ৰ নগাঁৱত জিলা ভিত্তিত ভাষণ প্ৰতিযোগিতা

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ উদ্যোগত আজি জিলা ভিত্তিত ভাষণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ মূল বিষয় আছিল 'দেশ প্ৰেম আৰু ৰাষ্ট্ৰ নিৰ্মাণ'। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ছবজান আল আমিন, দ্বিতীয় পুৰস্কাৰ অজয় কুৰকুত আৰু তৃতীয় পুৰস্কাৰ লনী বৰাই লাভ কৰে। প্ৰতিযোগিতাৰ প্ৰথম বিজয়ীক ৫০০০ টকা আৰু এখন মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ ২০০০ টকা নগদ আৰু এখন মানপত্ৰ আৰু তৃতীয় পুৰস্কাৰ ১০০০ টকা নগদ আৰু এখন মানপত্ৰ প্ৰদান কৰা হয়। লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ অংশগ্ৰহণকাৰীক একোখনকৈ অংশগ্ৰহণৰ মানপত্ৰ প্ৰদান কৰা হয়। প্ৰথম স্থান অধিকাৰ কৰা ছবজান আল আমিনে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত নগাঁও জিলাক প্ৰতিনিধিত্ব কৰিব।

# কৰ্তব্যত গাফিলতি কৰা বিষয়াৰ বিৰুদ্ধে লোৱা হ'ব শাস্তিমূলক ব্যৱস্থা ঃ মুছাহাৰী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ ডিচেম্বৰ ঃ** বিটিচিৰ খাদ্য অসামৰিক যোগান বিভাগৰ দুখীয়া হিতাকাৰীয়ে উচিত প্ৰাপ্য পাবই লাগিব। কোনো চৰকাৰী সুলভ মূল্যৰ দোকানী বা সমবায়ৰ এজেণ্টে যদি দুখীয়া হিতাধিকাৰীক একশ গ্ৰাম চাউলো কমকৈ দিয়ে তেতিয়া জেললৈ পঠাম। দুখীয়া হিতাধিকাৰীয়ে যাতে চৰকাৰী আঁচনিৰ চাউল তথা খাদ্য সামগ্ৰী সঠিকভাৱে পায় এই ক্ষেত্ৰত যোগান বিভাগৰ বিষয়া, পৰিদৰ্শক, সচিৱসকলে ভালদৰে কৰ্তব্য সম্পাদন কৰিব লাগিব। তেওঁলোক সজাগ হ'ব লাগিব। কৰ্তব্যত গাফিলতি কৰা বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধেও শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কালি এইদৰে কয় বিটিচিৰ খাদ্য অসামৰিক যোগান বিভাগৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰীয়ে। বাগ্‌সাৰ শালবাৰীত খাদ্য অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালকৰ কাৰ্যালয় আৰু উত্তৰ বিজনী সমবায় সমিতি পৰিদৰ্শন কৰি বিটিচিৰ কাৰ্যবাহী সদস্য মুছাহাৰীয়ে কয় যে দুখীয়া ৰাইজে খাদ্য অসামৰিক যোগান বিভাগৰ পৰা উপকৃত হোৱাৰ উদ্দেশ্যে বিটিচিৰ প্ৰতিখন জিলা আৰু মহকুমাতে যোগান বিভাগৰ সচিব, চৰকাৰী সুলভ মূল্যৰ দোকানী তথা সমবায় এজেণ্ট, বিষয়াসকলক লৈ সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। কাৰ্যবাহী সদস্য মুছাহাৰীয়ে শালবাৰী মহকুমা সদৰত এটা বৃহৎ বজাৰ গৃহ আৰু উত্তৰ বিজনী সমবায় সমিতি লিমিটেড প্ৰাংগণত এটা বৃহৎ ভড়াল গৃহ নতুনকৈ নিৰ্মাণ কৰা হ'ব বুলি কয়। দীৰ্ঘ সময় ধৰি শালবাৰীস্থিত খাদ্য অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালকৰ কাৰ্যালয় আৰু উত্তৰ বিজনী সমবায় সমিতি লিমিটেড পৰিদৰ্শন কৰি কাৰ্যবাহী সদস্য মুছাহাৰীয়ে বিষয়া-কৰ্মচাৰীসকলক সঠিকভাৱে কৰ্তব্য সম্পাদন কৰিবলৈ গাঁৱে গাঁৱে পৰিদৰ্শন কৰি হিতাধিকাৰীসকলৰ প্ৰাপ্যৰ বুজ ল'বলৈও নিৰ্দেশ দিয়ে। আনহাতে, বিটিচিত এতিয়াও ৰেছন কাৰ্ডবিহীন দুখীয়া ৰাইজক শীঘ্ৰেই ৰেছন কাৰ্ড প্ৰদান কৰিব বুলিও ঘোষণা কৰে সংবাদ মাধ্যমৰ আগত কাৰ্যবাহী সদস্য মুছাহাৰীয়ে। শালবাৰীৰ খাদ্য অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালক তপন কুমাৰ চৌধুৰীক ভাড়াত থকা বিভাগীয় কাৰ্যালয়টো স্থায়ীভাৱে নিৰ্মাণৰ বাবে চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণৰো নিৰ্দেশ দিয়ে কাৰ্যবাহী সদস্যজনে। বিটিচিৰ জলসম্পদ বিভাগৰো দায়িত্বত থকা কাৰ্যবাহী সদস্য মুছাহাৰীয়ে আজি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিত বেঁকী নদীৰ খহনীয়াও পৰিদৰ্শন কৰে। আনহাতে, কাৰ্যবাহী সদস্যজনে শালবাৰীৰ সদ্য প্ৰয়াত প্ৰখ্যাত সংগীত শিল্পী তথা অনাতাঁৰ শিল্পী ভুৱনেশ্বৰ মহিলাৰীৰ শালবাৰীস্থিত বাসগৃহত উপস্থিত হৈ মহিলাৰীৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰি পৰিয়ালৰ সদস্যসকলৰ স'তে মত বিনিময় কৰে। ভুৱনেশ্বৰ মহিলাৰীৰ অকাল বিয়োগ সংগীত তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ এক বিশাল ক্ষতি বুলিও মন্তব্য কৰে মুছাহাৰীয়ে।

# বাঁহ-বেতৰ আকৰ্ষণীয় দৃষ্টিৰে নিজ গৃহতে ব্ৰজেন মহন্তই গঢ়িছে কুটীৰ উদ্যোগ

**ফিল'বাৰী, ১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা নগৰৰ সমীপৱৰ্তী ৰূপাই চাইডিং লাচিত নগৰৰ বাসিন্দা তথা কাকপথাৰ চেঙেলী গাঁওস্থিত চুপহা সত্ৰৰ ডেকা সত্ৰীয়া ব্ৰজেন মহন্তই নিজ প্ৰচেষ্টাত বাঁহ, বেত আৰু কাঠেৰে বিভিন্ন সামগ্ৰী উৎপাদনেৰে নিজা ঘৰতে গঢ়ি তুলিছে ক্ষুদ্ৰ কুটীৰ শিল্পৰ উদ্যোগ। দুবছৰৰ পূৰ্বে অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ কৰ্মচাৰী হিচাপে অৱসৰ গ্ৰহণ কৰি ব্যতিক্ৰমী স্বনিয়োজন আদৰ্শ গঢ়ি তুলিবলৈ সক্ষম হোৱা উদ্যমী, কৰ্মপটু তথা মাইথং গাঁও পঞ্চায়তৰ অন্তৰ্গত চেঙেলীৰ নিবাসী শিক্ষক প্ৰয়াত প্ৰেমকান্ত মহন্তৰ দ্বিতীয় পুত্ৰ ব্ৰজেন মহন্তই সৰু কালৰে পৰাই এক সত্ৰীয়া আধ্যাত্মিক পৰিবেশত ডাঙৰ দীঘল হৈছিল। ঘৰতেই বাঁহ, বেত আৰু কাঠৰ বিভিন্ন সামগ্ৰী নিৰ্মাণৰ শিক্ষা লৈছিল। উল্লেখ্য যে মহন্তই বাঁহ, কাঠ আৰু বেতৰ বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি গ্ৰাহকৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰি আহিছে। নামঘৰৰ মূল স্থান গুৰু আসন নিৰ্মাণৰ ক্ষেত্ৰত তেওঁ বিশেষ দখল আছে। তদুপৰি তেওঁ বিভিন্ন ধৰণৰ বটলৰ ফুলদানী, কলহ, শৰাই, সফুঁৰা, পেন ষ্টেণ্ড, পেপাৰ ওৱেট, ধূপদানী, টী-টেবুল, বাঁহৰ মুঢ়াৰ পৰা মানুহ, হাতী, গঁড়, বাঁহৰ চাইকেল, ফুলদানি, পশু-পক্ষীৰ মূৰ্তি, বঁতা, গামখাৰু, গগনা, বাঁহী আদি প্ৰস্তুত কৰি সামগ্ৰীসমূহ উপযুক্ত দামত গ্ৰাহকক বিক্ৰী কৰে। ইতিমধ্যে, তেওঁ ভিন্ন প্ৰজাতিৰ বাঁহেৰে অতি আকৰ্ষণীয়কৈ ডলা চালনী আদি ঘৰৰ প্ৰয়োজনী সামগ্ৰী-বিভিন্ন ডিজাইনৰ কৰ্ণাৰ আৰু চেণ্টাৰ টেবুল, মুঢ়া আদি প্ৰস্তুত কৰিছে। উল্লেখ্য যে এই সামগ্ৰীসমূহ কেৱল অসমতে নহয়, চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ লগতে অন্যান্য স্থান আদিতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিল্পীজনে কে'বাগৰাকীও সহশিল্পীৰ সহযোগিতাত দৈনিক নতুন নতুন সামগ্ৰী উৎপাদন কৰাত মনোনিবেশ কৰিছে।



■ ভটীয়াপাৰাত ভূ-মাফিয়াৰ দপ্‌দপনি ■ খহনীয়াৰ প্ৰতিৰোধী ব্যৱস্থা নাই

# দিখৌৰ বুকুত ব্যাপক পলস খনন অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি পৰিবহণ নিগম, ৰাজহ চক্ৰ আদি বিভাগক সকীয়াই দিয়াৰ সমান্তৰালকৈ বনবিভাগকো দুৰ্নীতিৰ বিৰুদ্ধে সকীয়নি দিছিল। কিন্তু তাৰ মাজতো যেন গা লৰা নাই বন বিভাগৰ শিৱসাগৰ সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীৰ। সংমণ্ডলটোৰ একাংশ দুৰ্নাতিপৰায়ণ বিষয়া-কৰ্মচাৰীৰ গোপন বুজাবুজিৰ বাবে ভটীয়াপাৰাৰ দিখৌৰ বুকুত অবৈধভাৱে দৈনিক ব্যাপক হাৰত পলস খনন কাৰ্য চলাই থকাৰ ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। এনেদৰে দৈনিক এক্সকেভেটৰ আৰু ডাম্পাৰৰ জৰিয়তে খনন কাৰ্য চলাই থকাৰ ফলত দিখৌৰ মথাউৰিলৈ ভাবুকি কঢ়িয়াই আনিছে। ভূ-মাফিয়াসকলে যিকেইটা অংশত খনন কাৰ্য চলাই আছে তাৰ অধিকাংশ ঠাইতে দিখৌৰ মথাউৰি খহনীয়াৰ কবলত পৰি অতি বিপজ্জনক অৱস্থাত আছে। বাৰিষা ভটীয়াপাৰ অঞ্চলটোৰ লগতে শলগুৰি আৰু মেটেকা বনগাঁও দুটাতে মৌজাৰ বাবে ভাবুকি কঢ়িয়াই অনা উক্ত ঠাইৰ খহনীয়াৰ এটা অংশ জলসম্পদ বিভাগে ৮০ লাখতকৈ অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰিছিল যদিও বাকী অংশসমূহ আজি পৰ্যন্ত মেৰামতি কৰা হোৱা নাই। আনহাতে, খহনীয়া অংশৰ কে'বা ঠাইতো বাঁহৰ লাং মাৰি ৰাখিছে। তাৰ পাছতো কিন্তু ডাম্পাৰসমূহ সেই দুৰ্বল মথাউৰিৰ ওপৰেদি চলাচল কৰি আছে। জলসম্পদ বিভাগটোৱে এই ক্ষেত্ৰত নিৰৱতা অৱলম্বন কৰি থকা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে।




*কাজলগাঁৱত বিশ্ব এইডছ দিৱস উপলক্ষে উলিওৱা সজাগতা সমদল, বুধবাৰে।*

## মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ অধিবেশনত নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১ ডিচেম্বৰ ঃ** সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে মৰিয়নিৰ কিংশুক ক্ৰীড়া আৰু সাংস্কৃতিক চ'ৰাৰ সভাকক্ষত অনুষ্ঠিত হয়। পুৱা আছুৰ পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচী মুকলি কৰে মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সৌৰভ কলিতাই। আনহাতে, ছহিদ তৰ্পণ কৰে সাধাৰণ সম্পাদক অনন্ত বৰঠাকুৰে। সৌৰভ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰি প্ৰাক্তন ছাত্ৰ নেতা দিব্যজ্যোতি শইকীয়াই ছাত্ৰ সন্থাৰ কৰ্মীসকলক একোগৰাকীকৈ সমাজ সংগঠক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। তাৰ মাজতে নিজৰ শিক্ষাৰ দিশটোত অধিক গুৰুত্ব প্ৰদান কৰিবলৈও তেওঁ লগতে ছাত্ৰ কৰ্মীসকলক আহ্বান জনায়। প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে আছুৰ দৃষ্টিভংগীৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। ছাত্ৰ নেতাজনে কয় যে অসমে আন্দোলন নকৰাকৈ কোনো বস্তুৱেই কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা নাই। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰেই আন্দোলন কৰিবলৈ অথবা প্ৰতিবাদ কৰাৰ এক পৰিৱেশৰ জন্ম দিছে। আছুৱে কেৱল আন্দোলন কৰা সংগঠন নহয় বুলিও লগতে উল্লেখ কৰি ছাত্ৰ নেতাজনে কয় যে অসমৰ জাতীয় সংগঠন হিচাপে অসমৰ সকলো সমস্যাৰ প্ৰতি আছুৱে দৃষ্টি দি আহিছে। অনন্ত বৰঠাকুৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দ্বীপ দত্ত, তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য পাঠক, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক পঞ্চানন দুৱৰা, সাহিত্য সম্পাদক মাধুৰ্য গগৈ, অবিনাশ ফুকন প্ৰমুখ্যে বহুকেইজন ছাত্ৰ নেতাই অংশগ্ৰহণ কৰে। এই সভাতে জিলা কৃতী শিক্ষকৰ বঁটা প্ৰাপ্ত শিক্ষক তথা প্ৰাক্তন ছাত্ৰ নেতা মনোজ কুমাৰ শৰ্মাক ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। আনহাতে, এই সভাতেই ইস্মায়েল তাঁতীক সভাপতি আৰু বিবেক চাহাক সাধাৰণ সম্পাদক, সৌৰভ কলিতা, অনন্ত বৰঠাকুৰ আৰু অৰন বুঢ়াগোহাঁইক উপদেষ্টা হিচাপে লৈ মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ এখন ৫১ জনীয়া নতুন সমিতি গঠন কৰা হয়।

## শিৱসাগৰ জিলাৰ বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১ ডিচেম্বৰ ঃ** শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি জয়সাগৰ তিনিআলিত বিজেপিৰ শিৱসাগৰ জিলা সমিতিৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰে। জিলা বিজেপিৰ সভাপতি ময়ূৰ বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, প্ৰাক্তন বিধায়ক কুশল দেউৰীসহ দলৰ বহুকেইজন শীৰ্ষ নেতা-কৰ্মী উপস্থিত থাকে। কাৰ্যালয় উদ্বোধন কৰি বিজেপিৰ নীতি 'নেচন ফাৰ্ষ্ট' বুলি উল্লেখ কৰি মন্ত্ৰী ডাঃ পেগুৱে কয় যে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে দল লাগিব আৰু এটা ৰাজনৈতিক দল সুন্দৰভাৱে পৰিচালনা কৰিবৰ বাবে দলৰ এক স্থায়ী কাৰ্যালয় থকাটো অত্যন্ত প্ৰয়োজনীয়। আগন্তুক পৌৰ নিকায় নিৰ্বাচনৰ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৱে দলীয় কৰ্মীসকলক নিৰ্বাচনৰ বাবে সাজু হৈ থাকিবলৈ আহ্বান জনাই শিৱসাগৰ জিলাৰ অন্তৰ্গত পাঁচখন পৌৰসভাৰ আটাইকেইখনতে বিজেপিয়ে বিজয় সাব্যস্ত কৰিব লাগিব বুলি উল্লেখ কৰে। বিগত বিধানসভা নিৰ্বাচনৰ যিমান দুখ-বেদনা আছে সেয়া নাইকিয়া কৰিব লাগিব পৌৰসভা নিৰ্বাচনত বিজয় সাব্যস্ত কৰি। দলীয় সিদ্ধান্তক অৱহেলা কৰাৰ লগতে বিসম্বাদ কোনোপধ্যেই সহ্য কৰা নহ'ব বুলি দলীয় টিকট প্ৰত্যাশীসকলক কঠোৰ সকীয়নি দিয়ে জিলাখনৰ অভিভাৱক মন্ত্ৰীজনে।

## শালবাৰীৰ চূণবাৰী-বাঁহবাৰীত চাৰিটা অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত চুণবাৰী আৰু বাঁহবাৰী ভিচিডিচিত যোৱা ৩০ নৱেম্বৰত পৃথকে পৃথকে চাৰিটা নৱনিৰ্মিত অংগনৱাড়ী কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। চূণবাৰী ভিচিডিচিৰ অন্তৰ্গত এলেঙামাৰী, ৰাঘবিল আৰু চূণবাৰীত মুঠ তিনিটা অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে বাঁহবাৰী ভিচিডিচিৰ অন্তৰ্গত ফাতেমাবাদ চাহ বাগিচাত এটা অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰে বিটিচিৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাবাৰীয়ে। অনুষ্ঠানত চূণবাৰী ভিচিডিচিৰ অধ্যক্ষ চাইনুৰ ইছলাম, বাঁহবাৰী ভিচিডিচিৰ অধ্যক্ষ যোগেশ দৈমাৰী, যুৱনেতা-সমাজকৰ্মী সত্যজিৎ বড়োৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি অতিথিৰূপে উপস্থিত থাকে।

## টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১ ডিচেম্বৰ ঃ** টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থা আৰু অসম কলেজ শিক্ষক সংস্থাৰ যোৰহাট মণ্ডলৰ যৌথ সহযোগত অহা তিনি আৰু চাৰি ডিচেম্বৰত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ সন্দৰ্ভত যোৱা ৩০ নৱেম্বৰত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ কাৰ্যালয়ত এখন সংবাদমেল অনুষ্ঠিত কৰে। ৰাষ্ট্ৰীয় আলোচনাচক্ৰ আয়োজক সমিতি তথা আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° বিনয়ব্ৰত ৰাজখোৱাই সম্বোধন কৰা সংবাদমেলত সহকাৰী সমন্বয়কদ্বয় ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দীপক কুমাৰ শৰ্মা আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত পাঠকো উপস্থিত থাকে। ড° বিনয়ব্ৰত ৰাজখোৱাই কয় যে 'ইণ্ডিয়া আফটাৰ ইণ্ডেপেনডেন্স এণ্ড ভিজন-২০৪৭' বিষয়ৰ আলোচনা চক্ৰখনত গৱেষণা পত্ৰ পাঠৰ বাবে ইতিমধ্যে শতাধিক অধ্যাপক, গৱেষক আৰু স্নাতকোত্তৰ তথা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে পঞ্জীয়ন কৰিছে। অহা তিনি ডিচেম্বৰত পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত আলোচনাচক্ৰখন উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লীলাকান্ত নাথে। চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অধ্যক্ষ তথা আয়োজক সমিতিৰ সভাপতি ড° বিজয় কৃষ্ণ পাচনীয়ে আদৰণি ভাষণ প্ৰদান কৰিবলগীয়া উদ্বোধনী মূল বক্তৃতা প্ৰদান কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° চন্দন কুমাৰ শৰ্মাই। উদ্বোধনী অনুষ্ঠানত অংশ ল'ব কলেজ অব এডভান্স ষ্টাডিজ, গুৰু গোবিন্দ সিং ইন্দ্ৰপ্ৰস্থ বিশ্ববিদ্যালয়, নতুন দিল্লীৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সঞ্চালক ড° প্ৰকাশ বীৰ খাত্ৰিয়ে। উল্লেখ্য যে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ কৰ্তৃপক্ষ, অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকলৰ আৰ্থিক বৰঙণিৰে অনুষ্ঠিতব্য আলোচনাচক্ৰত স্নাতকোত্তৰ তথা স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ কৰা আলোচনা পত্ৰৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লগতে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মূল বিষয়ৰ লগত সংগতি ৰাখি প'ষ্টাৰ উপস্থাপন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি আয়োজকসকলে সংবাদমেলত জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় আলোচনা চক্ৰ উপলক্ষে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ পৰা প্ৰকাশিত গ্ৰন্থসমূহ ২০ শতাংশ ৰেহাই মূল্যত বিক্ৰী আৰু প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে। লগতে স্থানীয় আত্মসহায়ক গোটৰ এটি সামগ্ৰী বিক্ৰী কেন্দ্ৰও থাকিব।

## চাৰিদুৱাৰত ড্ৰাগছসহ তিনি সৰবৰাহকাৰী গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১ ডিচেম্বৰ ঃ** শোণিতপুৰ চাৰিদুৱাৰত যোৱা নিশা আৰক্ষীয়ে ১২টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ সহ তিনি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত ভোবোলা গাঁৱত আৰক্ষীয়ে ব্ৰাউন ছুগাৰখিনি জব্দ কৰে। আৰক্ষীয়ে উক্ত ঘটনাত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে বিজিত শইকীয়া, মনজিৎ চাৰ্কি আৰু বাবৰ আলীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ইন্নছ আলীৰ পুত্ৰ বাবৰ আলী ড্ৰাগছৰ বেহাৰ স'তে দীৰ্ঘদিনৰে পৰাই জড়িত আছিল। ভোবোলা গাঁৱত ঘাটি পাতি এইদৰেই একাংশ যুৱকৰ জীৱন ধ্বংস কৰা এই ড্ৰাগছৰ বেহাৰে নতুন নতুন লোক জড়িত হৈ পৰাটো অতিশয় উদ্বেগজনক ঘটনা হৈ পৰিছে। উল্লেখ্য যে চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত যোৱা সময়ছোৱাত বহুসংখ্যক ড্ৰাগছ আৰু ড্ৰাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰিছে যদিও এই পৰ্যন্ত সেয়া নিঃশেষ হোৱা নাই। আজি উদ্ধাৰ হোৱা ড্ৰাগছ নগাঁৱৰ পৰাই সৰবৰাহ কৰিছিল বাবৰে। উল্লেখ্য যে ড্ৰাগছ আৰু গাঞ্জাৰ এক ঘাটিত পৰিণত হোৱা চাৰিদুৱাৰ থানাৰ অন্তৰ্গত অঞ্চলৰ মানশিৰিৰ পৰা যোৱা ২৬ নৱেম্বৰত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ কৰে। মানশিৰি দলঙৰ তলত দীৰ্ঘদিনৰে পৰা গাঞ্জাৰ বেহা চলাই থকা ৰাজা ঘোষ নামৰ যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ লগতে বহু পৰিমাণৰ গাঞ্জাও জব্দ কৰে আৰক্ষীয়ে।

## কমাৰগাঁৱৰ বৰদিহিঙীয়াত ৰাস মহোৎসৱৰ সামৰণি



**খুমটাই, ১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁৱৰ বৰদিহিঙীয়াত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ যোৱা ২৮ নৱেম্বৰত সামৰণি পৰে। উল্লেখ্য যে বৰদিহিঙীয়া নাট্য মন্দিৰৰ সৌজন্যত আৰু স্থানীয় ৰাইজৰ সহযোগত ন বছৰ বিৰতি পাছত অনুষ্ঠিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱত দৰ্শকৰ পাৰভঙা উৎসাহ পৰিলক্ষিত হয়। ক'ভিডসৃষ্ট পৰিৱেশৰ মাজতে সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশ মাজেৰে অনুষ্ঠিত ৰাস মহোৎসৱত বৰদিহিঙীয়াৰ নাট্যমন্দিৰ পৰিচালনা সমিতি আৰু ৰাস উদযাপন সমিতিয়ে বৰদিহিঙীয়া গাঁৱত পোন প্ৰথমবাৰৰ বাবে প্ৰায় ৪০ আগতেই ৰাস প্ৰশিক্ষণ আগবঢ়োৱা ৰাজেন বৰা আৰু প্ৰয়াত পদ্ম বৰাৰ পৰিয়ালক অংগ বস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, স্মাৰকেৰে সম্বৰ্ধনা জনায়। আনহাতে, এই অনুষ্ঠানতে বৰদিহিঙীয় নাট্য মন্দিৰত এটা সময়ত 'কংস'ৰ ভাও লোৱা বোকাখাত মহকুমাৰ কুৰুৱাবাহীৰ নিবাসী তথা অভিনেতা পংকজ উজিৰ, মহুৰামুখৰ নিবাসী তথা ভ্ৰাম্যমাণ অভিনেতা প্ৰতাপ কলিতা, বচাপথাৰৰ বিৰিঞ্চি নেওগৰ লগতে, মহুৰা মৌজাৰ গোমোঠা সত্ৰৰ সত্ৰাধিকাৰ গৌতম গোস্বামীৰ অংগ বস্ত্ৰ, স্মাৰক, সম্বৰ্ধনা পত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জনায়। ইয়াৰ উপৰি বৰদিহিঙীয়া গাঁৱৰ গাঁওবুঢ়া তথা মুখা শিল্পী লোকেশ্বৰ হাজৰিকা, গায়ন, বায়ন, নৃত্য বিশাৰদদ্বয় নৰেন হাজৰিকা আৰু প্ৰমোদ হাজৰিকা, এসময়ত নাটক পৰিচালক তথা জনপ্ৰিয় অভিনেতা ৰাজীৱ শইকীয়াক সম্বৰ্ধনা জনায় বৰদিহিঙীয়া নাট্য মন্দিৰ পৰিচালনা সমিতি আৰু ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে।

### ■ প্ৰবীণ অভিনেতা, সত্ৰাধিকাৰ, বিশিষ্ট শিল্পীক সম্বৰ্ধনা

## শিক্ষক সন্মিলনীৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১ ডিচেম্বৰ ঃ** টীয়ক প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশন অলপতে টীয়ক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নিজা ভৱনত অনুষ্ঠিত হয়। পুৱা সভাপতি ৰমেন শৰ্মাই সন্মিলনীৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানত স্মৃতি তৰ্পন কৰে সাহায্য নিধিৰ সভাপতি বিদ্যুৎ বিকাশ গগৈয়ে। বাছনি সভাৰ পাছতেই বিয়লি মুকলি সভা অনুষ্ঠিত হয়। উল্লেখ্য যে নাজিমুদ্দিন আহমেদে আঁত ধৰা সভাত যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক তথা সৰ্বভাৰতীয় সদস্য ত্ৰিদিব বৰুৱা, উপদেষ্টা ৰত্নেশ্বৰ শইকীয়া, পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক অনুপম গগৈয়ে বিশিষ্ট অতিথি আৰু মধ্য যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক বিবেকানন্দ বৰাই পৰ্যবেক্ষক হিচাপে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতেই ২০২১ত যোৰহাট জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰা ৫৯২ নম্বৰ মিধাখাট প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মালৱিকা বৰপূজাৰীক অভিনন্দন জনোৱা হয়। বিষয়বাছনি সভাই আগন্তুক দুটা বৰ্ষৰ বাবে ৰমেন শৰ্মাক পুনৰবাৰ সভাপতি আৰু নাজিমুদ্দিন আহমেদক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়।

## ৰণদিয়া সাহিত্য সভাৰ বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কনিহা, ১ ডিচেম্বৰ ঃ** 'সাহিত্যই জাতি, ধৰ্ম আৰু স্থান নিবিচাৰে। যেনেকৈ উৰ্ব্বৰ মাটিত খেতি ভাল হয় ঠিক তেনেকৈ জ্ঞানীৰ মাজতো সাহিত্য চৰ্চা হয়, সাহিত্য সৃষ্টি হয়। ৰঙিয়াত সাহিত্য সৃষ্টিৰ পৰিৱেশ আৰম্ভ হৈছে।' ৰণদিয়া (শতদল) সাহিত্য সভাৰ বৰ্ষপূৰ্তি অনুষ্ঠানত মুখপত্ৰ 'ৰণদিয়া' উন্মোচন কৰি এনেদৰে কয় এমট্ৰনৰ উপ-প্ৰৱন্ধক দিনমণি ভাণ্ডাৰ কায়স্থই। ভাষণ প্ৰসংগত ৰণদিয়াই ৰঙিয়াৰ গৌৰৱ বহন কৰিব বুলি কৈ উন্মোচকজনে বিদগ্ধ পণ্ডিত মামনি ৰয়ছম গোস্বামীয়ে উপযুক্ত মান্যতা নোপোৱাত আক্ষেপ প্ৰকাশ কৰে। হৰদত্ত বীৰদত্ত ভৱনত প্ৰতুল ভূঞাই সঞ্চালনা কৰা আৰু আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ বিজয়ী পৰিচালক পংকজ শৰ্মাই আঁত ধৰা সভাখনত অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে অংশগ্ৰহণ কৰি প্ৰথিতযশা সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ জীৱনৰ আলোকপাত কৰে। ড° সূৰ্যকান্ত হাজৰিকাই বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি ৰণদিয়া সাহিত্য সভালৈ আদৰণি জনায়। সভাত স্থানীয় বিধায়ক তথা বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই সভাত অংশগ্ৰহণ কৰি সাম্প্ৰতিক সময়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে বুলি ভাষণ প্ৰসংগত কয়। বিধায়কজনে সভাৰ পৰমহিতৈষী পদ গ্ৰহণ কৰি ৰণদিয়া সাহিত্য সভাক আহ্লাদিত কৰে। উল্লেখ্য যে বিধায়ক কলিতাই সভাত ৰণদিয়া সাহিত্য সভাক এবছৰৰ ভিতৰতে মাটি ঘৰ সজাই দিম বুলি দিয়া প্ৰতিশ্ৰুতিক সকলোৱে শলাগে। সভাত অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক উপেন্দ্ৰজিৎ শৰ্মা, কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ নাথ ভাগৱতী, সম্পাদক ৰাজেন মহন্ত প্ৰমুখ্যে বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত ৰণদিয়া সাহিত্য সভাৰ শতাধিক আজীৱন সদস্যক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত পৰিচালক পংকজ পল্লৱ শৰ্মা, জিলা কৃতী শিক্ষক বঁটাপ্ৰাপ্ত জয়ন্ত কুমাৰ শৰ্মা, শিল্পী অকন কলিতা, আকাশৰ নলিনী দেৱীকে ধৰি সংবাদসেৱাৰ লগত জড়িত ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

## খাৰিজা বিজনীত বাগ্‌সা জিলা সাহিত্য সভাৰ কাৰ্যকৰী সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১ ডিচেম্বৰ ঃ** অহা বৰ্ষৰ ১৭ আৰু ১৮ জানুৱাৰীত অনুষ্ঠিতব্য বাগ্‌সা জিলা সাহিত্য সভাৰ নৱম দ্বিবাৰ্ষিক অধিবেশনক লৈ তৎপৰ হৈ পৰিছে আয়োজক আৰু সাহিত্যকৰ্মী। অহা বৰ্ষৰ ১৭ আৰু ১৮ জানুৱাৰীত বাগ্‌সাৰ খাৰিজা বিজনীত অনুষ্ঠিত হ'ব বাগ্‌সা জিলা সাহিত্য সভাৰ নৱম দ্বিবাৰ্ষিক অধিবেশন। সেই উপলক্ষে কালি দক্ষিণ খাৰিজা বিজনী হাইস্কুলত ইন্দ্ৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত হয় ষষ্ঠখন কাৰ্যকৰী সভা। সভাত অধিবেশন সাফল্যমণ্ডিত কৰা সম্পৰ্কে গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰা হয়। সভাত অঞ্চলটোৰ সাহিত্য কৰ্মীকে ধৰি বহুকেইগৰাকী আগৰণুৱা ব্যক্তি উপস্থিত থাকে। আয়োজক সমিতিয়ে অধিবেশন সাফল্যমণ্ডিত কৰাৰ বাবে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## সত্ৰাধিকাৰ ঈশ্বৰ কান্ত মহন্তক সম্বৰ্ধনা হিন্দু সুৰক্ষা সেনাৰ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১ ডিচেম্বৰ ঃ** সদৌ অসম হিন্দু সুৰক্ষা সেনাৰ উদ্যোগত আৰু আই অ' চি ঠিকাদাৰ শ্ৰমিক ইউনিয়নৰ সহযোগত অনুষ্ঠিত এক কাৰ্যসূচীত ঈশ্বৰ কান্তদেৱ মহন্তক সম্বৰ্ধনা জনায়। যোৱা ২৪ নৱেম্বৰত লাচিত দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী নুনমাটিস্থিত এক নম্বৰ শালবাৰী নামঘৰ প্ৰাংগণত সদৌ অসম হিন্দু সুৰক্ষা সেনাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাতেই লেখক, সাংবাদিক, পৰিষদৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ সভাপতি, আন্তঃৰাষ্ট্ৰীয় হিন্দু মহাসভা অসমৰ অধ্যক্ষ তথা তিতাবৰ শ্ৰীশ্ৰীকাংসপাৰ বৰঠাই সত্ৰৰ অধিকাৰ ঈশ্বৰ কান্তদেৱ মহন্তক উদ্যোক্তাসকলে জাতীয় সংকটৰ সময়ত সমাজ জীৱনলৈ আগবঢ়োৱা সেৱাৰ বাবে সম্বৰ্ধনা পত্ৰ, চেলেং, গামোচা, সঁফুৰা আদিৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত হিন্দু সুৰক্ষা সেনাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক উজ্জ্বল দত্ত, সাংবাদিক অচিন্ত্য শৰ্মা, পংকজ কলিতা, গৌতম দাস প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মাজত গীত-নৃত্যৰ লগতে সন্ধিয়ালৈ সাংস্কৃতিক অনুষ্ঠানো হয়।

## ১০১ বছৰত বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১ ডিচেম্বৰ ঃ** ছিপাঝাৰ অঞ্চলৰ দক্ষিণ চুবুৰি নিবাসী দৰঙৰ শিশু সাহিত্যিক, নাট্যকাৰ, লোকসংস্কৃতিৰ সাধক গজেন্দ্ৰ নাথ চহৰীয়াৰ পত্নী আদৰ্শ মাতৃ, শিক্ষয়িত্ৰী, ধৰ্মপ্ৰাণা মহিলা ৰেৱতী চহৰীয়াৰ কালি ১০১ বছৰত মৃত্যু হয়। ১৯২০ৰ ২১ আগষ্টত জন্মগ্ৰহণ কৰা স্বামীৰ পদাংক অনুসৰণ কৰি সাহিত্য সাধনাত ব্ৰতী হৈছিল। নৈবেদ্য নামৰ কবিতাৰ পুথি ৰচনা কৰাৰ উপৰি মহাভাৰতৰ সুবাস নামৰ শিশুৰ উপযোগী গ্ৰন্থ প্ৰকাশ কৰিছিল। ছিপাঝাৰ বালিকা মজলীয়া বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি তৰি ১৯৮৪ত ঘোঁৰাবান্ধা বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰীৰূপে অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ, পাঁচগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত ছিপাঝাৰ সাহিত্য সভা, দক্ষিণ চুবুৰি ভাস্কৰ খুলীয়া ভাৱৰীয়াৰ দল, দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সভাপতি, সম্পাদক কুলেন্দ্ৰ নাথ ডেকা, নৱ কুমাৰ শইকীয়া, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ছিপাঝাৰ জনতা মহাবিদ্যালয় আদি অনুষ্ঠান, ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

## অসমীয়াৰ বাধ্যতামূলক প্ৰশ্নকাকত বাতিল চৰকাৰৰ হঠকাৰী সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১ ডিচেম্বৰ ঃ** 'অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া ভাষাৰ বাধ্যতামূলক প্ৰশ্ন কাকত বাতিল কৰাটো অসম চৰকাৰৰ এক হঠকাৰী সিদ্ধান্ত। আৰু ই গৰিহণাৰ যোগ্য।' এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ। পৰহি তেওঁ ৰঙিয়াত অসম সাহিত্য সভাৰ তৰফৰ পৰা কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ ১১ সংখ্যক স্মৃতি দিৱসত তেওঁ এইদৰে মন্তব্য কৰে। এই সন্দৰ্ভত তেওঁ আৰু কয় যে অসম সাহিত্য সভাই এই বিষয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লগ কৰিছিল। আৰু তেওঁক অসম সাহিত্য সভাৰ স্পষ্ট মত ব্যক্ত কৰিছে। তেওঁ কয় যে অসমত অসমীয়া ভাষাটো বাধ্যতামূলক কৰিব নোৱাৰাৰ কোনো কাৰণ নাই কিয়নো দেশৰ বিভিন্ন ৰাজ্যৰ লোকসেৱা আয়োগৰ পৰীক্ষাত তেওঁলোকৰ স্থানীয় ভাষা বাধ্যতামূলক। অসমীয়া বিষয়টো বাধ্যতামূলক কৰিলে নতুন প্ৰজন্মৰ মাজত অসমীয়া ভাষা শিক্ষাৰ ক্ষেত্ৰত ধাউতি বাঢ়িব বুলি তেওঁ মত পোষণ কৰে। অসমৰ সাধাৰণ ৰাইজে চৰকাৰৰ এই সিদ্ধান্ত বাতিল কৰাৰ বাবে যি দাবী জনাইছে অসম সাহিত্য সভাইও তেওঁলোকৰ লগত একমত। সভাই অচিৰেই কৰ্ণধাৰ সভা আৰু বিশেষ সভা আহ্বান কৰি এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি কয়। নাগৰিকত্ব সংশোধনী আইনৰ সন্দৰ্ভত তেওঁ কয় যে অসমৰ কোনোৱে এই আইন মানি নলয়। এই আইনৰ বিৰুদ্ধে সাহিত্য সভাই পূৰ্বৰ পৰা মাত মাতি আছে আৰু মাত মাতি যাব। শেহতীয়াভাৱে বৰাক উপত্যকাত চলি থকা ভাষা বিতৰ্ক সন্দৰ্ভত তেওঁ কয় যে এই বিতৰ্ক একাংশ সমাজ বিৰোধী লোকৰ সৃষ্টি। আৰু এই সমস্যাসমূহ আলোচনাৰ জৰিয়তে সমাধান কৰিব পাৰি বুলি সভাপতি ড° শইকীয়াই উল্লেখ কৰে। উল্লেখ্য যে অসম সাহিত্য সভাৰ শতদল শাখা হিচাপে স্বীকৃতিপ্ৰাপ্ত ৰঙিয়া আলোচনী সভাৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠান ৰঙিয়া আলোচনী সভা কাৰ্যালয় শিশুৰাম লহকৰ সাহিত্য ভৱনত অনুষ্ঠিত হয়। ড° মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত পতাকা উত্তোলন কৰে আলোচনী সভাৰ সভাপতি অকণ ডেকাই। পাছতে মহান সাহিত্যিকগৰাকীৰ স্মৃতি তৰ্পণ, মাল্যদান বা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীত ৰঙিয়াৰ উপৰি কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পাছত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে লেখিকা তথা সাহিত্যিক ৰীতা চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° উমেশ চন্দ্ৰ ডেকা, বিশিষ্ট সাহিত্যিক থানেশ্বৰ মালাকাৰ, সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত অপূৰ্ব শইকীয়া, শিশু সাহিত্যিক যুগল লোচন দাস উপস্থিত থাকে। উক্ত সভাত বিশিষ্ট ব্যক্তিসকলে জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীয়ে সাহিত্যৰ ক্ষেত্ৰখনত আগবঢ়োৱা অৱদানৰ, লগতে তেওঁৰ জীৱন আদৰ্শৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে সাহিত্যিকগৰাকীৰ বিভিন্ন লিখনিৰ বিশ্লেষণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি কে'বাগৰাকী লেখাৰ গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ সম্পাদক যাদৱ শৰ্মা, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্ত, আলোচনী সভাৰ প্ৰাক্তন সভাপতি পবিত্ৰ কলিতাসহ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### ■ মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱস সম্পন্ন

## বিশ্বনাথত ভাৰতী ফাউণ্ডেছনৰ বিশেষ সভা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১ ডিচেম্বৰ ঃ** বিদ্যালয়ৰ বিদ্যায়তনিক দিশত বিশেষ সহায়-সহযোগিতা আগবঢ়াই অহা ভাৰতী ফাউণ্ডেছনৰ উদ্যোগত যোৱা ২৯ নৱেম্বৰত বিশ্বনাথ চাৰিআলিৰ বুঢ়ামাধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। সাকোমঠা শিক্ষা খণ্ডৰ চিআৰচি কৰবী শৰ্মা বৰঠাকুৰে আঁতধৰা অনুষ্ঠানত মুখৰগড়ৰ চিআৰচি অপূৰ্ব শৰ্মাই আগন্তুক গুণোৎসৱৰ ওপৰত বিশেষভাৱে পৰ্যালোচনা আগবঢ়ায়। শৰ্মাই নিজৰ বক্তব্যত শিক্ষক-শিক্ষয়িত্ৰীসকলে দৈনিক উপস্থিতিৰ বাবে শিক্ষা বিভাগে জাৰি কৰা 'ৰিমচ' কাৰ্যকৰীকৰণৰ ওপৰতো আলোকপাত কৰে। ভাৰতী ফাউণ্ডেছনৰ বিষয়া পায়েল কলিতাই ফাউণ্ডেছনে বিদ্যালয়লৈ আগবঢ়োৱা বিভিন্ন সহায়ৰ ওপৰত বক্তব্য ৰাখে। সভাত বুঢ়ামাধৱ হাইস্কুলৰ প্ৰধান শিক্ষক সৰ্বানন্দ শইকীয়া, ভাৰতী ফাউণ্ডেছনৰ সুভাষ বসুমতাৰী, ৰণজিৎ শইকীয়া, জোনালী বৰা, নিতুল দেৱচৌধুৰী, মদন শৰ্মা মমী কটকী, অনন্ত বৰুৱা, প্লাৱিতা শইকীয়া, প্ৰিয়ংকা দাস, হিৰণ্য বৰুৱা, প্ৰতিমা ভূঞা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

## একেদিনাই ১১ খনকৈ হাতে লিখা আলোচনী উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১ ডিচেম্বৰ ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰিছে ব্যতিক্ৰমী প্ৰচেষ্টা। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত সহায়ক হোৱাকৈ বিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ 'নুমলী' ধাৰাবাহিকভাৱে প্ৰকাশ হোৱাৰ উপৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে হাতে লিখা আলোচনী প্ৰকাশ কৰি বিদ্যালয়খনক নতুন মাত্ৰা প্ৰদান কৰিছে। সেই অনুক্ৰমে বিদ্যালয়খনৰ ছটা শ্ৰেণীৰ ১১ টা শাখাৰ পৰা প্ৰকাশ কৰা ১১খন হাতে লিখা আলোচনী যোৱা ৩০ নৱেম্বৰত বিদ্যালয়খনত নুমলীগড় শোধনাগাৰৰ বিবেকানন্দ কেন্দ্ৰ চিকিৎসালয়ৰ চিকিৎসক সন্দিপা চক্ৰৱৰ্তীকে ধৰি ১১গৰাকী বিশিষ্ট ব্যক্তিয়ে উন্মোচন কৰে বুলি অধ্যক্ষ মহেন শইকীয়াই জানিবলৈ দিছে।

### ■ নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ব্যতিক্ৰমী পদক্ষেপ

■ বিদ্যুতৰ সংযোগ নাই বিটিচিৰ ১৩খন গাঁৱত ■ সৌৰচালিত লাইটে ভৰসা

# বিদ্যুতৰ অভাৱত দুৰ্বিষহ জীৱন কটাইছে ৰাইজে

**তামাৰহাট, ১ ডিচেম্বৰ ঃ** আধুনিক ডিজিটেল যুগতো বিদ্যুতৰ পোহৰ দেখি পোৱা নাই বিটিচিৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝ'ৰা মহকুমাৰ অন্তৰ্গত ১৩ খন গাঁৱৰ ৰাইজ। স্বাধীনোত্তৰ ৭৫ বছৰ পাছতো বিদ্যুতৰ সংযোগ নহ'ল পৰ্বতজোৰা মহকুমাৰ কাজিগাঁও থানাৰ অন্তৰ্গত বেংডোৰা প্ৰথম খণ্ড, বেংডোৰা দ্বিতীয় খণ্ড, ধুইবাৰী প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ খণ্ড হোৰকম, হাতীখেল, বেদবাৰী, বেঙাইঝোৰা প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ খণ্ড গাঁৱত। উক্ত গাঁওকেইখনৰ ৰাইজৰ ৰাতিৰ এন্ধাৰ দূৰ কৰাৰ বাবে কেৰাচিনৰ চাকি বা সৌৰশক্তিচালিত লাইটেই একমাত্ৰ ভৰসা। আজিৰ এই অত্যাধুনিক যুগতো বিদ্যুতৰ অভাৱত এন্ধাৰৰ মাজত দুৰ্বিষহ জীৱন কটাবলগীয়া হৈছে উক্ত ১৩ খনৰো অধিক গাঁৱৰ ৰাইজে। কেন্দ্ৰীয় চৰকাৰৰ ঘৰ ঘৰ বিজুলী যোগান আঁচনিয়ে ঢুকি পোৱা নাই কোকৰাঝাৰ জিলাৰ পৰ্বতজোৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত গাঁও কেইখনক। দৈনন্দিন জীৱনত নিত্য ব্যৱহাৰ্য ম'বাইল চাৰ্জ, নথিপত্ৰ জেৰক্স আদি সৰু-সুৰা কামৰ বাবে ১০-১৫ কিলোমিটাৰ দূৰলৈ যাব লগা হয় গাঁওকেইখনৰ ৰাইজ। যি সময়ত ৰাজ্যৰ আন আন ঠাইৰ ছাত্ৰ-ছাত্ৰীসকলে অনলাইনযোগে পঢ়া-শুনাৰ লগতে পৰীক্ষাসমূহো দিবলগীয়া হৈছে সেই সময়ত উক্ত গাঁওকেইখনৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে কেৰাচিন তেলৰ চাকি নাইবা মমবাতিৰ পোহৰত পঢ়া-শুনা কৰিবলগীয়া হৈছে। মুঠৰ ওপৰত বিদ্যুতৰ অভাৱত গাঁওকেইখনৰ লোকসকলে আদিম যুগৰ মানুহৰ দৰে বহিঃজগতৰ লগতে যোগাযোগ কৰিব লগা হৈছে। নিৰ্বাচনৰ পূৰ্বে সকলো দল বা প্ৰাৰ্থীয়ে উক্ত গাঁওসমূহত ভোট বিচাৰি উপস্থিত হৈ বিদ্যুতৰ সংযোগ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে যদিও নিৰ্বাচনৰ পাছত কোনো এজন জনপ্ৰতিনিধিয়ে এই বিষয়ত মাত মতা নাই। গাঁওকেইখনত অতি সোনকালে বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিবলৈ ভুক্তভোগী ৰাইজে অসম চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।


গণপ্ৰহাৰত নিহত ছাত্ৰ নেতা অনিমেষ ভূঞালৈ শ্ৰদ্ধাৰ্ঘ্য, টেঙাখাটত বুধবাৰে।

# মাজুলী মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা স্মৃতি কোঁৱৰক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ১ ডিচেম্বৰ ঃ** মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ কৃতী অধ্যাপিকা স্মৃতি কোঁৱৰক যোৱা ৩০ নৱেম্বৰত মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। ১৯৮৯ৰ পহিলা মাৰ্চত মহাবিদ্যালয়ত কৰ্মজীৱন আৰম্ভ কৰা স্মৃতি কোঁৱৰে চলিত বৰ্ষৰ ৩১ জুলাইত বিভাগীয় নিয়ম অনুযায়ী অৱসৰ গ্ৰহণ কৰে যদিও ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত বিদায় সম্বৰ্ধনা অনুষ্ঠান স্থগিত ৰখা হৈছিল। সেয়ে এই অনুষ্ঠানটো শিক্ষাতত্ত্ব বিভাগ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগত সম্পন্ন কৰা হয়। শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা প্ৰণীতা ৰাজখোৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যয়নৰত শিক্ষাতত্ত্ব বিভাগৰ শিক্ষাৰ্থীৰ উপৰি ভালেসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাৰ আৰম্ভণিতে শিক্ষাতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা সূৰ্যকুমাৰী চিৰিং ফুকনে এগছি বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে বিভাগটো শিক্ষাৰ্থীসকলে প্ৰকাশ কৰি উলিওৱা এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে সদ্যঅৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা স্মৃতি কোঁৱৰে। শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিজয় তিমুঙে আঁত ধৰা অনুষ্ঠানত এটা উদ্বোধনী বৰগীত পৰিৱেশন কৰে ছাত্ৰী শিল্পীশিখা দাসে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সভা উদ্বোধন কৰি পণ্ডিত চাণক্যৰ উপমাৰে বিদায়ী অধ্যাপিকাগৰাকীৰ প্ৰসংগত তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। সভাখনত মহাবিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যাপক ক্ৰমে মোক্ষেশ্বৰ শইকীয়া, জিতেন ডেকা, ড° আনন্দ হাজৰিকা, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গিৰীশ বৰাৰ উপৰি অৱসৰ গ্ৰহণ কৰিব লগা অধ্যাপক অমৃতেশ্বৰ চুতীয়াক একোখনকৈ গ্ৰন্থ আৰু অংগবস্ত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াক এখন অংগবস্ত্ৰৰে আদৰণি জনায়। বৰ্তমানৰ প্ৰশাসনিক সম্বয়ক হৰেন শইকীয়া, শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্তকো সম্বৰ্ধনা জনোৱাৰ পাছতে অৱসৰপ্ৰাপ্ত অধ্যাপিকা স্মৃতি কোঁৱৰক সম্বৰ্ধনাপত্ৰ, বিগত দিনৰ স্মৃতি জড়িত ফটো, শৰাই সঁফুৰা, বেতৰ বিচনী, অংগবস্ত্ৰ আৰু গছপুলি আদিৰে সশ্ৰদ্ধ সম্ভাষণ জ্ঞাপন কৰে। বিদায়ী অধ্যাপিকাগৰাকীৰ কৃতিত্ব উল্লেখ কৰি সভাত উপস্থিত থকা অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ লগতে বিভাগীয় অধ্যাপক-অধ্যাপিকাসকলে বক্তব্য দাঙি ধৰে। ইয়াৰ উপৰি যথেষ্ট সংখ্যক প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানত অনিৰ্বাণ দত্ত, বীৰেন বৰা, নৱনীতা বৰা অৰ্চনা বৰা, লক্ষ্যজিৎ কামান, পদ্ম ৰেগন আদিয়ে অশ্ৰুসিক্ত নয়নেৰে তেওঁৰ গুণানুকীৰ্তন কৰি বক্তব্য আগবঢ়ায়। সভাখনত ড° দেৱজিৎ শইকীয়াই স্মৃতি কোঁৱৰৰ বিদায় দিনত ৰচনা কৰা এটি সুন্দৰ কবিতা প্ৰাক্তন ছাত্ৰ অনিৰ্বাণ দত্তই পাঠ কৰে। সভাৰ সঞ্চালক প্ৰণীতা ৰাজখোৱাই সুদীৰ্ঘ কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ অৱসৰে বিভাগলৈ অনা শূন্যতাৰ প্ৰসংগত অৱলোকন কৰি সকলোৰে পৰা সহায়-সহযোগিতা কামনা কৰে।

# ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট

■ বিদ্যালয় কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ দাবী

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ১ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ নদুৱাৰৰ অন্তৰ্গত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। বিদ্যালয় কৰ্তৃপক্ষৰ সোপাঢিলা নীতি আৰু কঠোৰ অনুশাসন নথকা বাবেই চৰম অৰাজকতাৰ সৃষ্টি হোৱা বুলি অভিযোগ তুলিছে একাংশ অভিভাৱকে। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ প্ৰায়সকল ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ মুক্তভাৱে লৈ আনে ম'বাইল ফোন। পাঠ গ্ৰহণৰ সময়তো একাংশ ছাত্ৰ-ছাত্ৰী ব্যস্ত থাকে ম'বাইল ফোনত। যাৰ ফলত বিনষ্ট হৈছে শৈক্ষিক পৰিৱেশ। তদুপৰি ছাত্ৰসকলে পশ্চিমীয়া সংস্কৃতি অনুসৰণ কৰি চুলি কাটি বিদ্যালয়লৈ অহাত অস্বস্তিত পৰিছে শিক্ষক সমাজো। বিশেষকৈ উচ্চতৰ মাধ্যমিক শাখাত এনেবোৰ উচ্ছৃংখল পৰিৱেশে শৈক্ষিক ক্ষেত্ৰখনত বিৰূপ প্ৰভাৱ পেলোৱা বুলি অভিযোগ কৰিছে অভিভাৱক সমাজে। আনহাতে, শৈক্ষিক নীতি অনুসৰি একোজন বিষয় শিক্ষকে নৱম-দশম শ্ৰেণীতো পাঠদান কৰিব লাগে যদিও বিদ্যালয়খনৰ কোনো বিষয় শিক্ষকে নৱম-দশম শ্ৰেণীত পাঠদান নকৰে বুলিও অভিযোগ কৰিছে।বিদ্যালয়খনৰ অধ্যক্ষৰ প্ৰশাসনিক দুৰ্বলতাৰ বাবেই বিদ্যালয়খনৰ শৈক্ষিক ক্ষেত্ৰখনত চৰম অৰাজক পৰিস্থিতি উদ্ভৱ হোৱা বুলি মন্তব্য কৰে একাংশ অভিভাৱকে। বিদ্যালয়ৰ পাঠদানৰ সময়তো একাংশ শিক্ষকে বিদ্যালয়ৰ বাহিৰৰ চাহ-দোকান, পাণ দোকানত আড্ডা দি থকা বুলিও অভিযোগ তুলিছে অভিভাৱক সমাজে। বিদ্যালয়খনত সুস্থ শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালনা কমিটীকে ধৰি উচ্চ কৰ্তৃপক্ষক দাবী তুলিছে অঞ্চলটোৰ সচেতন মহলে।

# নৱম শ্ৰেণীৰ পঞ্জীয়ন পেপাৰ ফাদিলক লৈ প্ৰধান শিক্ষকক জেৰা

অগ্ৰদূত বাৰ্তা
**গোৰেশ্বৰ, ১ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ গুৰমৌ হাইস্কুলত ছয় মাহিলি পৰীক্ষা চলি থকাৰ সময়তে দুজন ছাত্ৰৰ নাম পঞ্জীয়নক লৈ বিদ্যালয়খনৰ একাংশ অভিভাৱক আৰু স্থানীয় ৰাইজে অপ্ৰীতিকৰ পৰিবেশে সৃষ্টি কৰে। স্থানীয় ৰাইজ তথা একাংশ অভিভাৱকৰ অভিযোগ মতে, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰ এজন পুত্ৰ আৰু এজন ভতিজা ল'ৰাই কমাৰগাঁও আদৰ্শ জাতীয় বিদ্যালয়ত নৱম মান শ্ৰেণীত অধ্যয়ন কৰি আছিল। পাছত ছাত্ৰ দুজনৰ পঞ্জীয়ন নম্বৰ গুৰমৌ হাইস্কুলৰ কৰি লয় বুলি সদৰী কৰাত এই পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি সোমবাৰে বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ ছয় মাহিলিৰ ইংৰাজী পৰীক্ষা অনুষ্ঠিত হৈছে আৰু উক্ত ছাত্ৰ দুজনে গুৰমৌ হাইস্কুলৰ পৰা আগতীয়াকৈ প্ৰশ্নোত্তৰ লৈ প্ৰশ্নোত্তৰ ঘৰতে লিখি বিদ্যালয়ত পৰীক্ষাৰ বহী জমা দিয়ে বুলি অভিযোগ কৰে একাংশই। লগতে ঘটনাক কেন্দ্ৰ কৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষকজন জবাবদিহি কৰে একাংশই। পাছত প্ৰধান শিক্ষকগৰাকীয়ে ভুল স্বীকাৰ কৰাৰ লগতে প্ৰশ্নকাকত ফাদিল হোৱা নাই বুলি দাবী কৰে আৰু পৰীক্ষা শেষ হোৱাৰ পাছতেহে প্ৰশ্নকাকত আৰু পৰীক্ষাৰ বহী দিয়া হৈছিল বুলি সদৰী কৰে। ইপিনে ঘটনাৰ উচিত তদন্তৰ দাবী জনাইছে একাংশ অভিভাৱক আৰু স্থানীয় ৰাইজে।

# দীক্ষিতা নেওগলৈ মুনীন বৰুৱা সোঁৱৰণী বঁটা

অগ্ৰদূত বাৰ্তা
**চিনামৰা ১ ডিচেম্বৰ ঃ** যোৰহাটৰ মুনীন বৰুৱা মেম'ৰিয়েল মিউজিক কলেজৰ বিদ্যাৰ্থী দীক্ষিতা নেওগে চলিত বৰ্ষৰ প্ৰয়াত মুনীন বৰুৱা সোঁৱৰণী বঁটা লাভ কৰিছে। তেওঁ ২০১৯-২০ৰ কণ্ঠ সংগীতৰ বিশাৰদ চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়খনৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বৰ্ষশ্ৰেষ্ঠ সন্মান লাভ কৰাৰ বাবে তেওঁলৈ মুনীন বৰুৱা সোঁৱৰণী বঁটা আগবঢ়োৱা হৈছে। বিদ্যুত কুঞ্জ জাতীয় বিদ্যালয় আৰু ছ্যুকাফা চাৰুকলা-সংগীত বিদ্যালয়ৰ শিক্ষয়িত্ৰী দীক্ষিতা নেওগ যোৰহাট ডেকা গাঁও নিবাসী অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ভৈৰৱ নেওগ আৰু মন্দিৰা নেওগৰ কন্যা আৰু প্ৰয়াত পৰেশ চন্দ্ৰ মেধী, অৰ্চনা মেধীৰ বোৱাৰী আৰু লায়ন্স চকু চিকিৎসালয়ৰ প্ৰশাসনিক বিষয়া সঞ্জু সম্ৰাট মেধীৰ পত্নী।

# কমৰেড ধৰণী ৰিজালৰ মৃত্যু দিৱসত বিশ্বনাথৰ গেলাপুখুৰীত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১ ডিচেম্বৰ ঃ** সন্ত্ৰাসবাদৰ আপোচহীন সংগ্ৰামী, ভাৰতৰ কমিউনিষ্ট পাটি (মাৰ্ক্সবাদী)ৰ আজীৱন সদস্য কমৰেড ধৰণী ৰিজালৰ কালি ২৪ সংখ্যক মৃত্যু দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ৩০ নৱেম্বৰত বিশ্বনাথ জিলাৰ গেলাপুখুৰী অঞ্চলৰ গৰীৱ কৃষকৰ নিজৰ অধিকাৰ ৰক্ষা আন্দোলনৰ নেতৃত্ব প্ৰদান কৰি সেই সময়ৰ এনডিএফবি উগ্ৰপন্থীৰ হাতত মৃত্যু হৈছিল ৰিজালৰ। কমৰেড ৰিজালে মৃত্যুক সন্মুখত দেখিও নিজৰ আদৰ্শৰ পৰা বিচলিত হোৱা নাছিল। তেওঁ কমিউনিষ্ট পাটি (মাৰ্ক্সবাদী)ৰ এজন নীতি-নিষ্ঠাবান কৰ্মী আছিল। আজি চিপিআই (এম)-এ স্মৰণ কৰি বিশ্বনাথ জিলা সমিতিয়ে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে।

# কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি, উপ-সভাপতি, সম্পাদক নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা
**তামাৰহাট, ১ ডিচেম্বৰ ঃ** কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কমিটীত খালী হৈ থকা কাৰ্যকৰী সভাপতি, উপ-সভাপতি, তিনিগৰাকী সম্পাদক আৰু সাংগঠনিক সম্পাদকৰ পদসমূহ কেন্দ্ৰীয় কমিটীৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ জৰিয়তে পূৰণ কৰা হয় বুলি কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক দুলাল চন্দ্ৰ ৰায়ে এক বিবৃতিযোগে সাংবাদিকক জানিবলৈ দিয়ে। লগতে উল্লেখ কৰে যে ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কমিটীত কাৰ্যকৰী সভাপতি, উপ-সভাপতি, তিনি সম্পাদক আৰু এটা সাংগঠনিক সম্পাদকৰ পদ কিছু দিন ধৰি খালী হৈ আছিল। উক্ত খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ বাবে যোৱা ৩০ নৱেম্বৰত বঙাইগাঁৱৰ পাব্লিক লাইব্ৰেৰী প্ৰাংগণত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি অতুল ৰায়ে সভাপতিত্ব কৰা সভাখনত কেন্দ্ৰীয় কমিটীৰ সমূহ বিষয়াববীয়া আৰু ১২ খন জিলা কমিটীৰ প্ৰতিনিধিৰ উপস্থিতিত সৰ্বসন্মতিক্ৰমে ৰূপজ্যোতি দত্তক কাৰ্যকৰী সভাপতি, নাৰায়ণ মেধিক উপ-সভাপতি, নিতুল ৰাজবংশী, বিপ্লৱ ৰায় আৰু ৰূপক ৰায়ক সম্পাদক আৰু প্ৰদীপ দত্তক সাংগঠনিক সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ উপৰি উক্ত কাৰ্যনিৰ্বাহক সভাতে ৰিংকুমণি বৰুৱাক সভানেত্ৰী, মৃদুলা দত্তক কাৰ্যকৰী সভানেত্ৰী আৰু নিহাৰ বালা ৰায়ক সাধাৰণ সম্পাদিকা হিচাপে লৈ কোচ ৰাজবংশী মহিলা সংগ্ৰাম সমিতিৰ ২১ জনীয়া সদস্যাৰে আহ্বায়ক কমিটীখন গঠন কৰা হয়। অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণৰ দাবীত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ প্ৰতিখন জিলা কমিটীয়ে অহা ১৫ ডিচেম্বৰত সংশ্লিষ্ট জিলাসমূহৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখনকৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা, অহা ২০২২ৰ বাজেট অধিবেশনৰ সময়ত একেটা দাবীৰ সমৰ্থনত দিছপুৰ লাষ্টগেটত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰাৰ লগতে কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত সভাতে গ্ৰহণ কৰা হয়।

# আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বলেন কলিতাক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**আজাৰা, ১ ডিচেম্বৰ ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী বলেন কলিতাক চাকৰিৰ পৰা কালি অৱসৰ গ্ৰহণ কৰা উপলক্ষে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে স্বাস্থ্য কেন্দ্ৰ চৌহদত আয়োজিত সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত স্বাস্থ্য তথা মহকুমা স্বাস্থ্য বিষয়া ড° ধ্ৰুৱজ্যোতি বৰুৱাই। উল্লেখ্য ব্যাখ্যা কৰে উপ অধীক্ষক ড০ এন চি শৰ্মা বৰদলৈয়ে। সভাত ড০ অৰণী গোস্বামী, মানস শেখৰ বৰুৱা, মনসা দাস, ভানুপ্ৰভা দেৱী প্ৰমুখ্যে কে'বাজনেও বলেন কলিতাক গামোছা, শৰাই, ছাতি, শ্ৰীকৃষ্ণ গীতা, চোলা-গেঞ্জি আদিৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ প্ৰত্যুত্তৰত কলিতাই কৰ্ম জীৱনৰ কাৰ্যকালত অজানিতে যদি কাৰোবাক কিবা আঘাট দিছিল তাৰবাবে ক্ষমা কৰি দিবলৈ অনুৰোধ জনায়।

# মটৰ চাইকেলৰ খুন্দাত গুৰুতৰভাৱে আহত শিশু


অগ্ৰদূত বাৰ্তা
**বিহালী, ১ ডিচেম্বৰ ঃ** বিভিন্ন সময়ত উদণ্ড মটৰ চাইকেল চালকৰ হাতত বহুজনে প্ৰাণ হেৰুৱাৰ লগতে আজীৱন পংগু হৈ আছিছে। যোৱা ১৫ দিন পূৰ্বে নতুন ৰৌমাৰীৰ এজন ৫২ বছৰীয়া লোকৰ এনে এক দুৰ্ঘটনাত মৃত্যু হৈছিল। যোৱা ২২ নৱেম্বৰতো জনতাৰ শংকৰদেৱ শিশু নিকেতনৰ এজন ছাত্ৰ আঘাতপ্ৰাপ্ত হৈছে। যোৱা ২৮ নৱেম্বৰত দিনৰ ১১ বজাত জনতাৰ শংকদেৱ শিশু নিকেতনৰ ছাত্ৰ (আঠ) জ্যোতিপ্ৰৱণ দাস পিতা অপূৰ্ব দাসৰ পুত্ৰ নিজৰ ঘৰৰ কাষৰ দোকানৰ পৰা আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা তীব্ৰবেগী মটৰ চাইকেলখনে খুন্দা মৰাত দূৰৈত ছিটিকি পৰে জ্যোতিপ্ৰৱণ দাস, ইমানেই প্ৰচণ্ড খুন্দা আছিল যে মূৰৰ ভিতৰৰ খোলাটো এফালে সাত টুকুৰা হৈ ভাগি যায়। বৰ্তমান শিশুটোৰ তেজপুৰস্থিত টাইমচ হাস্পতালত মৃত্যুৰ স'তে যুঁজ দি আছে। আটাইকৈ ডাঙৰ কথা হ'ল শিশুটো ঘৰৰ পৰিয়ালটো আৰ্থিক দিশত একেবাৰে দুৰ্বল। এতিয়া শিশুটোক বচাবলৈ পৰিয়ালটো ভীষণ অসুবিধাৰ সন্মুখীন হৈছে চিকিৎসকে দুই লক্ষাধিক টকাৰ প্ৰয়োজন বুলি জানিবলৈ দিছে। কণমানি শিশুটোক জীৱন দানৰ বাবে ৰাইজৰ দান-বৰঙণি তথা সহায়ৰ প্ৰয়োজন বুলি অভিভাৱকে সাংবাদিকক জানিবলৈ দিছে। উদণ্ড চালকক কোনে নাকী লগাব এই বিষয়ত চিন্তিত হৈ পৰিছে বিহালী থানাৰ অন্তৰ্গত জনতাৰ শংকৰদেৱ শিশু নিকেতনৰ অভিভাৱকসকল। বিহালী আৰক্ষী আৰু ৰাংছালীৰ বিভিন্ন দল-সংগঠনৰ ওচৰত সচেতন লোকৰ আহ্বান এই উদণ্ড চালকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক নহ'লে এই মটৰ চাইকেলৰ হাতত আৰু অঘটন সংঘটিত হোৱাৰ আংশকাই অধিক।

# নগাঁৱত মহিলা আৰু শিশুৰ বাবে জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চ গঠন

বিশেষ সংবাদদাতা
**নগাঁও, ১ ডিচেম্বৰ ঃ** নগাঁও জিলা সমাজ কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত দেৱহুতি বৰাৰ কাৰ্যালয়ত মহিলা শিশুৰ বাবে জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চ গঠন আৰু প্ৰথমখন সভা অনুষ্ঠিত কৰা হয়। ১২ গৰাকী বিষয়াৰে গঠিত টাস্ক ফ'ৰ্চে জিলাখনৰ মহিলা আৰু শিশুৰ বিভিন্ন সমস্যাসমূহৰ ওপৰত দৃষ্টি চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণৰ ব্যৱস্থা কৰিব। সভাত জিলাখনৰ মহিলা আৰু শিশুসকলৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত আলোচনা কৰা হয়। মহিলা আৰু শিশুৰ স'তে সম্পৰ্কিত সমস্যাৰ মোকাবিলা কৰাত উদ্ধাৰকাৰী দলে সন্মুখীন হোৱা সমস্যাসমূহ আৰু মহিলা শক্তি কেন্দ্ৰৰ ভূমিকাৰ ওপৰত আলোকপাত কৰা হয়। সভাত জিলা সমাজকল্যাণ বিষয়া, জিলা বিদ্যালয় পৰিদৰ্শক, স্বাস্থ্য বিভাগৰ প্ৰতিনিধি, চাইল্ড লাইনৰ প্ৰতিনিধি, জিলা জনসংযোগ বিষয়া প্ৰমুখ্যে ১২ জনীয়া কমিটীৰ আন সদস্যসমূহ উপস্থিত থাকে।

# হাজোত লাটমণ্ডলৰ বিদায় সম্বৰ্ধনা সভা

অগ্ৰদূত বাৰ্তা
**হাজো, ১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ চৌহদত অৱস্থিত গাঁওবুঢ়া ভৱনত হাজো ৰাজহ চক্ৰত কৰ্মৰত লাটমণ্ডল মইনুল হক চৌধুৰীক বিদায় দিয়াৰ উদ্দেশ্যে যোৱা যোৱা ৩০ নৱেম্বৰত এক বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাজোৰ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালৰ পৌৰোহিত্যত বিদায় সভা অনুষ্ঠিত হয়। সভাত কাৰ্যালয়টোত সম্প্ৰতি কৰ্মৰত লাটমণ্ডল বিশেষকৈ লাটমণ্ডল ধীৰেন দাস, ছমৰীয়াৰ লাটমণ্ডল প্ৰদীপ কলিতা, লাটমণ্ডল তিলক দাসকে ধৰি কে'বাগৰাকী সহকৰ্মী লাটমণ্ডলে পুৰণি স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। ৰাজহ চক্ৰ বিষয়া (সংলগ্ন) স্নেহা ভৰালীৰ উপস্থিতিত বিদায়ী লাটমণ্ডল চৌধুৰীয়ে বিদায়ী বেলাত পূৰ্বৰ অভিজ্ঞতা সোঁৱৰি আবেগিক হৈ পৰে। ইয়াৰ পাছতে হাজো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ পৰা এখন ফুলাম গামোচা, এটি ছাতি, এখন পৱিত্ৰ কোৰান শ্বৰীফ আৰু এটি পিতলৰ শৰাইৰে সম্বৰ্ধনা শৰাইৰে সম্বৰ্ধনা জনায়। সভাত হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালে কয় যে আমাৰ মাজৰ পৰা সুদীৰ্ঘ ১৭ বছৰ বিৰতিত লাটমণ্ডল চৌধুৰী বিদায় ল'লে। এই বিদায় আমাৰ বাবেও এক দুখজনক কিন্তু বিদায়ী লাটমণ্ডল চৌধুৰীৰ হাতৰ আখৰৰ কালি বিদায় সভাতে শলাগ লয়। সভাত ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীৰ লগতে হাজোৰ একাংশ গাঁওবুঢ়াও উপস্থিত থাকে।


মাজুলীত ছাত্ৰ নেতা অনিমেষৰ হত্যাকাণ্ডৰ প্ৰতিবাদ আছুৰ, বুধবাৰে।

# জালাহত আঠ কোটি টকাৰ পকী পথৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা
**জালাহ, ১ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ জালাহত কালি বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই জালাহৰ পৰা জিলাৰ সদৰ মুছলপুৰলৈ যোৱা অতি গুৰুত্বপূৰ্ণ পথটোৰ ৭.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা ৮.১ কোটি টকাৰে নিৰ্মাণ কৰিবলৈ লোৱা পথৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি কাৰ্যবাহী সদস্য ব্ৰহ্মই সংবাদ মাধ্যমৰ আগত কয় যে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে যিহেতু ককলাবাৰী সমষ্টিৰ প্ৰতিনিধি, সেয়ে তেওঁ প্ৰথমতে ৮.১ কোটি টকাৰে এই জালাহৰ পৰা জিলাৰ সদৰ মুছলপুৰলৈ যোৱা পথৰ ৭.৫ কিলোমিটাৰ পথ পকীকৰণৰ কাম আৰম্ভ কৰিবলৈ ব্যৱস্থা কৰিছে। অতি শীঘ্ৰে এই পথটোৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব। জালাহৰ বিভিন্ন দিশ উন্নয়ন কৰা হ'ব বুলি উল্লেখ কৰি কাৰ্যবাহী সদস্য ব্ৰহ্মই পুনৰ কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোৱাৰ দৰেই জালাহত এটা প্ৰেক্ষাগৃহ অতি সোনকালে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ সংযোগী বিভিন্ন ৰাস্তা নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত জালাহ ভিচিডিচিৰ সভাপতি দ্বিজেন্দ্ৰ দাসকে আদি কৰি কে'বাগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

# বড়িগাঁও বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ১ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বড়িগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিনীতা চক্ৰৱৰ্তীয়ে যোৱা ৩০ নৱেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাত ম্ৰিয়মান হৈ পৰিছে সহকৰ্মী তথা ছাত্ৰ-ছাত্ৰীসকলে। অৱসৰৰ দিনটোতে বিদ্যালয় কক্ষত এখন বিদায় সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিয়ে সভানেত্ৰী লক্ষী বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত পঞ্চায়ত সভানেত্ৰী স্বপ্না বৰা, পঞ্চায়ত সচিব নবিবৰ ৰহমান, শিক্ষা সমন্বয়ক উদয় শৰ্মাকে ধৰি শতাধিক লোকে সভাখনত অংশ লয়। উল্লেখ্য যে ২০১৭ত অসম চৰকাৰৰ পৰা চক্ৰৱৰ্তীয়ে কৃতী শিক্ষকৰ সন্মান লাভ কৰিছিল।

# বিটিআৰত অসমীয়া ভাষাক এলাগী কৰাৰ মানসিকতাক ধিক্কাৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ১ ডিচেম্বৰ ঃ** বিটিআৰত অসমীয়া ভাষাক এলাগী কৰি আন ভাষাক প্ৰাধান্য দিয়া সন্দৰ্ভত অবড়ো সুৰক্ষা সমিতিৰ প্ৰাক্তন কেন্দ্ৰীয় সম্পাদক জোন দাসে এই কাৰ্যৰ বিৰোধিতা কৰি কৰিছে। এক বিবৃতিত দাসে কয় যে নিখিল বড়ো ছাত্ৰ সন্থাৰ নিজস্ব স্বগোষ্ঠীয় ভাষাক প্ৰাধান্য দি বিটিআৰত অসমীয়া ভাষাক এলাগী কৰাৰ মানসিকতাক ধিক্কাৰ তথা গৰিহণা দিওঁ। তেওঁ কয় যে জন্মৰ পাছৰে পৰা আমি দৈনন্দিন জীৱনত আইৰ মুখত যি মাত শুনো, যি মাত শুনিলে আমাৰ মন বিমল সুখ-শান্তিৰে ভৰি পৰে সেই ভাষাই হৈছে আমাৰ মাতৃভাষা অসমীয়া। মাতৃভাষা এটা জাতিৰ জীৱনী শক্তিৰ প্ৰতীক। এটা জাতিৰ কৃষ্টি-সংস্কৃতি, ইয়াৰ ঐতিহ্য-পৰম্পৰা সকলো সেই ভাষাৰ মাজতে নিহিত হৈ থাকে, সেয়ে এটা ভাষাৰ মৃত্যু মানে এটা জাতিৰ মৃত্যু। অসমত বাস কৰা প্ৰত্যেক জন নাগৰিকে অনুভৱ কৰা উচিত যে অসমীয়া ভাষা অবিহনে যিকোনো ক্ষেত্ৰতে আমি আমাৰ অসমীয়া হিচাপে পৰিচয় অপৰিচিত। বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত অসমত মাতৃভাষা অসমীয়া অবিহনে কোনোকালে সম্ভৱপৰ নহয়। উল্লেখ্য যে আজি নিখিল বড়ো ছাত্ৰ সংগঠনৰ নিচিনা এটা অসমৰ খিলঞ্জীয়া জাতিক প্ৰতিনিধিত্ব কৰা সংগঠনটোৰ নেতৃত্বৰ জাতিগতভাৱে ভাষা বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰৰ দাবীয়ে অসমখনক পুনৰবাৰ বিভাজিত হোৱাৰ দিশত ধাৱমান কৰোৱাৰ দিশ প্ৰকাশিত হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে জোন দাসে। অসমত বসবাস কৰা প্ৰত্যেকটো জাতি, জনগোষ্ঠীয়ে অনুভৱ কৰা উচিত যে কেৱল মাত্ৰ আমাৰ এই মাতৃভাষা অসমীয়াৰ কাৰণে আমি আজি বিভিন্ন মতভেদ, মতবাদ ইত্যাদি হোৱাৰ পাছতো আমি আজি একত্ৰিত। আজি যদি অসমৰ সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠীয়ে অসমীয়া ভাষাটো পৰিহাৰ কৰি নিজ নিজ জাতি বা-জনগোষ্ঠীয় ভাষাৰ ব্যৱহাৰ কৰা আৰম্ভ কৰে তেনেহ'লে আই অসমীৰ সাতামপুৰুষীয়া ভাষা অসমীয়া আৰু অসমৰ অস্তিত্ব ক'ত থাকিব। বাৰ্তাটোত তেওঁ কয় যে অসমত মাতৃভাষা অসমীয়াক জীয়াই ৰক্ষাৰ কাৰণে ১৯৬০ৰ ভাষা আন্দোলনত কোনো বড়ো, ৰাভা, মিচিং, দাস, কলিতা, বৰ্মন, হুছেইন ছহিদ হোৱা নাছিল, ছহিদ হৈছিল এজন প্ৰকৃত আই অসমীক ভালপোৱা অসমীয়াৰ। আজি নিখিল বড়ো ছাত্ৰ সন্থাই পুনৰবাৰ বিটিআৰৰ বড়ো মাধ্যমৰ স্কুলৰ পৰা অসমীয়া ভাষাটো উঠাই লোৱাৰ দাবী কৰি কেৱল মাত্ৰ নিজৰ জাতিটোৰ নিজস্ব ভাষাৰ কথা চিন্তা কৰি অসম বিদ্বেষী মনোভাৱৰহে বহিঃপ্ৰকাশ ঘটা বুলি দাসে ব্যক্ত কৰে। উল্লেখ্য যে কেৱল মাত্ৰ নিজৰ জাতি গঠনৰ লগতে নিজৰ ভাষা, কলা-সংস্কৃতিৰ ৰক্ষাৰ স্বাৰ্থতে বিগত দিনৰ পৰা যুঁজি অহা মনোভাৱ আৰু চুক্তিৰ নামত চুক্তি আৰু তাৰ আলম লৈ আমাৰ নিজৰে ভাই-ভনীৰ লগত বাৰে বাৰে প্ৰতাৰণা হৈ আহিছে।

### মাতৃভাষা এটা জাতিৰ জীৱনী শক্তিৰ প্ৰতীক

■ কদৰ্যময় পথ ঃ পথৰ ওপৰতে অবৈধ পাৰ্কিং ■ ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# হোজাইত ধোঁৱাচাঙত স্বচ্ছ ভাৰত মিছন অভিযান

অগ্ৰদূত বাৰ্তা
**হোজাই, ১ ডিচেম্বৰ ঃ** আমাৰ চাৰিওফালৰ পৰিৱেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা অবিহনে সুস্থ জীৱন-যাপন কল্পনা কৰিব নোৱাৰি। মানসিক, শাৰীৰিক, বৌদ্ধিক আৰু সামাজিক সকলো ধৰণে স্বাস্থ্যৱান হৈ থাকিবলৈ হ'লে প্ৰতিজন মানুহে তেওঁৰ ঘৰৰ চৌপাশৰ লগতে চোতাল, বাট-পথ, হাট-বজাৰ পৰিষ্কাৰ কৰি ৰাখিব লাগে। কিন্তু ইয়াৰ বিপৰীত ছবি দেখা গৈছে হোজাইৰ নীলবাগানত। হোজাইৰ নীলবাগান তিনিআলিৰ অভাৰব্ৰীজৰ পূব ফালে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত একাংশ ব্যৱসায়ীয়ে গেলা-পচা বস্তু পেলোৱাৰ ফলত ঠাইখন দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰীসকলে নাকে-মুখে কাপোৰেৰে মুখত সোপা দি পাৰ হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। ঠাইখনত দুৰ্গন্ধময় পৰিৱেশে বিৰাজ কৰিছে। স্থানীয় লোকসকলে নিৰৱ দৰ্শকৰ ভূমিকা পালন কৰিছে। আনকি স্থানীয় প্ৰশাসনো এই ক্ষেত্ৰত নীৰৱ। ফলত ধোঁৱাচাঙত উঠিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন। ইফালে, নীলবাগান তিনিআলিত থকা অবৈধ গাড়ী পাৰ্কিঙে ৰাইজৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰী অহা-যোৱাৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজ আৰু নীলবাগানৰ নাগৰিক সমাজে এই অবৈধ গাড়ী পাৰ্কিং উচ্ছেদ কৰিবলৈ হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ হস্তক্ষেপ কামনা কৰিছে।



# অনিমেষৰ বাসগৃহত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিনিধিৰ দল

## ■ দৃষ্টান্তমূলক শাস্তি, ক্ষতিপূৰণ, সংস্থাপনৰ দাবী

বিশেষ সংবাদদাতা

**গোলাঘাট, ১ ডিচেম্বৰ ঃ** যোৰহাট নগৰৰ মাজমজিয়াত বৰ্বৰ হত্যাৰ বলি হোৱা ছাত্ৰ নেতা অনিমেষ ভূএঞাৰ গোলাঘাট জিলাৰ খকগুগুৰিৰ বাসগৃহত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিনিধি দল এটা আজি উপস্থিত হৈ পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাৰ নেতৃত্বত যোৱা দলটোৱে অসম সাহিত্য সভাৰ তৰফৰ পৰা প্ৰধান সম্পাদক যাদৱ শৰ্মাই পৰিয়ালক এক শোক প্ৰস্তাৱ প্ৰদান কৰে। উক্ত ঘটনাত জড়িত প্ৰতিজনক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায়। লগতে দুৰ্ভগীয়া পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু পৰিয়ালটোৰ উপযুক্ত লোকক উপযুক্ত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। উক্ত প্ৰতিনিধি দলটোত অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, জিলা প্ৰতিনিধি দিগন্ত কুমাৰ ভূএঞা, কাৰ্যনিৰ্বাহক সদস্য সঞ্জয় কুমাৰ তাঁতী, জিলা সাহিত্য সভাৰ সভাপতি পবিত্ৰ বৰবৰা, সহকাৰী সম্পাদক, অধ্যাপক দেৱজিৎ ফুকন, আজীৱন সদস্য, অসম সাহিত্য সভাৰ ১০৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আদৰণি সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱা, পশ্চিম ব্ৰহ্মপুত্ৰ শাখা সাহিত্য সভাৰ সভাপতি ১৩ পৃষ্ঠাত চাওক

# যোৰহাটত ‘হৰ ঘৰ দস্তক’ অভিযানত যোৰহাট জিলাৰ অভিভাৱক সচিব



ষ্টাফ ৰিপ’ৰ্টাৰ

**যোৰহাট, ১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰধান সচিব তথা যোৰহাট জিলাৰ অভিভাৱক সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে যোৰহাট জিলাত ২৯ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা ‘হৰ ঘৰ দস্তক’ ১৩ পৃষ্ঠাত চাওক

# কামৰূপ জিলাত একেদিনাই ৯২২ টা আত্মসহায়ক গোটলৈ ঋণ প্ৰদান

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কামৰূপ জিলাৰ ৯২২টা আত্মসহায়ক গোটক লৈ ঋণ প্ৰদান কৰা হয়। কামৰূপ জিলা গ্ৰামীণ জীৱিকা অভিযান পৰিচালনা গোট আৰু শুৱালকুছি উন্নয়ন খণ্ডৰ অধীনত থকা আত্মসহায়ক গোটৰ মণ্ডল পৰ্যায়ৰ সংগঠন আশাদ্বীপৰ সহযোগত যোৱা ৩০ নৱেম্বৰত শুৱালকুছিৰ বস্ত্ৰ উদ্যানৰ সভা কক্ষত অনুষ্ঠিত সভাত মুঠ ২৩.৫৬ কোটি টকাৰ ঋণ মঞ্জুৰি পত্ৰ প্ৰদান কৰা হয়। ইয়াৰে ৫২০ টা আত্মসহায়ক গোটৰ ৮.৪৮ কোটি টকা ইতিমধ্যে বেংকসমূহে মোকলাই দিছে। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতিয়ে কয় যে বেংকৰ সবল-সহযোগত আত্মসহায়ক গোটৰ সদস্যসকলৰ আয় বৃদ্ধি হৈছে। বেংকৰ সহযোগ অবিহনে গোটসমূহে ভবা ধৰণে আয় বঢ়াব নোৱাৰিলেহেঁতেন। কামৰূপ ১৩ পৃষ্ঠাত চাওক



## ■ গমাৰিগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পত নাই বিষয়া, আন্তঃগাঁথনি অবিহনে চলি আহিছে প্ৰকল্পৰ কাৰ্যালয়

# জৰাজীৰ্ণ কাৰ্যালয়ত চলিছে কাম-কাজ



তেজপুৰত বিশ্ব এইডছ্ দিৱস উপলক্ষে সজাগতামূলক সমদল, বুধবাৰে।

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত গমাৰিগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পত আজি দীৰ্ঘদিন ধৰি প্ৰকল্প বিষয়া নথকাত কেন্দ্ৰৰ কৰ্মী-সহায়িকাসকলে দুৰ্ভোগ ভুগিব লগা হৈছে। যোৱা আগষ্টতে প্ৰকল্প বিষয়াগৰাকী বদলি হৈ যোৱাৰ পাছত আজিকোপতি চৰকাৰে প্ৰকল্প বিষয়া নিযুক্তি দিয়া নাই বা পূৰ্বৰ সেই বিষয়াগৰাকীৰ বিপৰীতে কাকো দিয়া নাই। জানিব পৰা মতে ইয়াৰে এগৰাকী জ্যেষ্ঠ পৰিদৰ্শিকা তথা এগৰাকী ছুপাৰভাইজৰক কেইটামান বিষয়ৰ দায়িত্ব দি প্ৰকল্প বিষয়া হিচাপে দায়িত্ব দি ৰাখিছে যদিও মূল মূল বিষয়সমূহৰ বাবে জিলা সমাজ কল্যাণ বিষয়াৰ ওচৰলৈ ঢাপলি মেলিব লাগে। অন্যহাতে, প্ৰকল্প বিষয়া কাৰ্যালয়টো আন্তঃগাঁথনি অবিহনে চলি আহিছে চৰকাৰী কাম-কাজ। প্ৰকল্পটোৰ সকলো কৰ্মচাৰী বহিবলৈ নাই আসন। দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ কাৰ্যালয়ত চলি আহিছে সমাজ কল্যাণ বিভাগৰ কল্যাণকামী আঁচনি। ১৯৮৫তে অগপৰ কাৰ্যাকালত গমাৰিগুৰি উন্নয়নখণ্ডৰ লগতে নিৰ্মাণ কৰা এই কাৰ্যালয় গৃহটো বৰ্তমান জহি-খহি যোৱাৰ উপক্ৰম হৈছে। সৰু সৰু কোঠা দুটাতে এই বিয়াগোম বিভাগটো চলি আহিছে দীৰ্ঘদিন ধৰি। উক্ত কাৰ্যালয়ৰ বিষয়া, কৰ্মচাৰীসহ ১০ গৰাকী ছুপাৰভাইজৰ বহিবলৈ নাই আসন। পাঁচগৰাকী বহিলে বাকী পাঁচগৰাকী থিয় হৈ থাকিবলগীয়া হয়। আনহাতে, অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী, সহায়িকা কাৰ্যালয়লৈ গ’লে বজাৰৰ দৰে হৈ পৰে প্ৰকল্পৰ কাৰ্যালয়। ইয়াৰ উপৰি কেন্দ্ৰলৈ অহা খাদ্য-সামগ্ৰী ৰাখিবলৈ নাই গৃহ। সেয়েহে চৰকাৰে গমাৰি-গুৰি সংহত শিশু উন্নয়ন প্ৰকল্পত এগৰাকী স্থায়ী প্ৰকল্প বিষয়া নিযুক্তি দিয়াৰ লগতে উক্ত কাৰ্যালয়টো অতিশীঘ্ৰে নিৰ্মাণ কৰি সমাজ কল্যাণ বিভাগটো জীৱিত কৰি ৰাখিবলৈ ৰাইজে আহ্বান জনাইছে।

# আমগুৰিত অনিমেষলৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১ ডিচেম্বৰ ঃ** এজাক জিঘাংসু লোকৰ হাতত মৰ্মান্তিকভাৱে নিহত হোৱা যুৱ নেতা অনিমেষ ভূএঞাৰ মৃত্যুৱে জোকাৰি গৈছে আমগুৰিবাসীকো। কালি অনিমেষ ভূএঞাৰ মৃত্যুত আমগুৰিৰ কে’বাটাও দল-সংগঠনে নগৰখনৰ চাৰিআলিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু কেউটা দোষীৰে দৃষ্টান্তমূলক শাস্তি দাবী কৰে। তাই আহোম ছাত্ৰ সন্থা, আমগুৰি আঞ্চলিক ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু বীৰ লাচিত সেনাৰ বিষয়ববীয়াৰ উদ্যোগত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত দোষীক খৰতকীয়া শাস্তি দিয়াৰ লগতে ড্ৰাগছ, মদ আদি মাদক দ্ৰব্যৰ প্ৰচলনত জড়িতসকলক শাস্তি প্ৰদানেৰে সমাজৰ পৰা অপৰাধ নিৰ্মূল কৰিবলৈ চৰকাৰক আহ্বান জনায়। উক্ত অনুষ্ঠানত লেখিকা জুৰি শইকীয়া, সাংবাদিক বাবুল বৰুৱা, সমীৰণ দুৱৰা, নৱনীতা গগৈকে ধৰি ভালেমান ব্যক্তি আৰু মহিলাই অনিমেষৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# আমগুৰিত বৃহৎ পৰিমাণৰ সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ বিভিন্ন ঠাইত যোৱা নিশা আমগুৰি আৱকাৰী বিভাগে অভিযান চলাই বৃহৎ পৰিমাণৰ বিলাতী সুৰা আৰু অবৈধ চুলাই প্ৰস্তুত কৰা সামগ্ৰী জব্দ কৰে। আমগুৰি আৱকাৰী বিভাগে অসম-নগালেণ্ড সীমান্তৱৰ্তী জকাই পদুলি আৰু জৰাধৰা গাঁৱত চলোৱা এক অভিযানত তিনি হেজাৰ লিটাৰ বিলাতী সুৰা, চুলাই প্ৰস্তুত কৰা ৩৫০ লিটাৰ পাছ, চুলাই প্ৰস্তুত কৰা দুটা যন্ত্ৰ আৰু ৮৫০ লিটাৰ বিয়েৰ জব্দ কৰে। অভিযান কালত আৱকাৰী বিভাগৰ লোকসকলে এজন অবৈধ সুৰা ব্যৱসায়ীৰ পৰা পাঁচ হেজাৰ টকা জৰিমনা আদায় কৰে।

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডিমৌ মহাবিদ্যালয়ৰ গোট গঠন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১ ডিচেম্বৰ ঃ** ডিমৌ ৰাজহুৱা পুথিভঁৰালত কালি অনুষ্ঠিত এখন সভাত বৃহত্তৰ অসমীয়া যুৱ মঞ্চ ডিমৌ মহাবিদ্যালয় গোটৰ নতুন সমিতি গঠন কৰা হয়। সভাত আগন্তুক ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা কৰা হয়। ডিমৌ মহাবিদ্যালয়ৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ ছাত্ৰ কৌশিক বুঢ়াগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত সভাত যুৱ মঞ্চৰ ডিমৌ নগৰ সমিতিৰ সভাপতি যদুমণি কলিতা, কাৰ্যকৰী সভাপতি ভদ্ৰাজ বুঢ়াগোহাঁই, সচিব প্ৰধান জান বৰুৱা, সহকাৰী সচিব লাটু গগৈ, সাংগঠনিক সচিব অভি বৰুৱা, দেৱানন্দ পেগু, সুকল্যাণ চেতিয়া উপস্থিত থাকে। ডিমৌ নগৰ সমিতিৰ সভাপতি যদুমণি কলিতাই যুৱ মঞ্চৰ লক্ষ্য-উদ্দেশ্য আৰু অসমৰ সাম্প্ৰতিক সময়ত জাতীয় সংগঠন আৰু ছাত্ৰ সমাজৰ ভূমিকাৰ লগতে শৈক্ষিক দিশত সন্দৰ্ভত ১৩ পৃষ্ঠাত চাওক

# বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ চাফাই অভিযান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১ ডিচেম্বৰ ঃ** বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় (ক)ৰ অধ্যক্ষা প্ৰমুখ্যে শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় চৌহদৰ লগতে কল্যাণপুৰ আৰু কলেজ ৰোড সংযোগী পথ পৰিষ্কাৰ অভিযান চলোৱা হয়। অভিযানত অংশগ্ৰহণ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° পূৰবী ভট্টাচাৰ্য, শিক্ষয়িত্ৰী জ্যোৎস্না বৰা, ৰিতু ৰশ্মি হাজৰিকা, পল্লৱী মিশ্ৰ, কাৰ্যালয় সহায়ক হীৰক গোহাঁই, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰবীন্দ্ৰ মাহাতো আৰু ছাত্ৰ-ছাত্ৰী ক্ৰমান্বয়ে স্বস্তিক তাঁতী, নয়ন বৰা, অঞ্জলি কুমাৰী শৰ্মা, পুষ্পা কানু নৱেচা খাতুন নীৰা মহৰা, দীপাংকৰ বৰুৱা, মন্টু কুমাৰ ১৩ পৃষ্ঠাত চাওক

# প্ৰতিগৰাকী শিশুক দেশৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আহ্বান উপায়ুক্তৰ

## তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ত দত্তক মাহ উপলক্ষে সভা

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত যোৱা ৩০ নৱেম্বৰত আদৰ নামৰ শিশুগৃহৰ উদ্যোগত দত্তক মাহ উদ্‌যাপন কৰা হয়। জিলা অতিৰিক্ত উপায়ুক্ত চৰফৰাজ হকে আঁত ধৰা অনুষ্ঠানৰ উদ্বোধন কৰে জিলা উপায়ুক্ত নৰসিং পৱাৰে। উপায়ুক্ত পৱাৰে অনুষ্ঠানত শিশু দত্তকৰ বাবে উপস্থিত থকা প্ৰতিগৰাকী দম্পতীক ধন্যবাদ জনায় আৰু প্ৰতিটো শিশুকে দেশৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুঠ পাঁচগৰাকী দত্তক তুলি লোৱা অভিভাৱকে অংশগ্ৰহণ কৰে। প্ৰতিগৰাকী অভিভাৱকে নিজৰ মনৰ কথা বিৱৰি কয় আৰু সন্তান লাভ কৰি জিলা প্ৰশাসন তথা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। তিনিচুকীয়া জিলা উপায়ুক্তই প্ৰশাসনৰ তৰফৰ পৰা প্ৰতিগৰাকী শিশুলৈ ১৩ পৃষ্ঠাত চাওক



# সৰুপথাৰ-উৰিয়ামঘাট সংযোগী পথৰ আধাৰশিলা মুকলি

**সৰুপথাৰ, ১ ডিচেম্বৰ ঃ** সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ ছহিদ কুশল কোঁৱৰ তিনিআলি সমীপত অসম চাৰকাৰৰ গ্ৰাম্য আন্তগাঁথনি উন্নয়ন পুঁজিৰ ৮,৭৪,৯৮,৫২৫ টকা ব্যয় সাপেক্ষে নিৰ্মিত হোৱা ৬,১ কিলোমিটাৰ দৈৰ্ঘ্যৰ সৰুপথাৰ উৰিয়ামঘাট সংযোগী গড়কাপ্তানী পথৰ আধাৰশিলাৰ ফিটা কাটি পথটোৰ উদ্বোধন কৰে। বিধায়কজনে কয় যে সৰুপথাৰ সমষ্টিত উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ কাৰণে পথবিলাকৰ উন্নয়নৰ ১৩ পৃষ্ঠাত চাওক

# নগাঁৱৰ ক্ৰান্তিকাল প্ৰকাশনৰ স্বত্বাধিকাৰীৰ মাতৃৰ বিয়োগ

বিশেষ সংবাদদাতা

**নগাঁও, ১ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ খুটিকটীয়া নিৱাসী সৰবৰহী মহিলা ফুলমাই ৰাজখোৱাৰ আজি দিনৰ ২-৩০ বজাত বিয়োগ হয়। বিগত দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত কে’বাটাও ৰোগত আক্ৰান্ত হৈ থকা ফুলমাইৰ মৃত্যুৰ সময়ত বয়স আছিল ৮২ বছৰ। সৰলমনা মহিলাগৰাকী নিজৰ পৰিয়ালটোৰ উপৰি অঞ্চলটোৰ সকলোৰে মৰমিয়াল আছিল। কিছু দিনৰ পূৰ্বে তেওঁৰ স্বামী বিশিষ্ট আইনজীৱী, ব্যৱসায়ী তথা সমাজকৰ্মী শিৱকান্ত ৰাজখোৱাৰো বিয়োগ ঘটিছিল। ফুলমাই ৰাজখোৱাৰ পুত্ৰ প্ৰকাশক কৈলাশ ৰাজখোৱা অসমৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী ক্ৰান্তিকাল প্ৰকাশন তথা নগাঁৱৰ অজন্তা প্ৰেছৰ স্বত্বাধিকাৰী তথা সাহিত্য কৰ্মী। আজি এইগৰাকী সৰবৰহী মহিলাৰ বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগেই বহু গুণমুগ্ধই অন্তিম শ্ৰদ্ধাঞ্জলি জনাই খুটিকটীয়াৰ বাসগৃহত। মৃত্যুৰ সময়ত দুজন পুত্ৰ, তিনি গৰাকী কন্যা এৰি যায়।

# অৱসৰৰ দিনাই ১০গৰাকীলৈ ছুটীৰ বেতন আৰু জিআইএছৰ অনুমোদন পত্ৰ প্ৰদান



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বিভিন্ন বিদ্যালয়ৰ পৰা আজি অৱসৰ গ্ৰহণ কৰা ১০গৰাকী শিক্ষক-কৰ্মচাৰীক জিলাখনৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে বিদায় ১৩ পৃষ্ঠাত চাওক

# মৰাণত টাইপাৰ উদ্যোগত কেন্দ্ৰীয় ছ্যুকাফা দিৱস আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলা মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত তিলৈ নগৰ গ্ৰাম্যবজাৰ খেলপথাৰত তাই আহোম যুৱ পৰিষদ, অসম (টাইপা) কেন্দ্ৰীয় সমিতিৰ আহ্বানত মৰাণ মহকুমা সমিতি আৰু মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত তথা মৰাণবাসীৰ সহযোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক কেন্দ্ৰীয় ছ্যুকাফা দিৱসৰ কাৰ্যসূচী আৰম্ভ হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ হয়। পতাকা উত্তোলন কৰে তাই আহোম ১৩ পৃষ্ঠাত চাওক

# জননেতা ভীমবৰ দেউৰীক মৰণোত্তৰভাৱে ভাৰতৰত্ন প্ৰদানৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১ ডিচেম্বৰ ঃ** বিহপুৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত দেউৰী স্বায়ত্তশাসিত পৰিষদীয় সমষ্টিৰ ভিত্তিত যোৱা ৩০ নৱেম্বৰত জননেতা ভীমবৰ দেউৰীৰ ৭৪ সংখ্যক স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। ভীমবৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত আৰু বাঁহগড়া যুৱ সমাজৰ সহযোগত ভীমবৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য সোণালাল দেউৰীয়ে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ১৩ পৃষ্ঠাত চাওক

# ধুবুৰী জিলাত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ সামৰণি

## ■ ৰাজ্যিক পৰ্যায়ৰ বাবে প্ৰকল্পৰ শিশু বিজ্ঞানী নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা

**আগমনী, ১ ডিচেম্বৰ ঃ** ২৯ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ধুবুৰী জিলা আয়োজক সমিতিৰ উদ্যোগত যোৱা ২৮ নৱেম্বৰত অনুষ্ঠিত হয়। ধুবুৰী কণিষ্ঠ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত শিশু সমাৰোহৰ পতাকা উত্তোলন কৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ধুবুৰী জিলাৰ সভাপতি ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। ধুবুৰী জিলাৰ পৰা ২০২০ত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ৰাষ্ট্ৰীয় পৰ্যায়লৈ বাছনি হোৱা শিশু বিজ্ঞানী অৰ্পিতা সূত্ৰধৰে শিশুসকলক শপত বাক্য পাঠ কৰোৱায়। আদৰণি ভাষণ প্ৰদান কৰে ধুবুৰী জিলা সমাৰোহৰ আয়োজক সমিতিৰ উপ-সভাপতি অহিদ খানে। শিশুসকলৰ প্ৰকল্প উপস্থাপন উদ্বোধন কৰে আয়োজক সমিতিৰ সভাপতি ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। সমাৰোহত পঞ্চাশৰ অধিক প্ৰকল্প জিলাৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে প্ৰকল্প উপস্থাপন কৰে। প্ৰকল্পসমূহৰ ভিতৰত আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্পিতা সূত্ৰধৰ আৰু আৰ্জিনা আৰা চুলতানাই ‘পানীৰ পুনঃব্যৱস্থাত বিঅডি আৰু চিঅডি কমোৱাৰ ব্যৱস্থা’, ফুটানীগঞ্জ মধ্য ইংৰাজী বিদ্যালয়ৰ পৰিতোশ শীলৰ আৰু মঞ্জিৎ কুমাৰ ৰায়ৰ ‘শ্ৰেণী কোঠাৰ যোগেদি শ্ৰেণী কোঠাৰ আপেক্ষিক আদ্ৰতা নিয়ন্ত্ৰণ কৰি এছ এ আৰ এছ কভ-২ ভাইৰাছৰ কাৰ্যক্ষমতা হ্ৰাস কৰা’, আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দীশান্ত বৰুৱা, দীপশীখা ৰায়ৰ ‘ই-ওৱেষ্ট আৰু ইয়াৰ পুনৰ ব্যৱহাৰ’, কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ অজয় চন্দ্ৰ ৰায় আৰু আৰঞ্জি সূত্ৰধৰৰ ‘পাকঘৰৰ জৈৱ বাগিচা’ আৰু গোলকগঞ্জৰ শংকৰদেৱ শিশু নিকেতনৰ সপ্তৰ্শী কাশ্যপ আৰু ৰনবীৰ দাসৰ ‘প্ৰদূষণ নোহোৱাকৈ ইন্ধনৰ ৰূপান্তকৰণ’ প্ৰকল্পসমূহ ৰাজ্যিক পৰ্যায়ৰ বাবে নিৰ্বাচিত হয়। ধুবুৰী ১৩ পৃষ্ঠাত চাওক

# বাগ্‌সা জিলা সাহিত্য সভাৰ ২০২২-২০২৪ৰ সভাপতি, উপ-সভাপতি, সম্পাদক পদৰ মনোনয়নপত্ৰ দাখিল

অগ্ৰদূত বাৰ্তা

**জালাহ, ১ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ সংবিধান অনুযায়ী বাগ্‌সা জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে যোৱা ১৯ ছেপ্টেম্বৰত জ্যেষ্ঠ অধিবক্তা গিৰিধৰ চৌধুৰীক মুখ্য নিৰ্বাচনী বিষয়া, অধিবক্তা দেৱ কুমাৰ দাস আৰু অধিবক্তা উৎপল বৰ্মনক সদস্য হিচাপে লৈ বাগ্‌সা জিলা সাহিত্য সভাৰ তিনিজনীয়া নিৰ্বাচনী সমিতি এখন গঠন কৰি দিয়া হয়। সেই মৰ্মে নিৰ্বাচনী সমিতিয়ে যোৱা ২১ৰ পৰা ২৮ নৱেম্বৰলৈ সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সংগ্ৰহৰ দিন আৰু কালি মনোনয়ন পত্ৰ দাখিলৰ দিন ধাৰ্য কৰা হৈছিল। ১৩ পৃষ্ঠাত চাওক

# অসম গৰিয়া জাতীয় পৰিষদৰ লালুক আঞ্চলিক সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**লালুক, ১ ডিচেম্বৰ ঃ** সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ লখিমপুৰ জিলা সমিতিৰ অন্তৰ্গত লালুক আঞ্চলিক সমিতি গঠনৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা যোৱা ২৮ নৱেম্বৰত উত্তৰ লালুক জাতীয় বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে পদ্মপুৰ নিবাসী আবুল হোছেইনে। সভাত উপস্থিত থাকে গৰিয়া জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰফিকুল আহমেদ বৰা, লখিমপুৰ জিলাৰ সভাপতি মেৰাজ উদ্দিন আহমেদ, উপ-সভাপতি চৈয়দ উদ্দিন, যুটীয়া সম্পাদক মোস্তাক আহমেদ, প্ৰচাৰ সম্পাদক মেহবুৰ আলী (দাদুল) লগতে নাৰায়ণপুৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল। সভাত লালুক, কাহিপৰা, ঢেকীয়াজুলি, উত্তৰ লালুক আৰু পশ্চিম লালুক অঞ্চলৰ শতাধিক লোক উপস্থিত থাকে। সভাত কেন্দ্ৰীয় উপ-সভাপতি ৰফিকুল ১৩ পৃষ্ঠাত চাওক

# বিশ্বনাথত ৰাইজৰ তৎপৰতাত পহু উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১ ডিচেম্বৰ ঃ** বিশ্বনাথ ঘাটৰ নিজ বিশ্বনাথত উদ্ধাৰ কৰা হৈছে এটা পহু। ধাৰণা কৰা অনুসৰি খাদ্যৰ সন্ধানত পথভ্ৰষ্ট হৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহি প্ৰৱেশ কৰিছিল অঞ্চলটোত। কালি পুৱা ন বজাত নিজ বিশ্বনাথৰ বিশ্বনাথ হাইস্কুলৰ সমীপত পহুটো তাঁৰত আবদ্ধ হৈ থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে আৰু লগে লগে পহুটো স্থানীয় অঞ্চলবাসীয়ে সুকলমে উদ্ধাৰ কৰি বিশ্বনাথ ঘাটস্থিত কেন্দ্ৰীয় বনাঞ্চলিক কাৰ্যালয়ত অৱগত কৰায়। পৰৱৰ্তী সময়ত পহুটো উদ্ধাৰ কৰাৰ বাবে উপস্থিত হয় বন বিভাগৰ দল। ৰাইজৰ তৎপৰতাত সুকলমে উদ্ধাৰ হোৱা পহুটো পৰৱৰ্তী সময়ত বন বিভাগৰ দলে নিৰাপদ স্থানত মুকলি কৰাৰ বাবে উদ্ধাৰ কৰি বনাঞ্চলিক কাৰ্যালয়লৈ যায়।

# পাঁচ ডিচেম্বৰৰ ভিতৰত ক’ভিড টিকাকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্য

## কামৰূপ জিলাত ‘হৰ ঘৰ দস্তক’ অভিযানৰ বুজ ল’লে জ্যেষ্ঠ পৰ্যবেক্ষকে

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১ ডিচেম্বৰ ঃ** ‘আশাকৰ্মীসকলে প্ৰস্তুত কৰা তালিকাৰ সহায়ত ভোটকেন্দ্ৰ ভিত্তিত প্ৰতিষেধক প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰাক আৰু প্ৰতিষেধক প্ৰদানৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ভোট কেন্দ্ৰ পৰ্যায়ত মানচিত্ৰ প্ৰস্তুত কৰক।’ ‘হৰ ঘৰ দস্তক’ অভিযানৰ ক্ষেত্ৰত জিলাখনৰ জ্যেষ্ঠ পৰ্যবেক্ষকৰ দায়িত্বত থকা প্ৰধান সচিব কে কে দ্বিবেদীয়ে জিলা উপায়ুক্তৰ সভাকক্ষত আয়োজিত এখন সভাত টিকাকৰণত জড়িত বিষয়াসকলক উদ্দেশি এইদৰে কয়। তেওঁ পুনৰ কয় যে জিলাখনত এতিয়াও যিসকল লোকে প্ৰতিষেধক গ্ৰহণ কৰা নাই, তাৰ সঠিক কাৰণ উদ্‌ঘাটন কৰি সেইমতে ব্যৱস্থা ল’ব লাগিব। অহা পাঁচ ডিচেম্বৰলৈ প্ৰতি ঘণ্টাৰ মূৰে মূৰে প্ৰতিষেধক প্ৰদানৰ প্ৰতিবেদন লোৱাৰ ব্যৱস্থা কৰিবলৈও জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনক তেওঁ নিৰ্দেশ দিয়ে। তদুপৰি কোনজন লোকে কি কাৰণে প্ৰতিষেধক নলয়, সেয়াও এই প্ৰতিবেদনত উল্লেখ থাকিব লাগিব বুলি দ্বিবেদীয়ে কয়।উক্ত অভিযানত গাঁও পঞ্চায়ত আৰু আত্মসহায়ক গোটবিলাকৰ সহায় ল’বলৈও তেওঁ পৰামৰ্শ দিয়ে।জিলাখনৰ অতিৰিক্ত উপায়ুক্তদ্বয় ক্ৰমে প্ৰণৱ দত্ত গোস্বামী আৰু মানালী জৈন, সদৰ মহকুমাধিপতি সুজাতা গদৈ, চক্ৰ বিষয়াসকল, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু অন্যান্য বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত জিলাখনৰ পৰ্যবেক্ষকৰ দায়িত্বত থকা আয়ুক্ত সচিব কবিতা পদ্মনাভনে কয় যে যিসকল লোকক আশাকৰ্মীসকলে প্ৰতিষেধক ল’বলৈ মান্তি কৰাব পৰা নাই, তেনে লোকসকলৰ ওচৰলৈ জ্যেষ্ঠ বিষয়াসকল যাব লাগিব। বিশেষকৈ চিকিৎসকসকল ১৩ পৃষ্ঠাত চাওক

# শ্ৰীৰামপুৰৰ পৰা ধুবুৰীলৈ যোৱা গড়কাপ্তানী পথত শিলভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্য

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ হৈ ধুবুৰীৰ বালাজানলৈ যোৱা ডি কে গড়কাপ্তানী পথেদি দিনে নিশা শতাধিক শিল-বালিৰ ট্ৰাক-ডাম্পাৰ চলাচল কৰাত দুৰ্ঘটনা প্ৰৱণ হৈ পৰিছে উক্ত পথছোৱা। নিয়ন্ত্ৰণহীনভাৱে ডাম্পাৰৰ খুন্দাত সম্প্ৰতি এগৰাকী মহিলা নিহত হোৱাৰ পাছত আজি পুনৰ ডাম্পাৰৰ খুন্দাত এজন লোক গুৰুতৰভাৱে আহত হয়। মহকুমাটোৰ কচুগাঁৱৰ পখীহগাৰ পন্দা বাবুলাল হেমব্ৰম (৪৫) নামৰ লোকজনে স্ত্ৰী-পুত্ৰক লৈ মটৰ চাইকেলেৰে গ্ৰাহামপুৰৰ দিশে যোৱাৰ সময়ত শিল কঢ়িওৱা এখন ডাম্পাৰে তেওঁৰ মটৰ চাইকেলখনত খুন্দা মৰাত মটৰ চাইকেলখন পথৰ দাঁতিত বাগৰি পৰে। ফলত বাবুলাল গুৰুতৰভাৱে আহত হয় যদিও সৌভাগ্যক্ৰমে স্ত্ৰী-পুত্ৰ গুৰুতৰ আঘাতপ্ৰাপ্ত হোৱা নাই। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰা এএছ-১৬চি-৬৫৩৪ নম্বৰৰ ডাম্পাৰখন মটৰ চাইকেলত খুন্দা মাৰি ঘটনাস্থলীৰ পৰা পলাই যাবলৈ ধৰে যদিও স্থানীয় কেইজনমান যুৱকে পাছে পাছে খেদি আহি শ্ৰীৰামপুৰ ৰেল গেটত ডাম্পাৰখনক আটক কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত লোকজনক গোসাঁইগাঁও আৰ এন বি চিকিৎসালয়ত প্ৰেৰণ কৰাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখনক আটক কৰি শিমুলটাপু আৰক্ষী চকীলৈ নিয়ে। উল্লেখ্য যে এইটো পথেৰে শিল-বালি ভৰ্তি ট্ৰাক আৰু ডাম্পাৰৰ চলাচল ইমানে বৃদ্ধি পাইছে যে এই পথেৰে আন যানবাহন তথা সাধাৰণ পথচাৰীৰ চলাচল কৰাটোৱে বিপদসংকুল হৈ পৰিছে। শিল-বালি কঢ়িওৱা ট্ৰাক-ডাম্পাৰৰ অনিয়ন্ত্ৰিত চলাচলৰ ফলত সঘনাই পথ দুৰ্ঘটনা হৈ আছে। যাৰ ফলত স্থানীয় ৰাইজে দিনৰ ভাগত শিল-বালি কঢ়িওৱা ট্ৰাক আৰু ডাম্পাৰৰ চলাচল বন্ধ কৰাৰ দাবী জনাইছে প্ৰশাসনক। নৱনিৰ্বাচিত বিধায়ক জিৱন বসুমতাৰীকো শিল-বালি কঢ়িওৱা ট্ৰাক ডাম্পাৰৰ চলাচল নিয়ন্ত্ৰণ কৰাৰ দাবী জনাইছে শ্ৰীৰামপুৰ তথা পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজে। দুৰন্ত গতিত চলাচল কৰা ডাম্পাৰৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে অনাগত দিনত এই পথত ভয়ংকৰ পথ দুৰ্ঘটনা হোৱাৰ আশংকা প্ৰকাশ কৰিছে সচেতন ৰাইজে।

# কুমাৰীকাটা পাণবাৰীত বনৰীয়া হাতীৰ উপদ্ৰৱ

## হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ কালভাৰ্টত আশ্ৰয়

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১ ডিচেম্বৰ ঃ** খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাক এটাই ধাৰাবাহিকভাৱে উপদ্ৰৱ চলাই সম্প্ৰতি নিদ্ৰা হৰণ কৰিছে তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ। দিনৰ ভাগত ভূটান সীমান্তৰ দৰংগাজুলী সংৰক্ষিত বনাঞ্চলত অৱস্থান কৰি থকা শতাধিক বনৰীয়া হাতী থকা জাকটোৱে নিশা হ'লেই জনাঞ্চলত প্ৰবেশ কৰি উপদ্ৰৱ চলায়। যোৱা নিশাও বনৰীয়া হাতীৰ বৃহৎ জাকটোৱে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ সমীপৰ পাণবাৰী গাঁৱত প্ৰবেশ কৰি কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে কে'বাবিঘা মাটিৰ পকা ধান খায় তহিলং কৰে। নিশা হঠাৎ গাঁৱত বনৰীয়া হাতীৰ জাকে প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত আতংকিত হৈ পৰে গাঁওখনৰ লোকসকল। নিশা বনৰীয়া হাতীয়ে গাঁওখনত প্ৰবেশ কৰি উপদ্ৰৱ চলোৱাৰ খবৰ লাভ কৰাৰ লগে লগে কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ পৰা এটি বনকৰ্মী দলে উপস্থিত হৈ গুলি ফুটাই হাতীৰ জাকটো ৰাইজৰ সহযোগত খেদি পঠিয়াবলৈ সক্ষম হয় যদিও বনৰীয়া হাতীৰ জাকটোৱে গাঁওখনৰ মুকেশ পানিকা, ফুলেশ্বৰী পানিকা, অজয় পানিকা, দিপক পানিকা, বেজেন বসুমতাৰী নামৰ লোক কেইজনৰ কে'বাটাও বাসগৃহ ভাঙি লণ্ড ভণ্ড কৰে। আনকি হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ গাঁওখনৰ শিশু সহ কে'বাজনো পুৰুষ-মহিলাই এটা কালভাৰ্টৰ তলত আশ্ৰয় লৈ থাকে। পাছত বন বিভাগৰ লোকে কালভাৰ্টৰ তলৰ পৰা লোক কেইজন উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ নিয়ে। উল্লেখ্য যে খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি আহি সম্প্ৰতি ভূটান সীমান্তৰ দৰংগাজুলী সংৰক্ষিত বনাঞ্চলত অৱস্থান কৰি থকা হাতীৰ জাকটো বনবিভাগৰ লোকে দুটাকৈ ঘৰচীয়া হাতীৰ সহায়ত পাহাৰলৈ খেদি পঠিয়াবলৈ দিনে নিশাই চেষ্টা অব্যাহত ৰাখিছে যদিও সফল হোৱা নাই।



## বৰুৱাবামুণগাঁৱত শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ১ ডিচেম্বৰ ঃ** যোৰহাট কাণ্ডত অকালতে প্ৰাণ হেৰুওৱা দেৰগাঁৱৰ ছাত্ৰ নেতা অনিমেষ ভূঞাৰ বিদেহ আত্মাৰ শান্তি কামনাৰে আজি কুৱালগুৰি চাৰিআলিত এক শোকসভা অনুষ্ঠিত হয়। বৰুৱাবামুণগাঁও শাখা গোট ছাত্ৰ সন্থাৰ উদ্যোগত সন্ধিয়া অনুষ্ঠিত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

## বিধায়ক ৰূপজ্যোতি কুৰ্মীক ক্ৰীড়া সন্থাৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১ ডিচেম্বৰ ঃ** বৃহত্তৰ মৰিয়নি অঞ্চলৰ ক্ৰীড়া ক্ষেত্ৰৰ উল্লেখনীয় অনুষ্ঠান মৰিয়নি ক্ৰীড়া সন্থাৰ সভাপতি তথা একেৰাহে পঞ্চম বাৰলৈ বিধায়কৰূপে নিৰ্বাচিত হোৱা মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীক মৰিয়নি ক্ৰীড়া সন্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে যোৱা ২৯ নৱেম্বৰত সন্ধিয়া মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। মৰিয়নি ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক দিব্যজ্যোতি শইকীয়া আৰু কোষাধ্যক্ষ দীপেন দাসে আঁত ধৰা অনুষ্ঠানত ক্ৰীড়া সন্থাৰ সভাপতি তথা বিধায়ক কুৰ্মীক গামোচা, চেলেং চাদৰ, ফুলৰ থোপা, সম্বৰ্ধনা পত্ৰ, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি সভাপতি তথা বিধায়ক কুৰ্মীয়ে মৰিয়নিৰ ক্ৰীড়া ক্ষেত্ৰৰ উত্তৰণৰ বাবে সকলো সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। মৰিয়নি ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্তই বক্তব্য প্ৰদান কৰি ৰাজনীতিৰ পথাৰৰ লগতে ক্ৰীড়াৰ পথাৰতো অধিক সক্ৰিয় হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত মৰিয়নি ক্ৰীড়া সন্থাৰ ড'নাৰ মেম্বাৰ তথা যুব ব্যৱসায়ী আশীষ জৈনে মৰিয়নি ক্ৰীড়া সন্থা আৰু বাপুজী ষ্টেডিয়ামৰ উন্নয়নৰ বাবে সহযোগিতা আগবঢ়াব বুলি মন্তব্য কৰে। চমু আৰু সুন্দৰ অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী নেকিব ইছলাম, মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিদ্যুৎ দত্ত, শিক্ষক জ্যেষ্ঠ ক্ৰীড়া সংগঠক প্ৰদীপ মজুমদাৰ, সংবাদকৰ্মী প্ৰাঞ্জল পাওগাম, মহেশ্বৰ গোৱালা, মৃগন্ত হাজৰিকা, মিক পাওগাম, দেবু গোৱালা, ৰাজীৱ কৰ্মকাৰ, জয়ন্ত চেতিয়া, নিত্যৰঞ্জন ফুকন, মুন নায়ক, দেৱজিৎ শইকীয়া, ৰাতুল গগৈ, মাধুৰ্য গগৈ, অনিল উৰাং, দীপক তাঁতী, নেইনা ভূমিজ, মইনা গগৈ, উৎপল গগৈ, উইলিয়াম ভালুৰী, দাৰা নায়ক আদি বহুসংখ্যক লোক উপস্থিত থাকে।

# মৰিয়নিত অগ্নি-জৰুৰীকালীন সেৱাৰ সজাগতামূলক অনুশীলন



**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১ ডিচেম্বৰ ঃ** অগ্নি আৰু জৰুৰীকালীন সেৱাৰ মৰিয়নি কেন্দ্ৰৰ উদ্যোগত সেৱা কেন্দ্ৰটোৰ কৰ্মীসকলে মৰিয়নি নগৰৰ লগতে দাঁতি কাষৰীয়া একাধিক অঞ্চলত সজাগতামূলক অনুশীলন প্ৰদৰ্শন কৰে। অগ্নি আৰু জৰুৰীকালীন সেৱাৰ মৰিয়নি কেন্দ্ৰৰ কৰ্মীসকলে অগ্নিকাণ্ডৰ সময়ত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'ব লগা সাৱধানতা সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱাৰ উপৰি প্ৰদৰ্শন কৰি দেখুৱায়। মৰিয়নি নগৰৰ দৈনিক বজাৰ, কঁঠালগুৰি চাহ বাগিচাৰ কলঘৰ, দেবেৰাপাৰ চাৰিআলি, নিউ সোণোৱাল তিনিআলি আদি কে'বাটাও স্থানত অগ্নি প্ৰতিৰোধ সম্পৰ্কেও বিভিন্ন দিশ প্ৰদৰ্শন কৰে। দুৰ্যোগৰ সময়ত কিদৰে নিজৰ লগতে আনকো উদ্ধাৰ কৰি জীৱন ৰক্ষা কৰিব পাৰি সেই সম্পৰ্কে কৰ্মীসকলৰ বিভিন্ন প্ৰদৰ্শন কৰাৰ লগতে তাৰো ব্যাখ্যা কৰে। তেনে সময়ত ভয় খোৱাৰ পৰিৱৰ্তে কিদৰে দৃঢ়তাৰে তাৰ মোকাবিলা কৰিব পাৰি তাৰ ওপৰতো ব্যাখ্যা আগবঢ়ায়। গেছ চিলিণ্ডাৰত অগ্নিকাণ্ড সংঘটিত হ'লে কিদৰে তাক প্ৰতিৰোধ কৰিব পৰা যায় তাৰ ওপৰতো কৌশল প্ৰদৰ্শন কৰাৰ লগতে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায় অগ্নি আৰু জৰুৰীকালীন সেৱা কৰ্মীসকলে। অগ্নি আৰু জৰুৰীকালীন সেৱাৰ মৰিয়নি কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া কমল বড়োৰ নেতৃত্বত এই সজাগতামূলক প্ৰদৰ্শন কৰা হৈছিল।

# বাগ্‌সাৰ ককলাবাৰীত প্ৰতিষেধক প্ৰদানত অংশগ্ৰহণ মন্ত্ৰী ব্ৰহ্মৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ ককলাবাৰী পৰিষদয়ী সমষ্টিৰ অন্তৰ্গত অঞ্চলী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উপস্থিত হৈ ক'ভিড প্ৰতিষেধকৰ বিষয়ে বুজ লয়। পাছত মন্ত্ৰী ব্ৰহ্মই বাদুপাৰা গাঁৱৰ কে'বাটাও পৰিয়ালত গৈ ক'ভিড প্ৰতিষেধক কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰতিষেধক নোলোৱা লোকসকলক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। একেদৰে কুজিদেওৰ গাঁৱতো ঘৰে ঘৰে প্ৰদান কৰা প্ৰতিষেধক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী ব্ৰহ্মাই কয়, 'সমগ্ৰ ভাৰবৰ্ষতেই কৰ'না মুক্ত কৰা এক অভিযান চলিছে। যিসকলে প্ৰতিষেধক লোৱা নাই সেইসকলক গ্ৰহণৰ বাবে বুজনি দিয়াৰ বাবে মন্ত্ৰীসকলক ঘৰে ঘৰে গৈ বুজাবলৈ পঠিয়াইছে। বাগ্‌সা জিলা হিচাপে কৰ'না প্ৰতিষেধক নোলোৱাৰ সংখ্যা অতি কম। কাইলৈ ইয়াৰ সংখ্যা আৰু কমি পাঁচ বা ছয় হেজাৰলৈ কমি যাব। কৰ'না প্ৰতিষেধক গ্ৰহণৰ পাছতো সন্তান সম্ভৱা মাতৃসকলৰ কোনো অসুবিধা নহয়। প্ৰতিষেধক প্ৰদানতো ভাৰতবৰ্ষৰ এটা পলিচি হৈ গ'ল। সেয়ে প্ৰতিষেধক নোলোৱাকৈ কোনেও থাকিব নোৱাৰে। আজি নল'লেও কাইলৈ ল'বই লাগিব। কাৰণ আমাৰ লক্ষ্য হ'ল কৰ'না মুক্ত ভাৰত গঢ়া। আনহাতে, কৰ'নাৰ তৃতীয় ঢৌ অহাৰ আগে আগে এই প্ৰতিষেধক কাৰ্যসূচী সম্পন্ন কৰিব পাৰিলে আমাৰ ভাৰতবৰ্ষত এইটো সোমালেও আমাৰ ভয় কৰিবলগীয়া একো নাই। মন্ত্ৰী ব্ৰহ্মৰ স'তে সংগ দিয়ে জালাহ উন্নয়ন খণ্ডৰ ভাৰপ্ৰাপ্ত চৰকাৰী প্ৰতিনিধি মন্টু বড়ো, চিকিৎসক হিৰণ্য ডেকা, হৃদয় পাঠক আৰু অবিনাশ তালুকদাৰে।



# সিঁচা পদ্ধতিৰে কৰা থলুৱা বৰধান বহিঃৰাজ্যলৈ প্ৰেৰণ কৰিব কৃষি বিভাগে



**খুমটাই, ১ ডিচেম্বৰ ঃ** ৰাজ্যৰ কৃষি বিভাগে অসমৰ ভিন্ন জৈৱ-বৈচিত্ৰতা লগতে বিভিন্ন পৰিৱেশ পৰিস্থিতিত বিভিন্ন ধানৰ জাতৰ খেতি কৰি অহাৰ বাবে বিভিন্ন নতুন নতুন জাতৰ উদ্ভৱ কৰিছে। তেনে সময়তেই কমাৰগাঁৱৰ পানীদিহিঙীয়া গাঁৱৰ চন্দ্ৰ ফুকন নামৰ ৭০ উৰ্ধৰ এজন চহা কৃষকে ৰাজ্যখনৰ অতি পুৰণি ধানৰ থলুৱা জাত বৰ, বকুল বৰা, চকুৱা আদিৰ ধান প্ৰায় ৫০ বিঘা মাটিত নিজৰ একক প্ৰচেষ্টাত সিঁচা পদ্ধতিৰে কৰি বৃহত্তৰ অঞ্চলটোত এক চমক সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

আজি চহা কৃষক ফুকনৰ সিঁচা পদ্ধতিৰে কৰা শালিধান খেতি পৰিদৰ্শন কৰে গোলাঘাট জিলাৰ নৱনিযুক্ত কৃষি বিষয়া ৰঞ্জিত শৰ্মাই। জিলা কৃষি বিষয়াজনে সিঁচা পদ্ধতিৰে কৰা থলুৱা জাতৰ ধান খেতি পৰিদৰ্শন কৰি আপ্লুত হোৱাৰ লগতে প্ৰতি বিঘাত ১৮ৰ পৰা মোন ধান কৃষকজনে লাভ কৰিব বুলি উল্লেখ কৰে। কৃষি বিষয়াজনে থলুৱা জাতৰ বৰধানত যথেষ্ট ঔষধি গুণযুক্ত বুলি জানিবলৈ দিয়াৰ লগতে এই ধানৰ চাউল কাষৰীয়া ৰাজ্য নগালেণ্ডত যথেষ্ট চাহিদা আছে বুলি কয়। লগতে এই ধানৰ জাত ভাদ আৰু আহিন মাহত সিঁচা পদ্ধতিৰে কৰিলেও কৃষকসকল যথেষ্ট উপকৃত হ'ব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে। আনহাতে, চহা কৃষক ফুকনে সিঁচা পদ্ধতিৰে কৰা ৫০ বিঘা মাটিৰ বৰধান বহিঃৰাজ্যত উচিত মূল্যত বিক্ৰী কৰিবলৈ জিলা কৃষি বিভাগে সুবিধা কৰি দিব বুলি আশ্বাস প্ৰদান কৰে। ইফালে, কৃষি বিষয়া শৰ্মাই পানীদিহিঙীয়াৰ ঐতিহাসিক মহুৰা পথাৰত উপস্থিত হৈ বৃহত্তৰ কৃষি পথাৰখন ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰি এই পথাৰখনত স্থানীয় কৃষক সকলে একেটুকুৰা মাটিতে কে'বা তৰপীয়া খেতি কৰিব পাৰিব বুলি উপস্থিত কৃষকসকলৰ আগত মন্তব্য প্ৰদান কৰে। যদিহে এই পথাৰত অন্য খেতি কৰিবলৈ আগ্ৰহী কৃষকসকলক জিলা কৃষি বিভাগে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি সদৰী কৰে।

## ইন্দ্ৰানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য সজাগতা শিবিৰ

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান দেৰগাঁৱৰ ইন্দ্ৰানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গোলাঘাট জিলা স্বাস্থ্য সঞ্চালকালয়ৰ সৌজন্যত যোৱা ৩০ নৱেম্বৰত স্বাস্থ্য আৰু স্বাস্থ্যবিধি শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ উপ-সভাপতি প্ৰদীপ বৰাৰ পৰিচালনাত অনুষ্ঠিত সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জ্যেষ্ঠ চিকিৎসক তথা জিলা যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ বিদ্যালয়ৰ স্বাস্থ্য বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই। চিকিৎসকজনে শিশুৰ পৰা বৃদ্ধলৈকে সকলো বয়সৰ লোকৰ উপযোগী হোৱাকৈ নিৰোগী হৈ থকাৰ বহুতো পৰামৰ্শ আগবঢ়ায়। তেওঁ বিশ্বাস আৰু অন্ধবিশ্বাসৰ বাবে হোৱা বিভিন্ন ৰোগ আৰু চিকিৎসা বিজ্ঞানে সেই ৰোগ প্ৰতিৰোধ কৰাত কেনেদৰে ভূমিকা লয় সেই বিষয়ে আলোচনা আগবঢ়ায়। বৰ্তমান চলি থকা ক'ভিড মহামাৰীৰ লগতে আমাৰ সচৰাচৰ হৈ থকা বিভিন্ন ৰোগৰ কাৰণ আৰু চিকিৎসা সম্পৰ্কে চিকিৎসকজনে বক্তব্য ৰাখে। সভাত বিদ্যালয়ৰ অধ্যক্ষকে ধৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## সৰুপথাৰ-উৰিয়ামঘাট সংযোগী পথৰ

১২ পৃষ্ঠাৰ পৰা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। অনাগত দিনত সৰুপথাৰ সমষ্টিৰ অন্যান্য পথসমূহো পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব। আৰু কম দিনৰ ভিতৰত সৰুপথাৰ সমষ্টিৰ জনসাধাৰণে ৰাস্তা-ঘাটৰ সমস্যাৰ পৰা অব্যাহতি পাব। আধাৰশিলা মুকলি অনুষ্ঠানত বিধায়ক ফুকনৰ লগতে ঠিকাদাৰ গিৰিণ চুতীয়া, সৰুপথাৰ অঞ্চলৰ জ্যেষ্ঠ নাগৰিক ইন্দ্ৰকান্ত শৰ্মা প্ৰমুখ্যে বিজেপি দলৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## মৰাণত টাইপাৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা যুৱ পৰিষদ, অসম (টাইপা)ৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰে, ছ্যুকাফাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে টাইপাৰ কাৰ্যকৰী সভাপতি অনন্ত ফুকনে, মৈদাম তৰ্পণ কৰে টাইপাৰ সাধাৰণ সম্পাদক ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই, বৃক্ষৰোপণ কৰে টাইপাৰ কাৰ্যনিৰ্বাহক সদস্য গিৰিণ বৰগোহাঁয়ে। ইয়াৰ পাছতে বাণিজ্য মেলা উদ্বোধন কৰে মৰাণৰ বিশিষ্ট সমাজসেৱিকা, ক্ৰীড়া সংগঠক অঞ্জলি মহন চেতিয়াই। ইয়াৰ পাছতে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

## বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডিমৌ

১২ পৃষ্ঠাৰ পৰা বক্তব্য ৰাখে। সভাত কৌশিক বুঢ়াগোহাঁইক সভাপতি, ৰেৱকান্ত টায়ে, অপৰাজিতা চেতিয়া, বিধুৰ দত্তক কাৰ্যকৰী সভাপতি, ভুৱন গগৈক সচিব প্ৰধান, উমেশ গগৈ, চুন্নি চেতিয়া, লিপিকা শেনচোৱাক সহকাৰী সচিব আৰু মৃদুকংকনা গগৈক শিক্ষা সচিব হিচাপে লৈ ১৫২ জনীয়া বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডিমৌ মহাবিদ্যালয় গোট গঠন কৰা হয়। যদুমণি কলিতাই নতুন মহাবিদ্যালয় গোট আৰু আগন্তুক ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ প্ৰাৰ্থিত্ব আগবঢ়াবলগীয়া সম্ভাব্য প্ৰাৰ্থীসকলক শুভেচ্ছা জনাইছে।

## জননেতা ভীমবৰ দেউৰীক

১২ পৃষ্ঠাৰ পৰা ভূএঃাই, জনজাতিয় লোকসকলৰ অধিকাৰৰ বাবে জীৱনজোৰা সাধনা কৰা তথা গ্ৰুপিং আঁচনিৰ বিৰোধিতা কৰি অসমৰ অস্তিত্ব আৰু ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অন্যতম ভূমিকা গ্ৰহণ কৰা জননেতা ভীমবৰ দেউৰীক মৰণোত্তৰভাৱে ভাৰতৰত্ন প্ৰদান কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়। উক্ত সভাত কৃতী শিক্ষক দীনেশ দেউৰী, কৃতী ছাত্ৰ পাৰ্থ প্ৰতীম দেউৰী, খেলুৱৈ ৰেজিতা দেউৰী, উচ্চ শিক্ষিত হৈও নাপিত কামেৰে স্বাৱলম্বী হোৱা প্ৰাঞ্জল দেউৰী, সমাজসেৱক ৰামদাস দেউৰী, বিশিষ্ট কৃষক ৰমিলাল দেউৰী প্ৰমুখ্যে বিশিষ্ট দেউৰী জনগোষ্ঠী কে'বাগৰাকীও লোকক সম্বৰ্ধনা জনোৱা হয়। সভাত লখিমপুৰ জিলা বিদ্যালয় পৰিদৰ্শক ৰমেশ চুতীয়া প্ৰমুখ্যে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

## প্ৰতিগৰাকী শিশুক দেশৰ

১২ পৃষ্ঠাৰ পৰা একোটাকৈ উপহাৰৰ টোপোলা আগবঢ়ায়। সভাৰ অন্তত আদৰ শিশুগৃহৰ সভাপতি ইজৰাইল নন্দই শলাগৰ শৰাই আগবঢ়ায়। সমাজকৰ্মী লিপিকা গগৈয়ে আদৰ শিশুগৃহৰ বিষয়ে আৰু দত্তক মাহ উদ্‌যাপনৰ তাৎপৰ্যৰ বিষয়ে বিতংভাৱে উল্লেখ কৰে। সভাত জিলা সুৰক্ষা সমিতিৰ বিষয়া ৰিজুৱানা তচমিন হাজৰিকা, নিৰূপম চুতীয়া, জিলা কল্যাণ সমিতিৰ অধ্যক্ষ ভৱানন্দ গোহাঁই, চাইল্ড লাইনৰ শদিয়া আৰু মাৰ্ঘেৰিটাৰ দুয়োগৰাকী সমন্বয়ক, আদৰ শিশু গৃহৰ সমন্বয়কে ইষ্টেৰ ঘালে, সুমন ভট্টাচাৰ্য, মনঞ্জু দাসকে আদি কৰি অন্যান্য কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## যোৰহাটত 'হৰ ঘৰ দস্তক' অভিযানত

১২ পৃষ্ঠাৰ পৰা মেগা টিকাকৰণ অভিযানৰ দ্বিতীয় দিনা অৰ্থাৎ কালি আৰু আজি যোৰহাট নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলসমূহত ঘৰে ঘৰে গৈ টিকাকৰণৰ পৰিস্থিতিৰ বুজ লয়। ক'ভিড টিকাকৰণৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ দ্বাৰা হোৱা স্বাস্থ্য সুৰক্ষা সন্দৰ্ভত তেওঁ ৰাইজক অৱগত কৰে। উল্লেখ্য যে বহুসংখ্যক লোকক ঘৰতে স্বাস্থ্য বিভাগৰ দলে টিকাকৰণ প্ৰদান কৰে। এই পৰিদৰ্শন কালত তেওঁৰ লগত যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, জিলা অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ শশীধৰ ফুকন প্ৰমুখ্যে প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ চাফাই

১২ পৃষ্ঠাৰ পৰা ওজা, ধনেশ্বৰী তাঁতী, দীপিকা, মহানন্দা, ঈদুল আহমেদ অচিন্ত্য তিৰ্কী, ফুল চাহানী, দিব্য ৰাণী কুমাৰ, অভিজিত ৰাজপুত, নিভাঁজ ৰজকে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষয়িত্ৰীসকলে চাফাই কাৰ্য কৰোতে মহাবিদ্যালয়খনলৈ অহা পথৰ দাঁতিত প্লাষ্টিকৰ বেগ, চাহ খোৱা কাগজৰ গিলাচ, আয়নাৰ বটৰ, মিনাৰেল ৱাটাৰ বটলৰ উপৰি মহিলা-পুৰুষৰ পেলনীয়া কাপোৰ, মহিলাৰ পেড আদি দেখি দুখ আৰু ক্ষোভ প্ৰকাশ কৰে। এখন শিক্ষাঅনুষ্ঠানলৈ অহা পথৰ দাঁতিত এইদৰে লেতেৰা আৰু আৱৰ্জনা পেলোৱা কাৰ্যক অধ্যক্ষা প্ৰমুখ্যে মহাবিদ্যালয়খনৰ শিক্ষয়িত্ৰী কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে একে মুখে গৰিহণা দিয়ে। অধ্যক্ষাগৰাকীয়ে যোৰহাট আদি চহৰৰ দৰে ন্যূনতম অৰ্থৰ বিনিময়ত ঘৰৰ পৰাই জাৱৰ উঠোৱাৰ ব্যৱস্থা যদি নগৰপালিকাই কৰে তেতিয়াহ'লে পথৰ দাঁতিত এইদৰে জাৱৰ পেলোৱা কমিব বুলি মন্তব্য দিয়ে।

## সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ

১২ পৃষ্ঠাৰ পৰা আহমেদ বৰাই নিঃশেষ হৈ যাব খোজা গৰিয়া জনগোষ্ঠীটোৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত গৰিয়া জাতীয় পৰিষদৰ জিলা বিষয়ববীয়াসকলে বক্তব্য প্ৰদান কৰি জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে প্ৰতিজন গৰিয়া লোকৰ সহযোগিতা কামনা কৰে। সভাত স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তিসকলে জনগোষ্ঠীটোৰ কলা, সংস্কৃতি, খাদ্যাভ্যাস, আচাৰ-ব্যৱহাৰ অসমৰ অন্যান্য থলুৱা জনগোষ্ঠীৰ স'তে মিল থকাৰ সম্পৰ্কে বক্তব্য ৰাখে। সভাত বৰ্তমান চৰকাৰখনে এই জনগোষ্ঠীটোক কিছু অগ্ৰাধিকাৰ দিয়াৰ বাবে চৰকাৰখনক ধন্যবাদ জনায়। সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ জিলা সম্পাদক মুস্তাক আহমেদে চৰকাৰখনক শীঘ্ৰে সুকীয়া জৰীপ কৰি জাতিটোৰ, অৰ্থনৈতিক, ৰাজনৈতিক আৰু শৈক্ষিক দিশত আগুৱাই নিবলৈ আহ্বান জনায়। সভাত সৰ্ব সন্মতিক্ৰমে, নুৰুল হুছেইনক সভাপতি, আবু বক্কৰ চিদ্দিকক সাধাৰণ সম্পাদক, মুহিব উদ্দিনক সাংগাঠনিক সম্পাদকৰূপে লৈ ২১ জনীয়া লালুক আঞ্চলিক সমিতিখন গঠন কৰা হয়।

## বাগ্‌সা জিলা সাহিত্য সভাৰ ২০২২

১২ পৃষ্ঠাৰ পৰা কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰে নিৰ্বাচনী সমিতিয়ে। অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ত জিলা সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ নিৰ্বাচনী সমিতিয়ে জমগ্ৰহণ কৰাৰ পাছত মুখ্য নিৰ্বাচনী বিষয়া জ্যেষ্ঠ অধিবক্তা গিৰিধৰ চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে জিলা সাহিত্য সভাৰ ২০২২ৰ পৰা ২০২৪ৰ সাংগঠনিক নিৰ্বাচন চলি আছিল। সেই উপলক্ষে কালি মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন আছিল। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম সময়ৰ ভিতৰত সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ জমা গ্ৰহণ কৰে। কাইলৈ নিৰ্বাচনী প্ৰ-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু পৰৱৰ্তী সময়ত নিৰ্বাচনী বিধি অনুসৰি নিৰ্বাচনী প্ৰক্ৰিয়া আগবঢ়াই লৈ যোৱা হ'ব। নিৰ্বাচনী বিধি অনুযায়ী অহা ১৯ ডিচেম্বৰত জিলা সাহিত্য সভাৰ মুছলপুৰস্থিত মুখ্য কাৰ্যালয়ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

## ধুবুৰী জিলাত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান

১২ পৃষ্ঠাৰ পৰা জিলা আয়োজক সমিতিৰ সভাপতি ধ্ৰুৱ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত জিলা সমন্বয়ক নজৰুল ইছলামে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ জীৱবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক মিতালী ঘোষ পাল, ধুবুৰী ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষা মুলতুফা বেগম, ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহৰ প্ৰকল্প বিশেষজ্ঞ গোলাম মোস্তফা খান, জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ হুছেইন মজুমদাৰে শিশু বিজ্ঞানীসকলক উৎসাহিত কৰাৰ লক্ষ্যৰে ভাষণ প্ৰদান কৰে। আনহাতে, ২০২০ৰ নলবাৰীত অনুষ্ঠিত ৰাজ্যিক শিশু সমাৰোহত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাবে নিৰ্বাচিত ধুবুৰীৰ শিশু বিজ্ঞানী অৰ্পিতা সূত্ৰধৰ আৰু বৰ্ণালী সেনক ধুবুৰী জিলা আয়োজক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ৰাজ্যিক সমাৰোহৰ বাবে নিৰ্বাচিত শিশু বিজ্ঞানীসকলৰ উপৰি জিলা পৰ্যায়ত প্ৰকল্প উপস্থাপন কৰা সকলো শিশুকে মানপত্ৰ আৰু বঁটা প্ৰদান কৰা হয়। বিচাৰক মণ্ডলীৰ লগতে গাইড শিক্ষক অংশগ্ৰহণ কৰা সকলো বিদ্যালয়ক মানপত্ৰ প্ৰদান কৰা হয়। সভাত বহুকেইজন শিক্ষাবিদ সাংবাদিকেও অংশগ্ৰহণ কৰে।

## অনিমেষৰ বাসগৃহত অসম সাহিত্য

১২ পৃষ্ঠাৰ পৰা পদ্মধৰ বৰা আদিয়ে অংশগ্ৰহণ কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই কয় যে সভ্য সমাজক কলংকিত কৰা এনে ঘটনা আৰু কোনো কালেই সংঘটিত নহওক। হত্যাৰ বলি হোৱা অনিমেষ কেৱল ছাত্ৰ সন্থাৰ লগতে জড়িত নাছিল। সাহিত্য সভাৰ একান্ত সেৱকৰূপে জাতীয় দায়িত্ব পালন কৰিছিল। ঘটনাটোৰ স'তে জড়িত মূল অভিযুক্ত কেৱল ক'লা ল'ৰাক গ্ৰেপ্তাৰ কৰাৰ পাছত মৃত্যু হোৱাতে চৰকাৰে দায়িত্ব সামৰিলে নহ'ব। জড়িত প্ৰতিজন দোষীকো দৃষ্টান্তমূলক শাস্তি বিহিবলৈ তেওঁ দাবী জনায়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিনিধি দলটোৱে ব্ৰহ্মপুত্ৰ অঞ্চলত মহিলা সমাজে উলিওৱা এক প্ৰতিবাদী সমদলতো অংশগ্ৰহণ কৰে।

## কামৰূপ জিলাত একেদিনাই ৯২২ টা

১২ পৃষ্ঠাৰ পৰা জিলাৰ প্ৰায় ১৯ হেজাৰ গোটৰ ভিতৰত যোৱা বিত্তীয় বৰ্ষত ৫৫০০ গোটে ঋণ পোৱাৰ বিপৰীতে চলিত বৰ্ষত ৩৫০০ গোটে ইতিমধ্যে ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত তেওঁ বেংকসমূহৰ পদক্ষেপৰ শলাগ লয় আৰু ভৱিষ্যতে বেংকসমূহৰ সহযোগত জীৱিকা অভিযান আৰু আত্মসহায়ক গোটসমূহৰ উত্তৰণৰ সমূহীয়া যাত্ৰা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। নতুনকৈ ঋণ পাবলৈ সক্ষম হোৱা গোটসমূহক তেওঁ অভিনন্দন জনাই তেওঁলোকৰ আশাশুধীয়া প্ৰচেষ্টাৰ বলত আগন্তুক দিনত আত্মসহায়ক গোটৰ উত্তৰণৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰতে কামৰূপ জিলা শীৰ্ষ স্থান থাকিবলৈ সক্ষম হ'ব বুলিও কয়। আনহাতে, গোটৰ যিসকল সদস্যই এতিয়াও ক'ভিড প্ৰতিষেধক টিকা ল'বলৈ বাকী আছে তেওঁলোকে অহা পাঁচ ডিচেম্বৰৰ ভিতৰত টিকা গ্ৰহণ কৰাৰ লগতে ওচৰ-চুবুৰীয়াসকলৰ মাজত টিকা নোলোৱাসকলক তৎকালীনভাৱে টিকা লোৱাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত জিলাখনৰ প্ৰধান বেংক ব্যৱস্থাপক অজয় সাহাই অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ৰাজ্যিক প্ৰকল্প প্ৰৱন্ধক দীপাংকৰ বৰুৱা, কামৰূপ জিলা প্ৰকল্প প্ৰৱন্ধক লক্ষীনন্দন গোস্বামী, বিভিন্ন বেংকৰ ক্ষেত্ৰীয় আৰু আঞ্চলিক বিষয়া, বেংকৰ শাখা প্ৰৱন্ধক আৰু আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে। উল্লেখ্য যে আশাদ্বীপৰ অন্তৰ্গত গোটসমূহে প্ৰস্তুত কৰা গামোচা বিভিন্ন উৎপাদিত সামগ্ৰীৰ টোপোলাৰে অভ্যাগতসকলক আদৰণি সম্ভাষণ জনোৱাৰ উপৰি গোটসমূহে প্ৰস্তুত কৰা লাডু-পিঠা-কোমল চাউলৰে অতিথিসকলক আপ্যায়ন কৰা হয়। জিলা পৰ্যায়ৰ অনুষ্ঠান শুৱালকুছিত অনুষ্ঠিত কৰাৰ বাবে স্থানীয় ৰাইজে সন্তুষ্টি ব্যক্ত কৰে।

## পাঁচ ডিচেম্বৰৰ ভিতৰত ক'ভিড

১২ পৃষ্ঠাৰ পৰা নিজে গ'লে তেওঁলোকে প্ৰতিষেধক ল'বলৈ আগবাঢ়ি আহিব বুলিও তেওঁ কয়। আনহাতে, এতিয়াও ভোটাৰ তালিকাত নাম নথকা অথচ ১৮ বছৰ পূৰ্ণ কৰা লোকসকলকো প্ৰতিষেধক প্ৰদানৰ বাবে পদক্ষেপ ল'বলৈও তেওঁ আহ্বান জনায়। সভাৰ অন্তত পৰ্যবেক্ষক দুগৰাকীৰ উপস্থিতিত কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন আৰু জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে সাংবাদিকৰে মত বিনিময় কৰে। ইয়াৰ পাছতে পৰ্যবেক্ষকদ্বয়ে জালুকবাৰী আৰু কমলপুৰৰ কে'বাটাও ভোটকেন্দ্ৰৰ অধীনৰ লোকসকলৰ ওচৰলৈ গৈ প্ৰতিষেধক ল'বলৈ উদগনি যোগায়। উল্লেখ্য যে দেশত ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা 'হৰ ঘৰ দস্তক' অভিযানৰ অংশ হিচাপে ভোটদান কেন্দ্ৰৰ ভিত্তিত ৰাজ্যখনৰ অঞ্চলসমূহ সামৰি অসমৰ সকলো যোগ্য লোকৰ এশ শতাংশ টিকাকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰেও বৃহৎ নিৰীক্ষণ কাৰ্যসূচী হাতত লৈছে। আজি ২৯ নৱেম্বৰৰ পৰা অহা পাঁচ ডিচেম্বৰৰ ভিতৰত এই লক্ষ্যত উপনীত হ'বৰ বাবে অসমৰ মুখ্যমন্ত্ৰী, মন্ত্ৰী বৰ্গ, সাংসদ, বিধানসভাৰ সদস্য আৰু মুখ্য সচিবকে ধৰি জ্যেষ্ঠ বিষয়াসকলে ভোটদান কেন্দ্ৰৰ অঞ্চলসমূহৰ পৰিদৰ্শন কৰিব। এই অভিযানৰ যোগেদি যিসকল ব্যক্তিয়ে এতিয়াও ছিটা লোৱা নাই বা দ্বিতীয় পালি টিকা গ্ৰহণ কৰিবলৈ বাকী আছে বা কোনো কোনোৱে অনীহা প্ৰদৰ্শন কৰিছে, তেওঁলোকেও টিকা গ্ৰহণ কৰাটো সুনিশ্চিত কৰা হ'ব। এই অভিযান সুচাৰুৰূপে সম্পন্ন কৰিবলৈ প্ৰথম পৰ্যায়ত আঠ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ ইতিমধ্যে আশা কৰ্মীসকলে ভোটকেন্দ্ৰ ভিত্তিত তালিকা প্ৰস্তুত কৰিছে আৰু স্বাস্থ্য বিভাগে ছিটা দিয়াৰো ব্যৱস্থা কৰিছে। ইয়াৰ ভিত্তিত আজিৰ পৰা পুনৰীক্ষণ কৰা হ'ব। এশ শতাংশ টিকাকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে হাতত লোৱা এই অভিযান কামৰূপ জিলাত সফল কৰি তুলিবৰ বাবে ১,৬১৪ টা ভোটকেন্দ্ৰৰ বাবে জিলাখনত চাৰিজন ন'ডেল বিষয়া, ৩২ গৰাকী মাণ্ডলিক বিষয়া, ১১৪ গৰাকী খণ্ড বিষয়া মনোনীত কৰাৰ উপৰি আশাকৰ্মী, বুথ লেভেল অফিচাৰ আৰু শিক্ষকসকলৰ মাজৰ পৰা টিকাকৰণ পৰ্যবেক্ষক আৰু সহযোগী টিকাকৰণ পৰ্যবেক্ষক নিয়োগ কৰি চাৰিজনীয়াকৈ মুঠ ১,৬১৪ টা টিকাকৰণ পৰীক্ষণ দল গঠন কৰা হৈছে। জিলাখনত আজিৰে পৰা এই মনোনীত লোকসকলে ভোটকেন্দ্ৰ পৰ্যায়ত পৰীক্ষণ কৰি টিকাকৰণ সুনিশ্চিত কৰিব। উল্লেখ্য যে কামৰূপ জিলাত এতিয়ালৈকে ১৭,৬৭,৭৫৯ পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ১১,৩৬,৬১২ টা প্ৰথম পালি আৰু ৬,৩১,১৪৭ টা দ্বিতীয় পালিৰ ছিটা প্ৰদান কৰা হৈছে।

## অৱসৰৰ দিনাই ১০গৰাকীলৈ ছুটীৰ

১২ পৃষ্ঠাৰ পৰা সম্ভাষণ জনোৱা হয়। কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সভাতে অৱসৰী শিক্ষক-কৰ্মচাৰীসকলক তেওঁলোকৰ প্ৰাপ্য ছুটীৰ বেতন আৰু বীমাৰ ধনৰ অনুমোদন পত্ৰও প্ৰদান কৰা হয়। কালি অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকল ক্ৰমে হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক বিজয় কুমাৰ মেধি, গণেশ দাস উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল চন্দ্ৰ বৈশ্য, আগিয়াথুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক আব্দুল মকিব আলী, উত্তৰ কামৰূপ আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক আব্দুল গফুৰ, পদুম কুঁৱৰী কলেজিয়েট হাইস্কুলৰ সহকাৰী শিক্ষক চৈয়দ খোৰচান আলী, ডেকাপাৰা ছেখাদাৰী আঞ্চলিক এম ই স্কুলৰ প্ৰধান শিক্ষক সিদ্ধেশ্বৰ ৰাভা, প্ৰীতিপুৰ এম ই স্কুলৰ সহকাৰী শিক্ষক ছফিউৰ ৰহমান, ৰামপুৰ হাইস্কুলৰ উচ্চ বৰ্গৰ সহায়ক সাবিত্ৰী বড়ো, ৰঙিয়া মাদ্ৰাছা হাইস্কুলৰ উচ্চ বৰ্গৰ সহায়ক চৈয়দা চুৰীয়া বেগম আৰু বৰছলী হাটখোলা হাইস্কুলৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ইছলামুদ্দিন আহমেদ।

অৱসৰৰ পাছত পাবলগীয়া ছুটীৰ বেতন আৰু বীমাৰ ধনৰ অনুমোদন পত্ৰ প্ৰদান কৰি দিয়া ভাষণ প্ৰসংগত পৰিদৰ্শক ঠাকুৰীয়াই কয় যে দেশৰ ভৱিষ্যত গঢ়াৰ সেৱাত অৱতীৰ্ণ হৈ থকা জিলাখনৰ শিক্ষক, কৰ্মচাৰীসকলৰ অৱসৰৰ মুহূৰ্ততে জিলা কৰ্তৃপক্ষৰ ফালৰ পৰা প্ৰদান কৰিব পৰা প্ৰাপ্যখিনি আদায় দিয়াৰ বাবে ২০১৯ৰ পৰাই কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে। চলিত মাহত অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকলৰ বাবেও একেই তৎপৰতাৰে কাৰ্য সম্পাদনা কৰি আজি অৱসৰৰ দিনটোতে তেওঁলোকৰ প্ৰাপ্য আদায় দিবলৈ পাই আনন্দিত হোৱাৰ উপৰি আগলৈও এই ধাৰা অব্যাহত ৰাখিব বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, শৈক্ষিক উন্নয়ন প্ৰক্ৰিয়াত অধিক গতি প্ৰদান কৰাৰ লক্ষ্যৰে কামৰূপ জিলাত আৰম্ভ কৰা 'অৱসৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক স্বেচ্ছাসেৱা' চমুকৈ ভেস্পা কাৰ্যসূচীৰ অধীনত অভিজ্ঞতাৰে পুষ্ট অৱসৰী শিক্ষকসকলক সেৱা আগবঢ়াবৰ বাবে আগবাঢ়ি আহিবলৈও তেওঁ অনুৰোধ জনায়।

স্বাস্থ্যসেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ), অসম

সত্যমেব জয়তে
অসম চৰকাৰ

NATIONAL HEALTH MISSION
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

# ভেকছিন কৰক নিশ্চিত, সুৰক্ষা কৰক সুনিশ্চিত

## 'হৰ ঘৰ দস্তক' অভিযান

২৯ নৱেম্বৰ - ৫ ডিচেম্বৰ, ২০২১



Dr. Himanta Biswa Sarma
Hon'ble Chief Minister, Assam

## প্ৰথম পালি সম্পূৰ্ণ হোৱাৰ পথত অসম

"চলিত 'হৰ ঘৰ দস্তক' ক'ভিড টিকাকৰণ অভিযানৰ সময়ত অভূতপূৰ্ব সঁহাৰি দিয়াৰ বাবে মই অসমৰ জনসাধাৰণক ধন্যবাদ জনাইছো। এতিয়ালৈকে, ৰাজ্যখনত ৩,৩৩,৫৫,৯০৩ পালি ক'ভিড ভেকছিন প্ৰদান কৰা হৈছে। আপোনাৰ সমৰ্থন আৰু সহযোগিতাৰ দ্বাৰা, অসমে নিশ্চিতভাৱে ১০০% ক'ভিড টিকাকৰণৰ লক্ষ্য পূৰ্ণ কৰিব। যিসকল লোকে এতিয়াও ক'ভিড ভেকছিনৰ পালি গ্ৰহণ কৰিবলৈ বাকী আছে, মই তেওঁলোকক ভেকছিনৰ পালি গ্ৰহণ কৰিবলৈ আৰু মহামাৰীৰ বিৰুদ্ধে এই জন আন্দোলনৰ অংশদাৰী হ'বলৈ অনুৰোধ জনাইছো।"

### সফলতা

প্ৰয়োগ কৰা মুঠ পালি: ৩,৩৩,৫৫,৯০৩
প্ৰথম পালি: ২,১২,০২,৬৫৭ | দ্বিতীয় পালি: ১,২১,৫৩,২৪৬
১/১২/২০২১ লৈকে

### 'হৰ ঘৰ দস্তক' অভিযানৰ কেইটামান উল্লেখনীয় মুহূৰ্ত


গোলাঘাট জিলাৰ দিলাবাৰী চুকত এগৰাকী স্তনপান কৰাই থকা মাতৃ আৰু তেওঁৰ স্বামীয়ে ক'ভিড ভেকছিনৰ প্ৰথম পালি গ্ৰহণ কৰাৰ মুহূৰ্ত


দৰং জিলাৰ অন্তৰ্গত দক্ষিণ কচেইচুবা গাঁৱত যোগ্য জ্যেষ্ঠ দম্পতীয়ে ক'ভিড ভেকছিন গ্ৰহণ কৰাৰ মুহূৰ্ত


নগাঁও জিলাৰ মোৱামাৰী এলেকাত এগৰাকী শয্যাশায়ী হিতাধিকাৰীক ক'ভিড ভেকছিন প্ৰদানৰ মুহূৰ্ত


গোলাঘাট জিলাৰ বোকাখাটি অঞ্চলৰ এখন শস্যৰ পথাৰতে যোগ্য ব্যক্তিক আমাৰ স্বাস্থ্যকৰ্মীসকলে ক'ভিড ভেকছিন প্ৰদান কৰাৰ মুহূৰ্তত


ডিব্ৰুগড় জিলাৰ লেংৰিজান চাহ বাগিচাত আমাৰ স্বাস্থ্যকৰ্মীসকলে ক'ভিড টিকাকৰণ অভিযানত অংশগ্ৰহণৰ এটি মুহূৰ্ত


আমাৰ স্বাস্থ্যকৰ্মীসকলে কাৰ্বি আংলং জিলাৰ মানজা বিপিএইচচিৰ অধীনৰ দুৰ্গম অঞ্চলসমূহৰ লোকক ক'ভিড ভেকছিন প্ৰদানৰ উদ্দেশ্যে কঠোৰ পৰিশ্ৰম কৰাৰ মুহূৰ্তত


অসম চৰকাৰৰ মুখ্য সচিব শ্ৰীযুত জিষ্ণু বৰুৱা (আইএএছ)য়ে কামৰূপ (মহানগৰ) জিলাৰ উপায়ুক্ত শ্ৰীযুত পল্লৱ গোপাল ঝা, (আইএএছ)ৰ সৈতে ক'ভিড ভেকছিন গ্ৰহণত অনুপ্ৰেৰণা যোগাবলৈ উদয়নপুৰ, কইনাধৰা অঞ্চল পৰিদৰ্শনৰ মুহূৰ্তত


শোণিতপুৰ জিলাত আমাৰ স্বাস্থ্য কৰ্মীসকলে যোগ্য লোকক ক'ভিড টিকাকৰণ প্ৰদান কৰিবলৈ ঘৰে ঘৰে যোৱাৰ এটি মুহূৰ্ত


তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা এলএচিৰ পিএছ নং ১২৬ ৰ অধীনত কাৰেঙ গাঁও আৰু নামফাই গাঁৱত ভেকছিন সম্পূৰ্ণকৰণ অভিযান চলোৱা সময়ত সৰ্বমুঠ ৩৯ জন ব্যক্তিয়ে অফলাইনত ক'ভিড ভেকছিনৰ প্ৰথম পালি গ্ৰহণ কৰে



জনসংযোগ/ডি/১০৪৯৬/২১

ক'ভিড টিকাকৰণ সম্পৰ্কীয় যিকোনো প্ৰশ্নৰ বাবে ৰাজ্যিক ক'ভিড টিকাকৰণ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ৮০১১৪৭০৬৮২, ৮৩৯৯৮৬৩৯৭১ ডায়েল কৰক

এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰক

অনুগ্ৰহ কৰি সকলো সময়তে ক'ভিড সংক্ৰান্তীয় নীতি-নিয়ম মানি চলক।

স্বাস্থ্যজনিত কাৰণত আপুনি বাহিৰলৈ যাব নোৱাৰা পৰিস্থিতিত গৃহ টিকাকৰণৰ বাবে ১০৪ নম্বৰত ফোন কৰক।

## বিলাসনন্দন চ'ৰা



# চাহৱালা নহয়, পাণৱালা

**দলং** লাগে দলং দিব। চাকৰি লাগে চাকৰি দিব। ঋণ ৰেহাই লাগে ঋণ ৰেহাই দিব। মুঠতে প্ৰজাগণে যি বিচাৰে, দিছপুৰৰ মহাৰাজে তাকেই দিবলৈ সাজু আছে। কেৱল প্ৰজাগণে বিচৰাখিনিয়ে নহয়, তেওঁলোকে যি নিবিচাৰে সেয়াও দিবলৈ মহাৰাজে আপ্ৰাণ চেষ্টা কৰি আছে। যেনে ধৰক— প্ৰজাগণে নিবিচাৰে যে বেদখল উচ্ছেদৰ নামত এচাম মানুহক সৰ্বস্বান্ত কৰি সাৰি-মচি চাফা কৰি পেলোৱা হওক আৰু স্বচ্ছ ভাৰত অভিযানৰ ঝাণ্ডা উৰুওৱা হওক। মহাৰাজে কিন্তু ঝাণ্ডা উৰুৱাইছে। প্ৰজাগণে নিবিচাৰে যে দালাল ধৰা, ড্ৰাগছ ধৰাৰ নাটকখন ইণ্টাৰভেল নাহোতেই শেষ হওক। মহাৰাজে কিন্তু শেষ কৰিছেই। আৰামত দালালিও চলি আছে আৰু ড্ৰাগছ সেৱন কৰি ৰাস্তাই-ঘাটে মৰেল পুলিচ হৈ ঘূৰি ফুৰিছে। প্ৰজাগণে এতিয়াহে বুজিছে যে সেইবোৰ আচলতে পূৰ্ণাংগ নাটক নাছিল, পূৰ্ণাংগ নাটকত থকা দুই-এক গীতহে আছিল। প্ৰজাগণে বিচৰা নাই যে ধৰ্মৰ নামত, ভাষাৰ নামত সমাজখন ভাগ ভাগ হওক. কিন্তু অলৰেডি বহুকেইটা ভাগ কৰি পেলোৱা হৈছে। স্বদেছী আৰু বাংলাদেছী, আত্মীয় আৰু সৰ্বীয়, এছামিজ আৰু বেংগলী, কংগ্ৰেছী আৰু এৰো এৰোকৈ থকা কংগ্ৰেছী ইত্যাদি ইত্যাদি এনে অলেখ বিভাজন।

প্ৰজাগণে বিচাৰিলে বুলিয়ে যে সৱ দিব লাগিব, তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। প্ৰজাগণে বিচাৰিছে যে এছামিজ স্কুলকেইখনৰ কণ্ডিছন অলপ ভাল হওক। এতিয়াতো একেবাৰে এয়াৰ কণ্ডিছন হৈ আছে। যিফালে চায় সিফালেই এয়াৰ পাছ হৈ আছে, ষ্টুডেণ্ট নাই। প্ৰজাগণে বিচাৰিছে যে স্কুলবোৰলৈ ষ্টুডেণ্ট অহাৰ ব্যৱস্থাটো আৰম্ভ হওক। দিছপুৰৰ সভাসদসকল কাণষাৰ দিয়া নাই। তেওঁলোকৰ নিজৰ ল'ৰা-ছোৱালীয়ে সেইবোৰত নপঢ়ে যেতিয়া ইমান বেছি মনোযোগ দিয়াৰ কি দৰকাৰ! প্ৰজাগণে বিচাৰিছে অফিচে অফিচে খালী হৈ থকা পদবোৰ পূৰণ হওক। কিন্তু মহাৰাজে তেনে কৰিবলৈ ইচ্ছুক নহয়। অফিচত অফিচাৰ বেছি হ'ল টেবুলৰ ওপৰত অফিচিয়েল কামতকৈ টেবুলৰ তলৰ আন-অফিচিয়েল কামবোৰ বেছিকৈ বাঢ়িব। প্ৰজাগণে বিচাৰিছে যে দেছ-বিদেছৰ কোম্পানীবোৰ আহক, ইয়াত নতুন নতুন অফিচ খোলক। তেওঁলোকে এইবোৰলৈও কাণসাৰ কৰা নাই। আৰে বেলেগকৈ কোম্পানী কিয় আহিব লাগেনো? দিল্লীৰ বাদশ্বাহে দেখোন সৱ কোম্পানীকে দি দিছে। এয়াৰপ'ৰ্টৰ পৰা ৰেল ষ্টেছনলৈকে সৱ কোম্পানীকে দি দিছে। মহাৰাজক বৰঞ্চ এটা টেনছনেহে খাই মাৰিছে। বাদশ্বাহে যি হাৰত সৱ বস্তু কোম্পানীক দি ফুৰিছে, কোনোবাদিনা ষ্টেটবোৰ চলোৱাৰ দায়িত্বও কোম্পানীক দি নিদিয়েতো! যেনে ধৰক — ইউ পি-বিহাৰৰ দায়িত্ব আম্বানীক, বেংগল-আখামৰ দায়িত্ব আদানীক, দিল্লী-মুম্বাইৰ দায়িত্ব বিজয় মালিয়াক (বৰ্তমান পলাই ফুৰিছে যদিও যিকোনো মুহূৰ্ততে যিকোনো সুৰুঙাৰে আহি সোমাই যাব পাৰে), অন্ধ্ৰ, কেৰালা, তামিলনাডু নীৰৱ মোদীক দিব পাৰে! নীৰৱ মোদীয়েও বৰ্তমান বেংকৰ পইচা মাৰি পলাই ফুৰিছে। একো ডাঙৰ কথা নহয়। এইখন ডিজিটেল ইণ্ডিয়া হয়। এই ডিজিটেল ইণ্ডিয়াত কেৱল এক মিনিটৰ ফোন কল এটা কৰি যে এশ কোটিৰ লোণ পাব পাৰি তেনে নহয়; এশ কোটি মাৰি এক মিনিটতে পলায়ো যাব পাৰি। বিজয় মালিয়া, নীৰৱ মোদী এই ডিজিটেল ইণ্ডিয়াৰে প্ৰডাক্ট হয়। গতিকে আমাৰ দিছপুৰৰ মহাৰাজেও বাদশ্বাহৰ এই ডিজিটেল ইণ্ডিয়াক লৈ অলপ-অচৰপ টেনছন খাই থাকে। একোতো বিশ্বাস নাই— হঠাতে ৰাতি আঠ বজাত টিভিত ওলাব আৰু 'ভাইয়ো অউৰ বেহেনো' বুলি কৈ ঘোষণা কৰি দিব পাৰে যে আজিৰে পৰা সৱ ষ্টেট কোম্পানীকৰণ কৰা হ'ব। এই আঁচনিৰ কিবা এটা নামো দি দিব পাৰে— 'এক আদমী এক ষ্টেট' অথবা 'কোম্পানী কো কোম্পানী দো' আদি। তেতিয়া কি হ'ব? মহাৰাজৰ কুৰ্চীখন দেখোন কোম্পানীৱালাক দি দিব লাগিব।

কেৱল সেয়াই নহয়, বাদশ্বাহক হাণ্ড্ৰেড পাৰ্চেণ্ট বিশ্বাসত ল'বলৈ মহাৰাজে টান পায়। এনেয়েও আমাৰ মহাৰাজ বাদশ্বাহৰ বৰ এটা ক্ল'জ নাছিল। বাদশ্বাহ ক্ল'জ আছিল নিৰানন্দদাৰ লগত। মহাৰাজতো ক্ল'জ আছিল কৰিশ্মা দেখুৱাই ভাল পোৱা কৰিশ্মা শ্বাহৰ। পূৰ্বৰে পৰা বাদশ্বাহৰ কথাবোৰত মহাৰাজে হাণ্ড্ৰেড পাৰ্চেণ্ট বিশ্বাস নাছিল। দুই-এজনক মহাৰাজে হেনো জগৰ নলগাকৈ ৰগৰ কৰাৰ সুৰত কৈছে, 'আমাৰ দিল্লীৰ বছে কিছুমান কথা এনেয়ে কৈ ফুৰে জাননে? এই যে বাদশ্বাহে কৈ থাকে যে তেওঁ চাহৱালা আছিল, ধপ বুজিছ। তেওঁ চাহৱালা নাছিল।

ঃ কি আছিল?

ঃ পাণৱালাহে আছিল।

ঃ কেনেকৈ গম পালে ছাৰ?

ঃ দছ বছৰে চূণা লগাই আছে দেছবাচীক, পাণৱালা নহয় কি?

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# পাংচাৰৰ সমাধান সূত্ৰ লৈ শীঘ্ৰে বজাৰলৈ আহিব ফ্লেট ফ্ৰী টায়াৰ



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** আপোনাৰ গাড়ীখন চলি থকাৰ মাজতে বাৰে বাৰে পাংচাৰ হয় নেকি ? গন্তব্যস্থান পোৱাৰ পূৰ্বে বাৰে বাৰে গেৰেজৰ আলহী হ'বলগীয়া হয় নেকি? যদি হয়, তেন্তে এতিয়া আৰু চিন্তাৰ কাৰণ নাই। কিয়নো পাংচাৰ নোহোৱা টায়াৰযুক্ত চকাই এতিয়া আপোনাৰ বাহনখনৰ শোভা বৰ্ধন কৰিব। লগতে বাৰে বাৰে পাংচাৰ হোৱা সমস্যাৰো সমাধান কৰিব। অতি শীঘ্ৰে বজাৰলৈ আহিব বায়ুবিহীন টায়াৰ। যি আপোনাৰ বাহনৰ চকা সুৰক্ষিত কৰি ৰাখিব। বায়ুবিহীন হোৱাৰ বাবেই ই পাংচাৰ হোৱাৰ প্ৰশ্নই নাহে। কিন্তু এয়া জানো সম্ভৱ। কিদৰে পথত চলিব বায়ুবিহীন চকা। এই প্ৰশ্ন সকলোৰে মনলৈ অহাটো স্বাভাৱিক। কিন্তু এই অসম্ভৱ কামটো সম্ভৱ কৰি তুলিছে বিদেশৰ এটা চকা নিৰ্মাণ সংস্থাই। যি বায়ুবিহীন টায়াৰ নিৰ্মাণ কৰিছে। তেওঁলোকে ২০২৪ত এই বিশেষ টায়াৰ বজাৰলৈ অনাৰ সম্ভাৱনা সদৰী কৰে। সংস্থাটোৱে দাবী কৰা অনুসৰি, সাধাৰণ চকাতকৈ আয়ুস বেছি এই টায়াৰযুক্ত চকাৰ। অন্য চকাৰ তুলনাত এই চকাৰ ভাৰ বহন ক্ষমতা অধিক। নখোৰা মোখোৰা পথতো সহজে চলাচল কৰিব পাৰে। কিন্তু ঘণ্টাত ৮০ কিলোমিটাৰতকৈ অধিক বেগত চলিব নোৱাৰে এই চকাযুক্ত বাহন। এনে কৰিলে বাহনত সৃষ্টি হ'ব তীব্ৰ জোকাৰণি ।







# ১৫ মিনিটত বিশ্বৰ ১৮৫খন নদীৰ ব্যাখ্যাৰে বিশ্ব অভিলেখ ডুবাইৰ ভাৰতীয় বংশোদ্ভৱ সনভৰ



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১ ডিচেম্বৰ ঃ** মাত্ৰ ১৫ মিনিট ৫৩ ছেকেণ্ড। এইকণ সময়তেই বিশ্বৰ মুঠ ১৮৫খন নদীৰ সম্পৰ্কে পুংখানুপুংখকৈ ব্যাখ্যা কৰি বিশ্ব অভিলেখ গঢ়িলে ডুবাইৰ ভাৰতীয় বংশোদ্ভৱ সনভ ৰামংকৰে। শিশুটিৰ কণ্ঠত যেন সৰস্বতী বিদ্যমান। কেৱল নদীসমূহৰ নামেই নহয়, বৰঞ্চ কোন দেশৰ মাজেৰে বৈ গৈছে, কোনখন মহাদেশক চুই গৈছে, নদীসমূহৰ উৎপত্তি-পতনৰ স্থল , দৈৰ্ঘ্য কিমান এই আটাইবোৰ সলসলীয়াকৈ মুখস্থ সনভৰ। আঠ বছৰীয়া এই বিস্ময় বালক সনভ হৈছে ডুবাইৰ বাসিন্দা। ভাৰতীয় বংশোদ্ভৱ সনভে সম্প্ৰতি নিজৰ প্ৰতিভাৰে বিশ্বত উজলি উঠিছে। বিশ্ব অভিলেখ গঢ়া সনভ হৈছে প্ৰথম ভাৰতীয়। উল্লেখ্য যে ২৩ নৱেম্বৰত ভাৰতীয় সময় অনুসৰি সন্ধিয়া ছয় বজাত এক ভাৰ্চুৱেল অনুষ্ঠানত সনভে অংশগ্ৰহণ কৰিছিল। ফেচবুক আৰু ইনষ্টাগ্ৰামত লাইভ সম্প্ৰচাৰ হোৱা এই অনুষ্ঠানটোত সনভে বিশ্বৰ নদীসমূহৰ বিষয়ে বৰ্ণনা কৰিছিল। তেওঁৰ স্মৃতিশক্তি, বিষয়বস্তুৰ উপস্থাপন শৈলীয়ে লাইভ প্ৰত্যক্ষ কৰি থকা বিশ্বৰ কোটি কোটি লোকক আপ্লুত কৰিছিল। ভাইৰেল হৈছিল অনুষ্ঠানটোৰ ভিডিঅ'। এই অনুষ্ঠানৰ বাবেই বিশ্ব অভিলেখ গঢ়ে সনভে। অত্যন্ত মেধা আৰু তীক্ষ্ণ আৰু বুদ্ধিসম্পন্ন সনভৰ প্ৰতিভা খুব কম বয়সতেই প্ৰস্ফুটিত হৈছিল। ভূগোল আছিল তেওঁৰ প্ৰিয় বিষয়। ইণ্টাৰনেটত নদীৰ বিষয়ে তথ্য বিচাৰি ফুৰা সনভে কম দিনতেই আয়ত্ত কৰিছিল সকলো। বিশ্বৰ ১৯৬খন দেশৰ ৰাজধানী, তাৰ মুদ্ৰাৰ সমস্ত তথ্য তেওঁৰ নখ দৰ্পণত। সনভৰ পিতৃ-মাতৃয়ে ইন্টেলিজেন্স ক'চ সুশান্ত মাইছ'ৰকৰৰ ওচৰত প্ৰশিক্ষণ দিয়াইছিল। সনভে নদীসমূহৰ বিষয়ে মনত ৰাখিবলৈ ৬০ ঘণ্টা পৰিশ্ৰম কৰিছিল। ডুবাইৰ জেমস দ্য মিলেনীয়াম বিদ্যালয়ৰ গ্ৰেড থ্ৰীৰ ছাত্ৰ সনভৰ কৃতিত্বই পিতৃ-মাতৃৰ লগতে দেশবাসীকো গৌৰৱান্বিত কৰিছে ।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com